# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/52 | Language of work: Assamese |
| Author (s) / Editor (s): DiMbeswar Neog | |
| Title: আসাম সাহিত্য সভা পত্রিকা | |
| Transliterated Title: Āsaāma ~~Sahi~~ Saāhaitaya Sabhaā Pataraikaā | |
| Translated Title: Magazine of Assam Sahitya sabha | |
| Place of Publication: Jorhat. | Publisher: ~~Assamese~~ Asam Sahitya Sabha Jorhat |
| Year: 1936-37 (1858-59) | Edition: |
| Size: 22 cms · 164 pages | Genre: Magazine |
| Volumes: 7th - 4 issues | Condition of the original: Not good |
| Remarks: 1st published in the year 1917 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

# অসম সাহিত্য-সভা পত্ৰিকা

বহাগ-আহাৰ, ১৮৬০—৬১ শক

অষ্টম বছৰ | মুঠ সংখ্যা—৩৮ | প্ৰথম সংখ্যা

## বছৰ-সলনি

বৰ্ত্তমান সংখ্যাত "পত্ৰিকা"ই সাতোটি বছৰ সামৰি তাৰ পাছৰটিৰ দুৱাৰ-দলিত ভৰি দিছে। ইয়াৰ ভিতৰত দুবছৰ যুটীয়াকৈ আৰু দুবছৰ গুটীয়াকৈ এই চাৰিবাৰ আমাৰ ওপৰত এই কাকতৰ সম্পাদনৰ ভাৰ পৰিছে। জন্মভূমিৰ সেৱাৰ বাবে আমাৰ ওপৰত এনেদৰে এই দায়িত্ব আৰু বিশ্বাস স্থাপন কৰি অহা হেতুকে সদৌ অসম সাহিত্য সম্মিলন বা অসমীয়া সাহিত্যিক ৰাইজৰ কাষত আমি বিশেষ ঋণী। এই শুভ লগ্নত আমি সকলোকে তাৰ বাবে আন্তৰিক শলাগ আৰু শ্ৰদ্ধা জনাইছোঁ।

পুৰণি "পত্ৰিকা"ৰ মতে বৰ্ত্তমান সংখ্যা ১৮৬০ শকৰ কাতি-পুহ সংখ্যা হব লাগিছিল, কিন্তু আমাৰ গুটীয়া ঐকান্তিক চেষ্টা স্বত্বেও নানান উপকৰা কাৰণত সি হবলৈ নাপালে। তদুপৰি, যদিও যোৱা শকৰ চ'ত মাহৰ ভিতৰতে বিশেষ সম্মিলনত সভাৰ বিষয়-ববীয়াসকলৰ নতুন বাছনি হল, তথাপি ১৮৬১ শকৰ আহাৰ মাহৰ শেষতহে নতুন বছৰৰ বাবে লাগতিয়াল কাকত-পত্ৰ আমাৰ হাতত পৰিছে; গতিকে বহাগৰ পৰাও বছৰ আৰম্ভ কৰা সুবিধা নঘটিছিল। তথাপি সুবিধাৰ বাবে আমি মাজৰ এসংখ্যাৰ কাল দেও দি এইবাৰ প্ৰথম সংখ্যা ১৮৬১ শকৰ বহাগ-আহাৰ সংখ্যা কৰিব লগা হল। শক দিলে মাহৰ নামো দিব লাগে, আৰু শক-মাহ একো নোহোৱাকৈ কাকত উলিয়ালে ভুৰ লৈ অনন্ত সাগৰত খেৱা দিয়াৰ দৰে হাঁহিউঠা কথা হয়। ইফালে, তিনিমহীয়া কাকতৰ কোন মাহত বছৰ আৰম্ভ বা শেষ হয়, তাৰো এটা লেখ থকা বাঞ্চনীয়। ইত্যাদি কাৰণত আশা কৰিছোঁ, ভৱিষ্যতে এনে আউকাল হবলৈ নাপাব।

"পত্ৰিকা"ই অসম সাহিত্য সভাৰ নিচিনা এটা জাতীয় অনুষ্ঠানৰ মুখপাতৰ আনুমানিক দাবীবোৰ জোখাৰে পূৰণ কৰা নাই, কাকতখন ওলাবৰেপৰা আজিলৈকে এই আপত্তি বহুতৰ মুখতে শুনায়, আৰু নিজেও তাৰ পৰা বাদ নপৰোঁ। তথাপি নিজেই ঘূৰি সুধিবলৈ বাধ্য হওঁ, উপায় কি? এই কাকত যদি এনে এটি জাতীয় অনুষ্ঠানৰ উপযুক্ত হৈ উঠা নাই এক প্ৰকাৰে তাৰ বাবে আমাৰ

জাতীয় চৰিত্ৰই দায়ী নহয় জানো ? ই প্ৰকৃততে তাৰেই আভাস দেখুৱাইছে : ই কোনো এজন লোকৰ বা এক সম্প্ৰদায়-বিশেষৰ কাকত নহয়, কিন্তু ইয়াত আটাইৰে কৰ্ত্তব্যৰ ভাগ আছে ; যদি এই ভাগ আমি নলও বা ইয়াক "ফটা জাল" পাতোঁ, তেন্তে তাৰ বাবে এজনকৈ জুৰিব পাৰি কাক ? অৱশ্যে তাত সম্পাদকৰ কৰ্ত্তব্য বিশেষ, সন্দেহ নাই ; কিন্তু কাৰ্য্যক্ষেত্ৰত, মনিব পৰা নিশ্চয় তাৰ এটা সীমাও আছে।

কামৰূপ অনুসন্ধান সমিতিৰ সুযোগ্য সভাপতি ৰায়-বাহাদুৰ কনকলাল বৰুৱা ছি-আই-ইৰ সম্পাদনত সেই অনুষ্ঠানৰ মুখপাত "জৰ্ণেলে" আমাৰ অনুসন্ধান ক্ষেত্ৰত নিশ্চয় এক গৌৰৱমণ্ডিত অধ্যায়ৰ সূচনা কৰিছে ; আমাৰ "পত্ৰিকা"ও নিশ্চয় সেই আদৰ্শত আগবাঢ়িব লাগে। কিন্তু ৰায় বাহাদুৰ ডাঙৰীয়াৰ নিজ প্ৰৱন্ধাৱলী আৰু দুই এজনৰ সাময়িক সহযোগিতাৰ বাহিৰে, সাধাৰণতে "জৰ্নেলৰ বিষয়ে অনা-অসমীয়াৰহে উদ্যোগ সৰহ দেখা যায়, আৰু তাৰ বাবেই সেই কাকত সেই কাকত হৈছে, এনেও অসম্ভৱ নহব পাৰে। মুঠতে অসমীয়াৰ উদ্যমৰ লগত ধানখেৰৰ জুইৰ উপমা পুৰণি বা অতীত কাল হবলৈ, বা আমাৰ সোৰোপালি পটন্তৰৰ শাৰীৰপৰা নামিবলৈ, হয়তো এতিয়াও আছে।

কিন্তু ই অকল সৰ্ব্বসাধাৰণৰ বিষয়তেহে খাটিব বুলি আমি আশা কৰোঁ। "পত্ৰিকা"ৰ নিচিনা এখন কাকত চিন্তাশীল আৰু গৱেষণামূলক মৌলিক প্ৰৱন্ধ-সম্ভাৰেৰে যোগান ধৰিবৰ জোখাৰ কাৰ্য্যতৎপৰ ভাবুক লেখকৰ কোনো কেতিয়াও আকাল নহয় বুলি আমাৰ বিশ্বাস। গতিকে বাঞ্ছা কৰোঁ অসমীয়া পুৰণি কাকত-পুথি, শিল বা তামৰ ফলি, গদ্য-পদ্য, গীত-মাত আদি নানান বিষয়ৰ বিচাৰ বা আলোচনামূলক মৌলিক চিন্তাৰ প্ৰৱন্ধেৰে সুধীসকলে তেখেতসকলৰ হেপাহৰ "পত্ৰিকা"ক এতিয়াৰ পৰা আৰু জুৰনীকৈ সজাবলৈ পৰাঙ্মুখ নহব।

বৰ্ত্তমান অসমীয়া সাহিত্যৰ সেৱক-সেৱিকাৰ লেখ যদিও নিচেই নগণ্য নহয় ; তথাপি আমাৰ সাহিত্য অন্ততঃ আশানুৰূপ আগবাঢ়িছে বুলি কব নোখোজে আৰু তেনে উক্তি অযুক্তিকৰ যেনো নালাগে। ইয়াৰ হেতু, আমাৰ সাহিত্যৰ বেমেজালি বা শৃঙ্খলাহীনতা বুলি সহজে ধৰিব পাৰি। কি দিহা বা সুনিয়মেৰে কাম কৰিলে আমাৰ উন্নতি নিশ্চিত হব পাৰে, তেনে কাৰ্য্যকৰী পন্থাৰ বিচাৰো আলোচনাৰ বিষয় হোৱা উচিত ; "প্ৰগতি"ৰ নাম চিঞৰি চিঞৰি ইফালে "বেগতি" হোৱা অন্যায়। এনে অসংখ্য আলোচনাৰ কথা লৈ আছে ; আৰু আমাৰ সাহিত্যৰ হিতমূলক সকলো তত্ত্ব আৰু তথ্যকে আমি উলাহেৰে সামৰিবলৈ বাট চাইছোঁ।

---

## পাণ্ডৱ বংশ

### পণ্ডিত শ্ৰীপ্ৰতাপচন্দ্ৰ গোস্বামী বিদ্যাবিশাৰদ ধৰ্ম্মভূষণ

কৌৰৱ-পাণ্ডৱৰ কথা লৈ মহাভাৰত। মহাভাৰতত একে কুৰুবংশৰ দুই শাখাৰ ভিতৰত হোৱা যুদ্ধ-বিগ্ৰহৰ কথাই বিশেষভাৱে বৰ্ণিত আছে। বিচিত্ৰবীৰ্য্যৰ দুই ভাৰ্য্যা, অম্বা আৰু অম্বালিকা। অম্বাৰ পুত্ৰ ধৃতৰাষ্ট্ৰ আৰু অম্বালিকাৰ পুত্ৰ পাণ্ডু। ধৃতৰাষ্ট্ৰৰ পুত্ৰসকলক কুৰুবংশৰ মূল পুৰুষ কুৰু ৰজাৰ নাম অনুসাৰে কৌৰৱ বোলে। কিন্তু পাণ্ডুৰ পুত্ৰসকলক হলে কৌৰৱ নুবুলি পাণ্ডৱহে বোলে। বোধ কৰোঁ মূল বংশ ধৰাৰ পৰা বহু আঁতৰি



গৈ পাণ্ডুৰ ক্ষেত্ৰতহে কুন্তী আৰু মাদ্ৰীৰ পুত্ৰকেইজন ওপজাৰ বাবেহে তেওঁলোকক পাণ্ডৱ বুলিছিল। আৰু এই কাৰণেই দুৰ্য্যোধনে এওঁলোকক পৈত্ৰিক ৰাজ্যৰ ভাগ দিবলৈ টান পাইছিল। এই পাণ্ডৱ বংশত নহতো আজি কালিৰ সমাজ আৰু শাস্ত্ৰৰ বিৰোধী প্ৰথা চলিত আছিল। বৰ্ত্তমান সময়ত এইবিলাক কথাৰ আলোচনা হোৱাৰ আৱশ্যক আছে। আলোচনাৰ সুবিধাৰ নিমিত্তে ইয়াতে পাণ্ডৱ বংশৰ এখন বংশ-তালিকা দিয়া হল :—

### পাণ্ডৱ বংশ

প্ৰতীপ (১) + পৰাশৰ = দ্বৈপায়ন
|
(২) শান্তনু × সত্যৱতী = { চিত্ৰাঙ্গদ
বিচিত্ৰবীৰ্য্য + অম্বিকা আৰু অম্বালিকা } = ০
|
ভীষ্ম

বিধৱা অম্বিকা আৰু অম্বালিকা + দ্বৈপায়ন ব্যাসদেৱ
= ধৃতৰাষ্ট্ৰ আৰু পাণ্ডু
পাণ্ডু + কুন্তী আৰু মাদ্ৰী = ০
∴ কুন্তী + (ধৰ্ম, বায়ু আৰু বাসৱ) = যুধিষ্ঠিৰ, ভীম আৰু অৰ্জ্জুন
মাদ্ৰী + অশ্বিনীকুমাৰদ্বয় = নকুল আৰু সহদেৱ
দ্ৰৌপদী + ( যুধিষ্ঠিৰ, ভীম, অৰ্জ্জুন, নকুল আৰু সহদেৱ

এই বংশ-লতাটো ভালকৈ চালে দেখা যাব যে) প্ৰথমতে দাস বা কেওঁটৰ ছোৱালী গন্ধৰ্ব্ব বিধি অনুসাৰে বামুণে (পৰাশৰ) বিয়া কৰালে, সেই অসবৰ্ণ বিবাহ-জাত সন্তান হল বিশ্ব বিশ্ৰুত বামুণ (ব্যাসদেৱ)। পিছত সেই ছোৱালীজনীকে ক্ষত্ৰিয় ৰজা শান্তনুৱে বিয়া কৰালে। শান্তনুৰ ঔৰসত সেই কেওঁটৰ ছোৱালী সত্যৱতীৰ গৰ্ভত জন্মিল চিত্ৰাঙ্গদ, আৰু বিচিত্ৰবীৰ্য্য। বিচিত্ৰবীৰ্য্যৰ বিধৱা পত্নী অম্বা আৰু অম্বালিকাৰ গৰ্ভত সত্যৱতীৰ পুত্ৰ ব্যাসৰ ঔৰসত জন্ম হল ধৃতৰাষ্ট্ৰ আৰু পাণ্ডুৰ। পাণ্ডুৰ পত্নী কুন্তী আৰু মাদ্ৰী। কুন্তীৰ গৰ্ভত ধৰ্ম্ম বায়ু আৰু বাসৱৰ (ঐতিহাসিক হিচাপে চালে কোনোবা অজ্ঞাত কুলশীল হিমালয় প্ৰদেশৰ কোনো তিনি জন পুৰুষৰ) ঔৰসতে জন্মিল যুধিষ্ঠিৰ, ভীম, অৰ্জ্জুন। মাদ্ৰীৰ গৰ্ভত অশ্বিনীকুমাৰ দ্বয়ৰ (ঐতিহাসিক হিচাপে চালে কুন্তীৰ নিচিনা) ঔৰসত জন্মিল নকুল সহদেৱ। এই পাণ্ডৱ পাঁচ ভায়েকৰ ধৰ্ম্ম-পত্নী হল অকল দ্ৰৌপদী।

অথচ এই বংশই মহাভাৰতত এনে প্ৰসিদ্ধি লাভ কৰিছে যে তাৰ তুলনা নাই। যুধিষ্ঠিৰ ধৰ্ম্মৰাজ। দ্ৰৌপদী লক্ষ্মী-স্বৰূপা। ভীম, অৰ্জ্জুন, নকুল, সহদেৱৰো অশেষ খ্যাতি। এই বংশৰ লগত ক্ষত্ৰিয়সকলে বৈবাহিক সম্বন্ধ স্থাপন কৰি নিজক গৌৰৱান্বিত বুলি ভাবিছিল। এনেকি স্বয়ং কৃষ্ণয়ো নিজৰ ভগিনী সুভদ্ৰাক দিবলৈ এই বংশহে উপযুক্ত বুলি ভাবিছিল।

এনেকৈ ওপজা পাণ্ডৱসকলে আছিল আৰ্য্য বংশৰ প্ৰদীপ। কাৰণ তেতিয়া ভাৰতৰ আৰ্য্যসকল আছিল স্বাধীন। সেইবাবেই তেওঁলোকে নিজৰ দেশ আৰু জাতিৰ কল্যাণৰ কাৰণে পুৰণি সমাজ-ব্যৱস্থা ভাঙি নতুন সমাজৰ নতুন স্মৃতি গঢ়ি লব পাৰিছিল। গতিকে তেতিয়া ভাৰতৰ সমাজ-ব্যৱস্থা আছিল ভাৰতৰ স্বাধীনতা আৰু সমাজৰ সজীৱতাৰ অনুকূল। তেতিয়া দেশ বা জাতিৰ কল্যাণৰ বাবে সমাজ আৰু শাস্ত্ৰ। এতিয়া হৈছে সমাজ আৰু শাস্ত্ৰৰ ৰক্ষাৰ বাবে জাতি আৰু দেশ। পাৰ্থক্য এইখিনিতে। আজি এই বিংশ শতাব্দীত যেতিয়া আমি অস্পৃশ্যতা পাপ পৰিহাৰ কৰি সকলো দৈন্য-দুৰ্ব্বলতা কাতি কৰি থৈ বিভিন্ন ধৰ্ম্মাৱলম্বী বিভিন্ন কৃষ্টিসম্পন্ন ভাৰতবৰ্ষৰ মানুহ মাত্ৰেই ভিতৰত একতা স্থাপন কৰি এটা মহা ভাৰতীয় জাতিৰ ভিত্তি প্ৰতিষ্ঠা কৰিবলৈ সাজু হৈছোঁ, এনে সময়ত পাণ্ডৱবংশৰ এইবিলাক কথা, আৰু সেই কালৰ সমাজ-ব্যৱস্থাৰ লগত এই কালৰ সমাজ-ব্যৱস্থাৰ আকাশ-পাতাল প্ৰভেদৰ বিষয়ে গভীৰ ভাৱে ভাবি চোৱা উচিত।

---

# ধৰ্ম্ম আৰু সভ্যতাৰ প্ৰভাৱত ৰাজনীতি

শ্ৰীযুত কুমুদেশ্বৰ বৰঠাকুৰ বি-এ, বি-টি

ধৰ্ম্মই জাতি গঢ়ে। ধৰ্ম্মই সভ্যতা দিয়ে। জাতি আৰু সভ্যতাই ৰাজনীতিত সহায় কৰে। অসম বুৰঞ্জীৰ পাতে পাতে ইয়াৰ প্ৰমাণ ভৰি আছে।

অসুৰ—দানৱ—দৈত্য বীৰ জাতি। তেওঁলোক ভোলোৎপত্তি মানুহ। তেওঁলোকৰ সম্বল মাত্ৰ বীৰত্ব—যুদ্ধপ্ৰিয়তা। তেত্ৰিশ কোটি দেৱতাৰ ভিতৰত মাত্ৰ এক মহাদেৱ শিৱৰ এই গুণ আছে। সেই কাৰণেহে নৰকাসুৰ, বাণ আদি অসমৰ সেই কালৰ প্ৰবল পৰাক্ৰমী ৰজাসকল একমাত্ৰ শিৱভক্ত আছিল। তেওঁলোকে প্ৰতিষ্ঠা কৰা শিৱ-মন্দিৰবোৰ বা তাৰ ভগ্নাৱশেষবোৰ আজিও শদিয়াৰ ওপৰৰ চুণপোৰাৰ পৰা কৰতোয়া পৰ্য্যন্ত আৰু ইফালে জাপুকপুঙৰ ওপৰৰ পৰা জয়ন্তীয়ালৈকে বিস্তৃত হৈ আছে। এতিয়াও শিঙৰি, উমানন্দ আদি বিখ্যাত শিৱমন্দিৰে অসম মাতৃৰ বুকু জুৰাই আছে। এওঁলোকৰ ৰাজ্যৰ সীমা নাছিল। "যথা ঠিয়, তথা শিৱ"— "জোৰ যাৰ মুলুক তাৰ" এওঁলোকৰ নীতি।

শিৱৰ লগত দেৱী আছেই। সেইবাবে, আবহমান কালৰ পৰা কামাখ্যা আদি পীঠস্থান—দেৱী-মন্দিৰ আমাৰ দেশত বিৰাজমান। ইয়াৰ পৰা দেখা যায় দেৱীপূজা অসমৰ নতুন কথা নহয়। দেৱীপূজা হয় তন্ত্ৰ-বিধি মতে; মন্ত্ৰৰ সাহায্যত। এনেহে তান্ত্ৰিক পূজা আৰু মন্ত্ৰৰ শক্তিৰ সূত্ৰপাত। মন্ত্ৰ-শক্তিত অসমৰ পূৰ্ণখ্যাতি অতীতৰ পৰাই আছে। এই মন্ত্ৰ-শক্তিৰেই অসমে অনা-অসমীয়াক সদায় "ভেৰা বনাই" আহিছে। ইয়াৰ চৰম সীমা, "কেঁচাই খাতী" মন্দিৰ আদি স্থাপন আৰু নৰবলি। এই সময়ত এই কুচ-কুচানৰ মাজত ৰাজশক্তি অটুটভাৱে নাথাকি ছেদেলি-ভেদেলি হৈ পৰিল; ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যত পৰিণত হ'ল।

শৈৱ আৰু শক্তিৰ পূৰ্ণ জ্যোতিৰ সময়ত, ভালুকপুঙৰ ওচৰত ভক্ত প্ৰহ্লাদে নৰসিংহ অৱতাৰ দেখা পালে; তেজপুৰ অঞ্চলত প্ৰহ্লাদৰ নাতি বলিক বামণাৱতাৰে ছলিলে। আৰু শ্ৰীকৃষ্ণই নৰকাসুৰক বধিলে। এইখিনিতে গুৱাহাটীয়ে "প্ৰাগ্‌জ্যোতিষপুৰ" নাম পোৱাৰ দুটা মত জানি ভাল লাগিব। নৰকাসুৰৰ মৰণ কালৰ প্ৰাৰ্থনা-অনুযায়ী তেওঁৰ মৃত্যু স্মৰিবলৈ সেই তিথিত হিন্দুজগতে দীপ-দান কৰাৰ বিধি কৰিলে। তেতিয়াৰ পৰাই, ই হিন্দুজগতত "প্ৰাক্" (প্ৰথম) "জ্যোতিষ" (পোহৰ থকা) "পুৰ" (নগৰ)। অথাপিছাৰ্কৈ, দেৱীভক্ত শ্ৰীবৎস ৰজাই তেওঁক উৎপীড়ন কৰা গ্ৰহ-দেৱতাসকলৰ—বিশেষকৈ শনিগ্ৰহলৈ বুলি— "নৱগ্ৰহ মন্দিৰ" স্থাপন কৰি ইয়াত পোনপ্ৰথমে জ্যোতিষ চৰ্চ্চা কৰিবলৈ ছল লগাই দি ইয়াক "প্ৰাক্" (প্ৰথম) "জ্যোতিষ" (জ্যোতিষ চৰ্চ্চাৰ) "পুৰ" (নগৰ) নাম দিছিল।

জৰাসন্ধৰ বন্দীশাল অসমক মুক্ত কৰি দি (সেইবাবে আমি কৃতজ্ঞ) শ্ৰীকৃষ্ণই ইয়ালৈ চাৰিবাৰ আহিছিল:— (১) ৰুক্মিণী হৰণ (২) নৰকাসুৰ বধ (৩) পাণ্ডৱৰ আগমনৰ লগত (৪) উষাহৰণ। নৰসিংহ আৰু বামণাৱতাৰৰ পাচত অহা শ্ৰীকৃষ্ণই যি বৈষ্ণৱ ভাব অসমীয়াৰ মনত জগাই আৰ্য্য-সভ্যতা দিছিল; সেই মতেৰে শৈৱতে শৈৱ আৰু তান্ত্ৰিকমতৰ থকা-খুন্দা লাগিল। এনে সময়তে অসমলৈ আহিল বৌদ্ধ-আহোম জিডুৰেদি আৰু এদল আহিল তিব্বতলৈ কামৰূপেদি। তাৰ পাচত আহিল আওলিয়াদল লৈ মুচলমান পোৰামকালৈ। মুচলিম ৰাজশক্তি নথকাত ইয়াত মুচলমান ধৰ্ম্মই গা-কৰিব নৰকৈ নোৱাৰিলে।

বৌদ্ধ-প্ৰভাৱ অসমত অলপ সময় বিয়পি পৰিল। ৰাজ-শক্তি আহোম হিন্দু হৈহে শৈৱ হ'ল, কিন্তু অলপ পিছতে দেৱীভক্ত হৈ পৰিল। এতিয়া শক্তিপূজক শাক্ত



ৰাজশক্তি আৰু শ্ৰীকৃষ্ণপূজক বৈষ্ণৱ প্ৰজাশক্তিৰ ভিতৰত যুদ্ধ চলিল। থকবা ৰণো লাগিল। দেশত অশান্তি হ'ল। ইয়াৰ ফল হ'ল মানৰ আক্ৰমণ আৰু দেশজুৰি হাহাকাৰ। ধনী অসমীয়াৰ ধন-সম্পত্তি অসমৰ প্ৰত্যেক চপৰা মাটিৰ তলত আজি পৰ্য্যন্ত লুকাই থাকি জগতৰ ভিতৰত অসমীয়া জাতিক দুখীয়া বুলি প্ৰতিপন্ন কৰিছে।

এই হাহাকাৰৰ ভিতৰতে ১৮২৬ চনত আহিল সাম্যবাদী ইংৰাজ খৃষ্টান ধৰ্ম্ম আৰু ইয়াত জাহ-নোযোৱা বিদেশীক লৈ জগত জোৰা খৃষ্টানে অসমীয়াৰ চকু পৃথিৱীৰ ফালে মোকোলালে

শৈৱ ৰাজশক্তিয়ে অসমী আইক কেইবা ভাগো কৰিছিল শিৱমন্দিৰ গম্ভীৰকৈ সাজিছিল আৰু এটা ৰণুৱা জাতি কৰি মৌখিক সাহিত্য দিছিল। তন্ত্ৰ ৰাজশক্তিৰ দিনত বহুতো ক্ষুদ্ৰ-ক্ষুদ্ৰ ভাগ হলেও দেৱী মন্দিৰ চাপৰকৈ কৰিছিল যুদ্ধপ্ৰিয়তা কমাইছিল, বিধি আৰু মন্ত্ৰ সাহিত্য দিছিল, আৰু ভাৰতৰ আন ঠাইৰে নাম-নাচ সম্বন্ধ ৰাখিছিল। বৈষ্ণৱ ৰাজশক্তিয়ে ইয়াৰ সীমা বঢ়াই পশ্চিম ভাৰতেৰে সম্বন্ধ পাতিছিল—মক্কলীয়া ধৰণৰ মন্দিৰ পাতিছিল। পোন প্ৰথম "নামঘৰ" পাতিছিল—আৰু ৰণতকৈ সাহিত্যলৈ বেছিকৈ মন দিছিল। এতিয়াৰ খৃষ্টান ৰাজশক্তিয়ে অসমী আইক পৃথিৱী জোৰা কৰি দিছে যদিও, মঠ-মন্দিৰ আদিৰ কাৰু-কাৰ্য্যতকৈ অন্যান্য বিষয়তহে অসমীয়াক ব্ৰতী কৰিছে। কাৰু-কাৰ্য্য আৰু সাহিত্যৰ ক্ৰম এই ৰাজনৈতিক বুৰঞ্জীৰ পৰাই ধৰিব পাৰি।

---

# ভাউৰাৰ কথা

শ্ৰী শ্ৰীৰামচন্দ্ৰ দাস

ভাউৰা শব্দৰ চমু অৰ্থ, হাঁহি-হাঁহি, নাচি-বাগি নানা ৰকমৰ ৰং-ৰহস্যৰ কথা কৈ আনৰ মনত আনন্দ দিব পৰা মানুহ। ভাউৰা শব্দটো ভাৱৰীয়া শব্দৰেই অপভ্ৰংশ যেন লাগে। ভাউৰা আৰু বহুৱাৰ ভিতৰত পাৰ্থক্য কম। ভাউৰাৰ মনত গোটেই জগতখনেই আনন্দময়, ইয়াত নিৰানন্দৰ লেশ মাত্ৰও নাই। তেওঁলোকে মনোৰম ৰাজ ভৱন চাই যি ব্যাখ্যা দিব নিকৰুণ মৰিশালি বা মৰুভূমি চায়ো তেনে ব্যাখ্যা দিব পাৰে। যিটো বস্তু আনৰ মনত নগণ্য, চকুতেই নপৰে, ভাউৰাসকলে তাকো ভালকৈ দেখে, তেওঁলোকৰ মনত সিও অগ্ৰগণ্য হৈ পৰে। ভাউৰাসকলৰ উপস্থিত বুদ্ধি, বৰ্ণনা শক্তি আৰু গভীৰ ভাৱৰ দৃষ্টি সচাকৈয়ে প্ৰশংসনীয়। দুই এজন ভাউৰাৰ গাত এনেবোৰ আচৰিত ধৰণৰ গুণ দেখিলে, সেইবোৰ ঈশ্বৰৰ সহজ-দান ঐশক্তি বুলিহে ধাৰণা হয়। ভাউৰাৰ নাম শুনিলে বা ভাউৰা অহা গম পালেই, গাৱঁৰ সকলোৰে মনত ৰং লাগে। যি চুবুৰী বা সমাজত এজনমান ভাউৰা থাকে, সেই ঠাই একেবাৰে জাগ্ৰত হৈ থাকে। আগেয়ে আমাৰ দেশৰ ঠায়ে ঠায়ে দুই চাৰিজন বিখ্যাত ভাউৰা আছিল? কিছুমান ভাউৰালি কৰিয়েই নিজৰ জীৱিকা চলাইছিল। এতিয়াও দুই চাৰিজন ভাউৰা আছে যদিও মানুহৰ অভাৱ-অনাটন বাঢ়ি অহাৰ লগে লগে কিছু কমি গৈছে। কিছুমান ভাউৰা একেবাৰে নিৰক্ষৰ; সিহঁতৰ প্ৰকৃততে স্বভাৱ কবি। প্ৰকৃত শিক্ষাৰ্থীৰ কাৰণে ভাউৰা বা বহুৱাসকলৰ পৰা শিকিবলগীয়া কথা অনেক আছে। আমি দুজন মান উচ্চ শিক্ষিত ডেকাৰ ভাউৰালি দেখি সন্তোষ পাইছো।

কবি লক্ষ্য ভাউৰা (বৰ নগৰ) নিংনি ভাউৰা (বৰপেটা) বুদ্ধি ভাউৰা, গোৱী ভাউৰা (সুন্দৰী দিয়া সত্ৰ), দলি ভাউৰা, হাতি ভাউৰা (বামুনা সত্ৰ,) পগ্লা ভাউৰা, বহো ভাউৰা, বাইতা ভাউৰা, কাইতা

ভাউৰা, কহি ভাউৰা, হলী ভাউৰা, দৈৱ ভাউৰা. ভাগ্য ভাউৰা, বস্ত্ৰ ভাউৰা, লখী ভাউৰা, নন্না ভাউৰা, চণ্ডী ভাউৰা, মহেশ্বৰ ভাউৰা, উপেন ভাউৰা, মনাৰাম ভাউৰা, ভকত ৰাম ভাউৰা, শস্তিৰাম ভাউৰা, আৰু শিৱৰাম পণ্ডিত ভাউৰা (তামুলী বজাৰ, শিৱসাগৰ) আদি অনেক ভাউৰাৰ নাম শুনিছোঁ, আৰু কিছুমানৰ ভাউৰাপিল দেখিছোঁ। এই সকলৰ ভিতৰত কেজনমান ঢুকাইছে। বৰপেটাৰ নিংনি ভাউৰাৰ কিছুমান নীতিপূৰ্ণ দেমেলীয়া কথা এতিয়াও মানুহৰ মুখে মুখে চলি আছে। কিছুমান ভাউৰাৰ জীৱনী লিপিবদ্ধ কৰি সমাজত প্ৰচাৰ কৰিব লগীয়া। দুখ-শোক, হাই-হাহাকাৰ আৰু দৰিদ্ৰতাৰ গ্ৰাসত পৰিও কেনেকৈ মধুৰ শক্তি লভিব পাৰি, আমাক ভাউৰাসকলে তাকেহে শিক্ষা দিয়ে। ভাউৰাৰ শক্ৰ নাই। কামৰূপৰ ঢোলৰ নাচ বিখ্যাত। এই ঢুলীয়াবিলাকেও কিছুমান অতি ৰস-পূৰ্ণকথা কৈ সমজুৱা সকলক ইহুৱাব পাৰে। এই সকলো বিলাকৰে ভিতৰৰ আৱশ্যকীয় ভাগ ভাল কথা বিলাক নিখুঁত ভাৱে সংগ্ৰহ কৰি প্ৰচাৰ কৰা উচিত। আমাৰ দেশত যিবোৰ প্ৰাচীন জাতীয় সম্পদ আছে, সেই সকলোবিলাকক "প্ৰাচীন কামৰূপী নৃত্য সম্ভাৰ" দৰে মহৎ আদৰ্শ সম্মুখত লৈ সম্বন্ধ-বদ্ধ হৈ গোটেই ভাৰতবৰ্ষ আৰু লাহে লাহে পৃথিৱীৰ আন আন দেশতে প্ৰচাৰ কৰিবলৈ যত্ন কৰা উচিত।

১৮৪৫ শকৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যা "মইনাত" "ছাহি ভাৱৰীয়াৰ গীত" (ছলিৰ গুণ বৰ্ণনা) এটা প্ৰকাশ হৈ গৈছে। সেই গীতৰ ভিতৰত আমাৰ দেশত লৰাৰ স্বভাৱ চৰিত্ৰৰ বিষয়ে বৰ্ণোৱা আছে। ১৮৪৪ শকৰ ৭ম সংখ্যা "চেতনাত" "নিংনী ভাউৰিয়াৰ গীত" নামৰ জাতীয় ভাৱমূলক সুন্দৰ গীত এটা প্ৰকাশ হৈ গৈছে। এনে গীত গালে বা আনে গোৱা শুনিলেও দেহলৈ হেৰোৱা শক্তি অহা যেন লাগে। এই গীতৰ ৰচক দেশ-ভক্ত শ্ৰীযুত তৰুণৰাম ফুকন ডাঙৰীয়া।

ভাউৰাবিলাকক কিবা কৰলৈ কলে প্ৰথমতে নিজে একোকে নজনা বুলিহে কয়। সেইদৰে সমিধান দিয়াৰ ভিতৰতো কথাৰ লয় বা ভাউৰালি থাকে। "সংসাৰত সৰু হই মই উপজিম", "মোৰ দৰে মহামূৰ্খ নাই" বাবু পইছা লবাৰ হৈছে ৰাবু," "মামাথেৰ ঘোৰা আমাৰ চেহেৰা," "দুৰ্য্যোধনৰ লগ লোৱাতকৈ অকলে থকা ভাল," এইবোৰ আৰু "নিজে নমৰিলে কোনে মাৰিব পাৰে?" না না ঠাইত নানা জন ভাউৰাৰ মুখত শুনা কথা।

গোলাঘাট নগৰৰ ষ্টেশ্যনৰ ওচৰতে শ্ৰীযুত হলধৰ ভাউৰা নামৰ এজন মানুহ আছে। ঘৰ বৰ পুলা গাৰ্বিত (পছিম নৰি কোণ, আঠঘৰীয়া পোঃ অঃ)। তেওঁ নিজৰ শক্তিমতে সাধাৰণ ৰকমৰ কাৰবাৰ কৰি নিৰ্ব্বাহ কৰে। মানুহজন কৰ্ম্ম-প্ৰিয়। আমাৰ দেশত প্ৰায় সকলো কানীয়াৰে সাধাৰণ নাম 'কাণীয়া' হোৱাৰ দৰে ভাউৰা-বিলাকৰো নিজৰ আচল নাম লুপ্ত হৈ সাধাৰণ নাম 'ভাউৰা' হৈ পৰে। গোলাঘাটত হলধৰৰো সাধাৰণ নাম 'ভাউৰা'। অকণমান পজাটিৰ তলতেই তেওঁ পৰম সন্তোষত থাকে। তেওঁৰ পৰাই লোৱা তলৰ গীত দুটা লিখা হৈছিল। তেওঁ নাচি-বাগি গালে দেখিবলৈ আৰু শুনিবলৈ সচাকৈয়ে ভাল লাগে।

## ১। ভাউৰাৰ তীৰ্থ-যাত্ৰা ঃ—

আমি যাওঁ গয়া-গঙ্গাতে,
আমাৰ লগত কোন যাব, নিম লগতে।
আমি যাওঁ ... ..
দুই বেলা দিম চাহ, লগত লুচি-নিমকি,
লাল মোহন ৰছোগোল্লা আৰু জেলপি। ... ...
গয়া-গঙ্গা বাৰাণসী, আছে যত থান,
বিশ্বেশ্বৰ-মাধৱ থান, আৰু কেদাৰ,
সকল দেৱালয়ৰ মই পাওঁ অধিকাৰ। ... ...
জগন্নাথ-কালীঘাট, আদি কত আছে,
সকলোৰে পুণ্য ফল মোৰ লগত আছে। ... ...





## ২। ভাউৰাৰ কইনা চোৱা :—

ভাই মোৰ দুখৰে কপাল,
ভাই মোৰ পোৰা কপাল,
এৰ ঘৰে তাৰ ঘৰে বহি
তাপ-লাৰ খেদ-লু ছাল।—
সাতখান হালৰ পাচত মই
কোদাল লৈ যাওঁ,
আঘণৰ মাহ পল্লি
ধান কিনি খাওঁ ...
সাত হাউলি বাকি থৈছোঁ,
শুদা টিঙৰ ঘৰে,
বৈহান আন-লি দাউৰি ফুৰোঁ ...
বাৰৰ ঘৰে ঘৰে। ...
আগে-পিচে দুটা হলি
একলাই যাব পাৰোঁ,
এটা কাছু ভাজা হলি
শুদাই খাব পাৰোঁ। ...
হিন্দী-ফাৰ্চী, নাগাৰী-বাংলা,
জানো উড়ীয়া,
দুই ভাইৰ মাজত আমাৰ
হয়া নাই বিয়া। ...
পুব-পশ্চিম, উত্তৰ-দক্ষিণ,
কইনা ফুৰ-লু চাই,
ঘুৰি ঘুৰি কইনা পালোঁ—
কুমাৰ পাটিত নাই। ...

বিচাৰিলে এনেকুৱা গীত-মাত আৰু অনেক পাব পাৰি, নিশ্চয়।

—— ——

# অসম সাহিত্য সভাৰ বিশেষ সম্মিলনৰ

## কাৰ্য্য-বিৱৰণী

১। শ্ৰীযুত দেবেশ্বৰ চলিহা ডাঙৰীয়াৰ প্ৰস্তাৱ আৰু শ্ৰীযুত দেবানন্দ শৰ্ম্মাৰ সমৰ্থন আৰু সৰ্ব্বসম্মতিক্ৰমে মাননীয় ৰায়বাহাদুৰ শ্ৰীযুত হেৰম্বপ্ৰসাদ বৰুৱা ডাঙৰীয়াই সভাপতিৰ আসন গ্ৰহণ কৰে।

২। প্ৰধান সম্পাদক ডাঙৰীয়াই লিখিত অভিভাষণ পাঠ কৰি এই বিশেষ সম্মিলনৰ উদ্দেশ্য প্ৰকাশ কৰে আৰু কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ ৪।১।৩৯ তাৰিখৰ ৩ (খ) নং প্ৰস্তাৱ অনুসৰি এই বিশেষ সম্মিলন পতা হৈছে বুলি জনায়; আৰু ইতিপূৰ্ব্বে ২।৮।৩৬ তাৰিখে পতা কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ বিশেষ অধিবেশনৰ কাৰ্য্য-বিৱৰণীৰ প্ৰতিও সভ্য-সকলৰ দৃষ্টি আকৰ্ষণ কৰে; আৰু এই কাৰ্য্য-বিৱৰণীৰ শুৱলহাটীৰ সাম্মলনত উপস্থিত আৰু অনুমোদিত হবলৈ নোপোৱা বাবে দুখ প্ৰকাশ কৰে।

৩। (ক) এই সম্মিলনৰ মীমাংসাবোৰৰ ভবিষ্যত সাৰ্থকতাৰ সম্পৰ্কে বাহুল্য আৰু এই বিশেষ আলোচনাৰ পিচত সৰ্ব্ব-সন্মতিক্ৰমে স্থিৰ কৰা হয় যে :—

(খ) এই বিশেষ সম্মিলনে সভা সংগঠনী দলিলৰ চৰ্চ্চ আৰু মৰ্ম্ম অক্ষুন্ন ৰাখি আৰু তাৰে সৈতে সম্পূৰ্ণ সামঞ্জস্য ৰক্ষা কৰি পূৰ্ব্বৰ পৰা কল্পিত নিয়মাৱলী-সংশোধন কাৰ্য্য সমাধা কৰিব পাৰে।

(গ) বিশেষ সন্মিলনৰ প্ৰস্তাৱ আৰু মীমাংসা অসম সাহিত্য সভাৰ সাধাৰণ সন্মিলনৰ প্ৰস্তাৱ আৰু মীমাংসাৰ দৰেই বলবৎ হব।

৪ (ক) ইয়াৰ পিচত শ্ৰীযুত ঈশ্বৰপ্ৰসাদ বৰুৱা ডাঙৰীয়াৰ প্ৰস্তাৱ আৰু শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়াৰ সমৰ্থন আৰু সৰ্ব্বসন্মতি ক্ৰমে নিয়মাৱলী সংশোধন কাৰ্য্য হাতত লবলৈ আৰু বিশদ আলোচনাৰ দ্বাৰাই সংশোধিত নিয়মাৱলী প্ৰণয়ণ কৰিবলৈ এই সন্মিলনত উপস্থিত থকা সভ্যসকলৰ সৈতে বিষয়বাছনী সমিতি গঠিত হয়।

(খ) বিষয় বাছনী সমিতিৰ কাৰ্য্য তেতিয়াই আৰম্ভ কৰিবলৈ স্থিৰ কৰা হয়। আৰু বিশেষ সন্মিলন পিচদিনা ৰাতিপুৱা ৯ বজালৈ স্থগিত ৰখা হয়।

প্ৰধান সম্পাদক স্বাক্ষৰ শ্ৰীহেৰম্বপ্ৰসাদ
অসম সাহিত্য-সভা বৰুৱা
যোৰহাট সভাপতি।

———:•:———:•:———:•:———

**বিশেষ সন্মিলনৰ স্থগিত অধিবেশনৰ কাৰ্য্যবিৱৰণী।**

৯।৪।৩৯ তাৰিখ সন্ধ্যা ৬½ বজাত বহে।

৫। মাননীয় ৰায়বাহাদুৰ শ্ৰীহেৰম্বপ্ৰসাদ বৰুৱা ডাঙৰীয়াই সভাপতিৰ আসন গ্ৰহণ কৰে।

৬। এই সন্মিলনৰ কালি পুৱা বহা অধিবেশনত গৃহীত হোৱা ৪ (খ) নং প্ৰস্তাৱ অনুসৰি এই সন্মিলনৰ স্থগিত অধিবেশন আজি ৰাতিপুৱা ৯ বজাৰ পৰা হ'ব লাগিছিল; কিন্তু বিষয়বাছনী সমিতিৰ কাৰ্য্য কালি শেষ নোহোৱা বাবে আৰু আজি গধুলি ৬ বজালৈকে চলি থকা বাবে উক্ত সমিতিৰ অধিবেশন শেষ হোৱাৰ অলপ পিচতে বিশেষ সন্মিলনৰ স্থগিত অধিবেশনৰ কাৰ্য্য আৰম্ভ কৰা হয়।

৭। (ক) প্ৰধান সম্পাদক ডাঙৰীয়াই বিষয়বাছনী সমিতিৰ সংশোধিত পৰিবৰ্ত্তিত আৰু পৰিবৰ্দ্ধিত হোৱা নতুন নিয়মাৱলী সন্মিলনৰ অনুমোদনৰ অৰ্থে উপস্থাপিত কৰে।

(খ) শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়াৰ প্ৰস্তাৱ শ্ৰীযুত কীৰ্ত্তিনাথ শৰ্ম্মা বৰদলৈ ডাঙৰীয়াৰ অনুমোদন আৰু দুজনৰ বাহিৰে বাকী উপস্থিত সভ্যসকলৰ সমৰ্থন অনুসৰি এই সন্মিলনে মীমাংসা কৰে। ৮ আৰু ৯ এপ্ৰিল তাৰিখে হোৱা বিষয়বাছনী সমিতিৰ দ্বাৰাই সংশোধিত পৰিবৰ্ত্তিত আৰু পৰিবৰ্দ্ধিত নিয়মাৱলী অসম সাহিত্য সভাৰ নিয়মাৱলী ৰূপে গৃহীত হওক, আৰু—

(গ) উপৰোক্ত নৱশোধিত নিয়মাৱলী আজিৰ তাৰিখৰ পৰা অসম সাহিত্য সভাৰ নতুন নিয়মাৱলীৰূপে বলবৎ হওক আৰু এই নিয়মাৱলী ছপা কৰি সভ্যসকলৰ আৰু স্বীকৃত সভা বিলাকৰ অৱগতিৰ অৰ্থে প্ৰচাৰ কৰা হওক।

৮। গোৱালপাৰাত হব লগীয়া অষ্টাদশ সাহিত্য সন্মিলন যদি সেই ঠাইত অহা পূজাৰ বন্ধতো পাতিব পৰা নহয়, তেন্তে ১৯৩৯ চনৰ বড়দিনৰ বন্ধত উক্ত সন্মিলন যোৰহাটতে পাতিবলৈ এই বিশেষ সন্মিলনে সিদ্ধান্ত কৰে।

প্ৰস্তাৱ—শ্ৰীযুত দেৱানন্দ শৰ্ম্মা
অনুমোদক—মৌঃ নেছাৰ আহ্মদ

দুজনৰ বাদে বাকী সভ্যসকলৰ দ্বাৰা সমৰ্থিত হৈ গৃহীত হয়।

৯। কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ ১৫.৮.৩৮ তাৰিখৰ ৫ ম প্ৰস্তাৱ আৰু শ্ৰীশ্ৰীনৰদেৱ ট্ৰাষ্ট বৰ্ডৰ ২৭।৮।৩৮ তাৰিখৰ ৪ ৰ্থ প্ৰস্তাৱ পাঠ কৰা হয়, ট্ৰাষ্ট দলিলৰ চৰ্ত্ত আৰু অসম সাহিত্য-সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ পূৰ্ব্বে গৃহীত হোৱা প্ৰস্তাৱ আজিৰ বিস্তাৰিত আলোচনাৰ পিচত তলত লিখা প্ৰস্তাৱ সৰ্ব্বসন্মতি ক্ৰমে গৃহীত হয়।

(ক) তেজপুৰত বহা ষোড়শ সাহিত্য সন্মিলনত গৃহীত হোৱা ষষ্ঠ প্ৰস্তাৱ আইন সঙ্গত হোৱা নাই আৰু উক্ত সন্মিলনে শ্ৰীশ্ৰীনৰদেৱ ট্ৰাষ্ট ফাণ্ডৰ পৰা প্ৰকাশিত হোৱা শ্ৰীশ্ৰীদামোদৰ দেৱ চৰিত আৰু শ্ৰীশ্ৰীবনমালী দেৱ চৰিত প্ৰচাৰ বন্ধ কৰা সম্পূৰ্ণ অসঙ্গত।

৯। (খ) এতেকে এই বিশেষ সন্মিলনে সিদ্ধান্ত কৰে যে ষোড়শ সাহিত্য সন্মিলনৰ উপৰোক্ত ষষ্ঠ প্ৰস্তাৱ ৰদ কৰি সেই দুয়োখনি পুথিৰ পুনৰ প্ৰচাৰ কৰা হওক।

প্ৰস্তাৱক—শ্ৰীযুত ঈশ্বৰপ্ৰসাদ বৰুৱা
অনুমোদক—অধ্যাপক শ্ৰীযুত তুলসীনাৰায়ণ শৰ্ম্মা

উপস্থিত সভ্যসকলৰ দ্বাৰাই সমৰ্থিত আৰু সৰ্ব্বসন্মতি-ক্ৰমে গৃহীত হয়।

১০। তাৰ পিচত প্ৰধান সম্পাদক ডাঙৰীয়াই নিজৰ হৈ আৰু সপ্তদশ সাহিত্য সন্মিলনত নিৰ্ব্বাচিত হোৱা বিষয়-ববীয়া আৰু কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ সভ্যসকলৰ হৈ উক্ত সমিতিৰ সভ্য-পদ ইস্তফা দিয়ে; আৰু সন্মিলনে ইস্তফা গ্ৰহণ কৰি নতুন কাৰ্য্যনিৰ্ব্বাহক সমিতি গঠন আৰু বিষয়-ববীয়া নিৰ্ব্বাচন কৰে।

(ক) কাৰ্য্যনিৰ্ব্বাহক সমিতিঃ—

যোৰহাটৰ পৰাঃ— (১) শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা পাঠক; (২) অধ্যাপক শ্ৰীযুত যজ্ঞেশ্বৰ শৰ্ম্মা; (৩) শ্ৰীযুত দেৱেশ্বৰ শৰ্ম্মা (জি, পি) (৪) শ্ৰীযুত মিত্ৰদেৱ মহন্ত; (৫) শ্ৰীযুত গুণগোবিন্দ দত্ত; (৬) শ্ৰীযুত মুক্তানাথ বৰুৱা; (৭) শ্ৰীযুত ডিম্বেশ্বৰ নেওগ; (৮) অধ্যাপক শ্ৰীযুত তুলসী নাৰায়ণ শৰ্ম্মা; (৯) খান চাহাব মৌঃ জেহিৰুদ্দিন আহ্মদ; (১০) শ্ৰীযুতশৰৎচন্দ্ৰ গোস্বামী, (১১) শ্ৰীযুত ঈশ্বৰপ্ৰসাদ বৰুৱা; (১২) শ্ৰীযুত ৰামেশ্বৰ বৰুৱা (১৩) শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা; (১৪) মৌঃ নেছাৰ আহ্মদ; (১৫) ৰায়বাহাদুৰ শ্ৰীযুত হেৰম্বপ্ৰসাদ বৰুৱা।

ডিব্ৰুগড়— { (১৬) শ্ৰীযুত বিষ্ণুকিঙ্কৰ কলিতা
(১৭) ডাঃ শ্ৰীযুত মহানন্দ বৰুৱা সাহিত্যভূষণ }

শিৱসাগৰঃ (১৮) শ্ৰীযুত শৈলধৰ ৰাজখোৱা
উঃ লখীমপুৰঃ—(১৯) „ হৰিপদ দত্ত
গোলাঘাটঃ—(২০) „ গোলাপচন্দ্ৰ গোস্বামী
নগাওঃ—(২১) „ ৰত্নকান্ত বৰকাকতি
তেজপুৰঃ— (২২) ৰায়বাহাদুৰ আনন্দচন্দ্ৰ আগৰৱালা

গুৱাহাটীঃ— { (২৩) শ্ৰীযুত দণ্ডীনাথ কলিতা
(২৪) শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী
(২৫) „ ৰঘুনাথ চৌধুৰী }

বৰপেটাঃ—(২৬) „ সোণাপতি দেৱ শৰ্ম্মা
মঙ্গলদৈঃ—(২৭) „ দেৱেন্দ্ৰনাথ ভট্টাচাৰ্য্য
গুৱালপাড়াঃ—(২৮) শ্ৰীযুত দেৱেন্দ্ৰনাথ চক্ৰৱৰ্ত্তী
ধুবাঃ—(২৯) শ্ৰীযুত খেলাৰাম বৰ্ম্মন
চিলংঃ (৩০) ৰায়চাহাব শ্ৰীযুত সোণাধৰ দাস সেনাপতি।

(খ) বিষয়-ববীয়াঃ—

প্ৰধান সম্পাদকঃ—শ্ৰীযুত ৰামেশ্বৰ বৰুৱা
সহকাৰী „ ঃ—শ্ৰীযুত মুক্তানাথ বৰুৱা
ধন ভৰালী আৰু হিচাপ ৰক্ষক } খান চাহেব মৌঃ জেহিৰুদ্দিন আহ্মদ
পুথিভৰালীঃ—অধ্যাপক শ্ৰীযুত তুলসী নাৰায়ণ শৰ্ম্মা
পত্ৰিকা সম্পাদকঃ—শ্ৰীযুত ডিম্বেশ্বৰ নেওগ
হিচাপ পৰীক্ষকঃ—মৌঃ নজমল হুচেইন

১১। সভাৰ নিয়মাৱলী প্ৰণয়ন আদি এই বিষয়ে সন্মিলন সম্পাদকীয় সকলোখিনি বিষয়ৰ আলোচনা আৰু মীমাংসাৰ সম্পৰ্কে অশেষ চেষ্টা আৰু কষ্ট স্বীকাৰ কৰা বাবে মাননীয় সভাপতি ডাঙৰীয়া আৰু শ্ৰীযুত ঈশ্বৰপ্ৰসাদ বৰুৱা ডাঙৰীয়া আৰু আন আন ঠাইৰ পৰা অহা সভ্যসকলক ধন্যবাদ জনোৱা হয়, আৰু ৰাতি ৮॥০ বজাত সন্মিলনৰ সামৰণি হয়।

শ্ৰীৰামেশ্বৰ বৰুৱা (স্বাক্ষৰ) শ্ৰীহেৰম্বপ্ৰসাদ বৰুৱা
প্ৰধান সম্পাদক সভাপতি
অসম সাহিত্য সভা ৯।৪।৩৯
যোৰহাট।

পুনঃ—বিশেষ অসুবিধাৰ বাবে এই কাৰ্য্যবিৱৰণী সময়মতে কাকতত প্ৰকাশ কৰিব পৰা নহল। সেই বাবে প্ৰধান সম্পাদক দুখিত।

# অসম সাহিত্য সভাৰ বছেৰেকীয়া কাৰ্য্য-বিৱৰণী

অসম সাহিত্য-সভাৰ অৱস্থা কেনেকৈ টনকিয়াল কৰিব পৰা হয় সেই সম্বন্ধে আলোচনা কৰিবলৈ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ নিৰ্দ্দেশমতে আজি এই সভা আহ্বান কৰা হৈছে। এই সভালৈ সভাৰ বহীত নাম থকা সকলো সভ্যকে নিমন্ত্ৰণ কৰা হোৱা নাই। যিসকলক নিমন্ত্ৰণ কৰা হৈছে; সেইসকলৰ ভাগে ভাগে সংখ্যা তলত দেখুৱা হৈছে।

১। হিতৈষী—৩ জন

২। আজীৱন সভ্য আৰু সভাপতি } ২১ জন

৩। ১৯:৮—৩৯লৈকে বৰঙনি দিয়া সভ্য } ৩৫ জন

৪। ১৯৩৭—৩৮ চনলৈকে আদায় হোৱা—২৮জন

৫। ১৯৩৬—৩৭ লৈকে আদায় হোৱা—৬৬ জন

৬। বৰঙনি দিয়া সভ্য

১৯৩৫লৈকে ... ... ২ জন

১৮ „ ... ... ৮ জন

১৭ „ ... ... ৬ জন

১৬ „ ... ... ৯ জন

৭। নিয়মমতে সভ্য হৈ থাকিব নোৱৰা কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সভ্য ... ... ১৭ জন

মুঠ :— ১৯৫ জন

যোৱা বছৰ সকলো সভ্য আৰু স্বীকৃত সভালৈ বাকী বৰঙণি বিচাৰি চিঠি দিয়া হৈছিল আৰু কাকতে-পত্ৰেও জাননী প্ৰকাশিত হৈছিল। কিন্তু তাৰ পৰা আশানুৰূপ ফল পোৱা নহ'ল। বৰ্ত্তবিলাকলৈকো সহায় বঢ়াই দিবলৈ লিখা হৈছিল। সেইবিলাকেও সহায় নবঢ়ালে। অসমৰ থিয়েটাৰ, টকী ইত্যাদি বিলাকৰো আৰ্থিক সহায় বিচৰা হৈছিল। কোনেও তাৰ উত্তৰকে নিদিলে। গৱৰ্ণমেণ্টলৈ আবেদন নিবেদন কৰাৰ ফলো এতিয়ালৈকে ধৰা নাই।

সভাখনি কেনেকৈ ৰখা হয় সেই সম্বন্ধে আলোচনা কৰোঁতে আপোনাসকলৰ কিবা সহায় হ'ব বুলি তলত দিয়া বিৱৰণীখনি আঁচি আনিছোঁ। ত্ৰুটি যেন মাৰ্জ্জনা কৰে।

১৯১৫ চনৰ জুলাই মাহত কোনো কাৰ্য্যোপলক্ষে অসমৰ প্ৰায় সকলো শিক্ষিত লোক যোৰহাটত গোট খাইছিল। সেই সময়তে অসমত এখনি কেন্দ্ৰীয় সাহিত্য সভাৰ আৱশ্যকতা প্ৰায় সকলোৱেই

সভাৰ চমু বুৰঞ্জী

অনুভৱ কৰি যোৰহাট, ডিব্ৰুগড় আৰু শিৱসাগৰত সভা-সমিতি পাতি প্ৰথম সাহিত্য সম্মিলনখনি ১৯১৭ চনৰ ২৬ ডিচেম্বৰ তাৰিখে শিৱসাগৰত বহা অসম কন্‌ফাৰেন্সৰ সভামণ্ডপত বহে। সেই সভাত সভাৰ নিয়মাৱলী প্ৰণয়ণ কৰা হয় আৰু অসমৰ সকলো ঠাইৰ পৰা বাচি ৪৩ জন সভ্যৰে এখনি কাৰ্য্যনিৰ্ব্বাহক সমিতি গঠিত হয়। ১৯১৮ চনত গোৱালপাৰাত ১৯১৯ চনত বৰপেটাত আৰু ১৯২০ চনত তেজপুৰত অসম এচছিয়েছনৰ লগতে সভাৰ ২য়, ৩য় আৰু ৪ৰ্থ সম্মিলন বহে আৰু প্ৰত্যেক সম্মিলনত বেলেগ বেলেগ সম্পাদক নিযুক্ত হোৱাৰ কাৰণে কাৰ্য্যনিৰ্ব্বাহক সভাৰ কেন্দ্ৰ সম্পাদকৰ লগে লগে ফুৰে। দেশ জুৰি ৰাজনৈতিক আন্দোলন হোৱা গতিকে ১৯২১ আৰু ১৯২২ চনত সম্মিলন বহুৱাব পৰা নহল। ৫ম সম্মিলন ১৯২৩ চনৰ ৩১ মাৰ্চ তাৰিখে যোৰহাটত বহিল। এই সম্মিলনত সভাৰ কাৰ্য্যালয় যোৰহাটত স্থায়ীভাৱে ৰাখিবলৈ আৰু যোৰহাটত থকা সভ্যেৰেই কাৰ্য্যকৰী সমিতি গঠন কৰিবলৈ, সভাৰ এখনি মাহেকীয়া মুখপত্ৰ প্ৰকাশ কৰিবলৈ আৰু সভাৰ জিম্মাত এখনি ছপাখানা যাতে পাব পাৰি তাৰ বাবে সভা যত্নপৰ হ'বলৈ সিদ্ধান্ত হয়। পিছ বছৰ ইষ্টাৰৰ বন্ধত ডিব্ৰুগড়ত সভাৰ ৬ষ্ঠ সম্মিলন বহে। এই কেই বছৰৰ ভিতৰতে সভাৰ বৰ্ত্তমান থকা কেয়োটি ট্ৰাষ্ট ফাণ্ড যোগাৰ হয়। সঙ্গীত-সভ্য এখনিও এই সম্মিলনৰ লগতে বহে। ১৯২৪ চনৰ বৰদিনৰ বন্ধত সভাৰ ৭ম সম্মিলন গুৱাহাটীত বহিছিল। এই সময়ৰ পৰাই চন্দ্ৰকান্ত অভিধানৰ কাম আৰম্ভ হয়। চন্দ্ৰকান্ত সন্দিকৈ হলো ১৯২৪।২৫ চনৰ ভিতৰতে যুগুত হৈ উঠে আৰু ১৯২৫ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে এই ঘৰ সভাৰ স্থায়ী কেন্দ্ৰ কাৰ্য্যালয়ৰূপে প্ৰতিষ্ঠিত হয়। তাৰ পিচৰ পৰা অসমৰ বেলেগ বেলেগ ঠাইত কেতিয়াবা পূজাৰ বন্ধত, কেতিয়াবা বৰ দিনৰ বন্ধত, কেতিয়াবা ইষ্টাৰৰ বন্ধত সম্মিলন বহি সপ্তদশ সম্মিলন ২৬।১২।৩৭ তাৰিখে গুৱাহাটীত মহাসমাৰোহেৰে হৈ যায়। যোৱা বছৰ গোৱালপাৰাত সম্মিলন বহাৰ কথা আছিল; কিন্তু অনেক অসুবিধাত যোগাৰ হৈ নুঠিল। ১৯২৯ চনত গোলাঘাটত বহা দ্বাদশ সম্মিলনৰ পৰা সকলো ঠাইৰ সভ্য লৈ তুনাই কাৰ্য্য-নিৰ্ব্বাহক সমিতি গঠিত হৈ আহিছে।

১৯১৭ চনত বহা প্ৰথম সম্মিলনত অসম সাহিত্য সভাৰ উদ্দেশ্য এই বুলি স্থিৰ কৰা হৈছিল :—

অসমীয়া ভাষা আৰু সাহিত্যৰ সৰ্ব্বাঙ্গীন উন্নতি কৰা। সেই উদ্দেশ্য সিদ্ধি কৰিবৰ অৰ্থে তলত দিয়া মতে কাৰ্য্য কৰিবলৈ সিদ্ধান্ত কৰা হৈছিল :—

(১) অভিধান আৰু ব্যাকৰণ সঙ্কলন আৰু প্ৰকাশ।

(২) প্ৰাচীন সাহিত্যৰ অনুসন্ধান।

(৩) সাহিত্যত যি যি বিষয়ৰ পুথিৰ অভাৱ সেই সেই বিষয়ৰ পুথি লিখাৰ চেষ্টা

(৪) অৱস্থাহীন সাহিত্যিকৰ সদগ্ৰন্থ প্ৰকাশ

(৫) নিৰ্ম্মাজ পুৰণি সুৰৰ ৰেকৰ্ড প্ৰস্তুত।

(৬) সঙ্গীত আৰু চিত্ৰবিদ্যা শিক্ষাৰ অৰ্থে বৃত্তিদান।

(৭) সভাৰ মুখ-পত্ৰ এখন প্ৰকাশ।

(৮) সাহিত্যৰ উন্নতিৰ অৰ্থে আন কোনো প্ৰকাৰৰ যত্ন।

এইবিলাক কাৰ্য্যৰ লগতে ৯৩৬ চনৰ নিয়মাৱলীত আৰু এটি কাৰ্য্য যোগ কৰি লোৱা হয়। সেইটি হৈছে :—

(৯) সৰ্ব্বসাধাৰণ মাজত সাহিত্য-প্ৰচাৰৰ চেষ্টা

এইবিলাক কাৰ্য্যৰ ভিত্তিত বৰ্ত্তমানলৈকে অসম-সাহিত্য সভাই কিবিলাক কৰিব পাৰিছে তাক চমুকৈ তলত দিয়া হ'ল।

(১) চন্দ্ৰকান্ত ট্ৰাষ্ট ফাণ্ডৰ টকাৰে ১৯২৪ চনৰ পৰা কাৰ্য্য আৰম্ভ কৰি ১৯৩৩ চনৰ এপ্ৰিল মাহত চন্দ্ৰকান্ত অভিধানখনি প্ৰকাশ কৰা হয়। ট্ৰাষ্ট ফাণ্ডৰ টকাৰ সুদ এই কামৰ বাবে অকুলন হোৱাত বিনা সুদে ৰায়বাহাদুৰ সন্দিকৈ ডাঙৰীয়াই প্ৰায় এঘাৰ হেজাৰ টকা সভাক ধাৰে দি সহায় কৰে। ধাৰ এতিয়াও সভাই পৰিশোধ কৰিব পৰা নাই। ৫২৪৪৷৵০ দিবলৈ বাকী আছে।

(২) প্ৰাচীন সাহিত্যৰ অনুসন্ধান বিশেষভাৱে এতিয়ালৈকে হোৱা নাই বুলিলেও হয়। ঠায়ে ঠায়ে অনুসন্ধান কৰি শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী ডাঙৰীয়া আৰু ২।১ জনে যদিও সভাক প্ৰাচীন পুথি সম্বন্ধে জানিবলৈ দিছে, সেই বিলাক সংগ্ৰহ বা প্ৰকাশ কৰাৰ চেষ্টা সুচাৰুৰূপে এতিয়ালৈকে হ'ব পৰা নাই। নৰদেৱ ট্ৰাষ্ট ফাণ্ডৰ পৰা ১৯২৬ চনত শ্ৰীশ্ৰীদেৱ দামোদৰ চৰিত, ১৯২৭ চনত শ্ৰীশ্ৰীবনমালী দেৱ চৰিত আৰু ১৯৩১ চনত ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ সঙ্কলিত হৈ কিতাপ আকাৰেৰে প্ৰকাশিত হৈছিল; কিন্তু প্ৰথম দুখনি কিতাপত আপোঁৱাহ আছে বুলি ধৰি ১৯৩৬ চনৰ সম্মিলনৰ প্ৰস্তাৱ অনুসাৰে সেই কেইখন কিতাপৰ বিক্ৰী বন্ধ হৈ আছে। ইয়াৰ বাহিৰে সভাৰ পৰা সহায় কৰি কেৱল মাত্ৰ কাইথালী অক্ষৰ কিতাপ-খনি প্ৰকাশ কৰা হৈছে।

(৩) কোনো কোনো বিষয়ত পুথিৰ অভাৱ গুচাবৰ কাৰণে বৰ্ত্তমানলৈকে সভাই সহায় কৰি তলত দিয়া কিতাপ কেইখন প্ৰকাশ কৰা হৈছে।

(১) সৰল ৰসায়ন, (২) সৰল বিজ্ঞান, (৩) ৰান্ধনী (৪) সাধনা। তাৰ বাহিৰে কমলাদেৱী ট্ৰাষ্ট ফাণ্ডৰ পৰা সহায় আৰু পুৰস্কাৰ দি ছাত্ৰৰ উপযোগী কৰি সৰল মহাভাৰত, ৰজা নৰনাৰায়ণ, ৰাজস্থানৰ গল্প আদি কেইখনি মান কিতাপ প্ৰকাশ কৰোৱা হৈছে।

(৪) অৱস্থাহীন সাহিত্যিকৰ সদগ্ৰন্থ প্ৰকাশত সভাই কেৱল 'সুৰ-বিজয়' আৰু 'শ্ৰীকৃষ্ণ ( মধ্য-লীলা )' এই দুখনি কিতাপ প্ৰকাশ কৰাত সহায় কৰিছে।

( ৫ ) আৰু ( ৬ ) ৰেকৰ্ড প্ৰস্তুত, সঙ্গীত আৰু চিত্ৰবিদ্যা শিক্ষাৰ অৰ্থে বৃত্তি দান—এই দুই বিষয়ত সভাই এতিয়ালৈকে হাত দিব পৰা নাই। ( ৭ ) ১৯২৭ চনৰ পৰা ১৯৩২ চনলৈকে সভাৰ এখনি মুখপত্ৰ প্ৰকাশ হৈছিল। অৰ্থৰ অভাৱত ৪ বছৰ বন্ধ থাকি ১৯৩৬ চনত এই বিষয়ে গৱৰ্ণমেণ্টৰ পৰা বছৰি ৮০০্ টকাৰ এটি সহায় পায়; তেতিয়াৰ পৰা বৰ্ত্তমানলৈকে "সাহিত্য-সভা-পত্ৰিকা" নাম লৈ কাকতখনি চলি আছে।

অৰ্থৰ অভাৱত সাহিত্যৰ উন্নতিৰ অৰ্থে আন কোনো প্ৰকাৰৰ যত্ন বা সৰ্ব্বসাধাৰণৰ মাজত সাহিত্য-প্ৰচাৰৰ চেষ্টা আশানুপাতে কৰিব পৰা হোৱা নাই। প্ৰত্যেক সন্মিলনতে এই সম্বন্ধে অন্ততঃ ২।১ টি প্ৰস্তাৱ গ্ৰহণ কৰা হয়, কিন্তু সভাৰ কাৰ্য্যালয়ৰ পৰা চিঠি-পত্ৰ দিয়াৰ বাহিৰে কোনো কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ সভা অপাৰগ।

সভাই তলত দিয়া কেইঠাইৰ পৰা পুঁজি সংগ্ৰহ কৰে।

সভাৰ পুঁজি

( ক ) সভ্যৰ বৰঙণি।
( খ ) স্বীকৃত সভাৰ বৰঙণি।
( গ ) লোকেলবৰ্ড আৰু মিউনিচিপেল বৰ্ডৰ দান।
( ঘ ) গৱৰ্ণমেণ্টৰ দান।
( ঙ ) সন্মিলনৰ সময়ত সংগ্ৰহ কৰা দান আৰু উচ্চ কৰ্ম্মচাৰীৰ অনুগ্ৰহ।
( চ ) নবদেৱ ট্ৰাষ্ট ফণ্ডৰ পৰা প্ৰকাশিত হোৱা কিতাপ বেচি পোৱা ধন।

এইবিলাকৰ ভিতৰত বৰঙণি আৰু বৰ্ডৰ দানৰ প্ৰতি বছৰৰ বেলেগ বেলেগকৈ বিতং হিচাপ দিয়া টান আৰু বোধ হয় আৱশ্যকো নাই। অসমৰ লোকেলবৰ্ড ৬ খন আৰু যোৰহাট মিউনিচিপেল বৰ্ডে ১৯২৬ চনৰ পৰা সভাক সাহায্য দিবলৈ আৰম্ভ কৰে। ১৯২৮-২৯ চনত বৰ্ডৰ পৰা মুঠ ৭৭৫্ সহায় পোৱা হৈছিল; কিন্তু ১৯৩৬-৩৭ চনত ৩৬০্ লৈ নামে। ১৯৩৮-৩৯ চনত বৰ্ডৰ পৰা ৫০০্ টকাৰ সহায় পোৱা হৈছে। সভাৰ আৰম্ভণতে সভ্য আৰু স্বীকৃত সভাৰ বৰঙণি নিয়মমতে আদায় হৈছিল, কিন্তু আজি কিছুমান বছৰৰ পৰা অতি কম পৰিমাণেহে আদায় হৈছে। ১৯৩৮-৩৯ চনত সভ্যৰ পৰা ৮৬্ আৰু স্বীকৃত সভাৰ ৭০্ টকা মোট ১৫৬্ টকা মাথোন আদায় হ'ল। ইপিনে ১৯৩৭-৩৮ চনত সাধাৰণ সভ্যৰ সংখ্যা ৪৬৯ জন লেখত পোৱা যায়। ১৯৩৮-৩৯ চনত স্বীকৃত সভাৰ সংখ্যাও ৪৩ খন। যোৱা বছৰ ৫ খন নতুন আৰু ৪ খন আগৰ সভাৰ পৰাহে কেৱল বৰঙণি পোৱা হৈছে। গৱৰ্ণমেণ্ট ১৯২৫-২৬ চনৰ পৰা ১৯২৯-৩০ চনলৈকে বছৰি ১০০০্ টকাকৈ দান দিছিল। তাৰ উপৰিও ১৯২৭-২৮ চনত ২০০০ আৰু ১৯২৮-২৯ চনত ২০০০্ টকা সভাক দান কৰিছিল; কিন্তু ১৯৩০ চনৰ পৰা ১৯৩৫ চনলৈ দান একেবাৰে বন্ধ কৰিলে। বহুত লিখা-লিখি কৰাৰ পিচত ১৯৩৬ চনৰ পৰা সাহিত্য-সভা-পত্ৰিকা প্ৰকাশ কৰিবৰ কাৰণে ১৯৩৮-৩৯ চনলৈকে বছৰি ৬০০্ টকাকৈ দি আছে; এইবাৰ ১০০০্ টকা পোৱাৰ সম্ভাৱনা আছে বুলি শুনা গৈছে।

সভাৰ আৰম্ভতে প্ৰত্যেক সন্মিলনতে এককালীন দান বিচৰা হয়। আৰু প্ৰায়ে পোৱা যায়। কিন্তু আজি কিছুমান বছৰৰ পৰা তেনে দান বিচৰা হোৱা নাই। ১৯২৬ চনত বহা সন্মিলনাত প্ৰধান সম্পাদকে দাখিল কৰা কাৰ্য্যবিবৰণী ৩০০৩্ টকা এককালীন দান বুলি দেখুওৱা আছে। উচ্চ-কৰ্ম্মচাৰীৰ পৰাও যোৱা দুবছৰ কোনো অনুগ্ৰহ পোৱা নাই।

নবদেৱ ট্ৰাষ্ট ফাণ্ডৰ পৰা প্ৰকাশিত হোৱা কিতাপৰ বিক্ৰী বন্ধ হোৱাত সভাৰ আয়ৰ বাট এই ফালৰ পৰাও বন্ধ হৈছে।

যোৱা দুবছৰৰ জমা খৰচৰ হিচাব তলত দিয়া হ'লঃ—



১৯৩৭—৩৮

**জমা।**

ভৰ্ত্তি মাচুল—৮্
সভ্য আৰু স্বীকৃত
সভাৰ বৰঙণি
আৰু বৰ্ডৰ সহায়—৬৪৩্
মুখপত্ৰৰ বাবে
গৱৰ্ণমেণ্টৰ সহায়—৬০০্

মুঠ ——————১২৫১্

**খৰচ**

সভাৰ সাধাৰণ খৰচ—২৮৩্
কৰ্ম্মচাৰীৰ বেতন—৭৩১্
মুখপত্ৰৰ খৰচ—২১৪্

মুঠ——————১২২৮্

**১৯৩৮-৩৯**

সভ্য আৰু স্বীকৃত সভাৰ— }
বৰঙণি আৰু বৰ্ডৰ সহায়— } —৬৯৮্
ট্ৰাষ্ট বৰ্ডবিলাকৰ সহায়—১৮০্
মুখপত্ৰৰ বাবে গৱৰ্ণমেণ্টৰ সহায়—
মুখপত্ৰৰ বৰঙণি—১৯॥০

মুঠ ——————১৪৯৫॥০

সভাৰ সাধাৰণ খৰচ—২১৩্
কৰ্ম্মচাৰীৰ বেতন—৭২০্
মুখপত্ৰৰ খৰচ—২১৪্

মুঠ——————১২৯৭্

যোৱা সন্মিলনৰ সময়ত কৰ্ম্মচাৰীবিলাকে ৮।৯ মাহৰ দৰ্ম্মহা পোৱা নাছিল। সেইবাবে যোৱা বছৰত ট্ৰাষ্ট ফণ্ডবিলাকৰ পৰা এবছৰৰ কাৰণে সহায় বিচৰা হৈছিল। সেই আবেদন মতে চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ট্ৰাষ্ট বৰ্ডে মাহে ১৩্, নবদেৱ ট্ৰাষ্ট বৰ্ডে মাহে ২্,

সভাৰ বৰ্ত্তমান অৱস্থা

কমলাদেৱী ট্ৰাষ্ট বৰ্ডে মাহে ৩্ টকাকৈ কৰ্ম্মচাৰী বেতনৰ বাবে মঞ্জুৰ কৰে। সেই টকা আৰু যোৱা বছৰত সভালৈ অহা টকাৰে কৰ্ম্মচাৰীবিলাকৰ দৰ্ম্মহা ১৯৩৯ চনৰ ৩১ মাৰ্চ্চলৈকে দিয়া হৈছে; কেৱল মাত্ৰ কাম এৰি যোৱা চকিদাৰ এজনৰ ৬০্ টকা মান দৰ্ম্মহা এতিয়াও দিবলৈ বাকী আছে। ইপিনে কেৰেণী আৰু চকিদাৰৰ দৰ্ম্মহা যোৱা বছৰত আগৰ নিৰিখতকৈ কমোৱা হৈছে। যোৱা বছৰ ৩ মাহমান চকিদাৰ নোলোৱাকৈ চলিব লগাত পৰিছিল।

১৯৩৩-৩৪ চনত সভাৰ অৱস্থা অতি বেয়া হোৱাত ট্ৰাষ্ট ফণ্ড দুটাৰ পৰা টকা ধাৰ কৰি চলিছিল। সেই বাবে সভাই

বৰ্ত্তমানতো—নবদেৱ ট্ৰাষ্ট ফণ্ডক—১৯৬৮/৫ পাই
আৰু কমলাদেৱী ট্ৰাষ্ট ফণ্ডক—৫৮২॥০৮ পাই

মুঠ—৭৭৯॥১ পাই

দিবলগা আছে। আগেয়ে সভাৰ হিচাপৰ লগত এই দুটা ট্ৰাষ্ট ফণ্ডৰ হিচাপো ৰখা হৈছিল। কিন্তু যোৱা বছৰ এই দুটা হিচাপ বেলেগোৱা হল। এই দুটা ধাৰ সোনকালে মাৰিবলৈ যত্নপৰ হোৱা উচিত।

১৯২৫ চনত নগাঁৱত বহা ৮ম সন্মিলনত প্ৰধান সম্পাদকে কাৰ্য্য-বিৱৰণীত লিখিছিল——

"প্ৰকৃততে ১৯৩৩ চনৰ এপ্ৰিল মাহত বহা পঞ্চম সাহিত্য সন্মিলনৰ পৰাহে সাহিত্য সভাৰ কাৰ্য্য আৰম্ভ হোৱা বুলিব লাগে। তেতিয়াৰ পৰা এতিয়াও তিনি বছৰ

নৌ হয়। এই কালছোৱাৰ ভিতৰত সাহিত্য সভাই যোৰহাট নগৰৰ কেন্দ্ৰ ঠাইত চৰকাৰৰ পৰা এডোখৰ সুন্দৰ মাটি পাইছে। তাৰ ওপৰত প্ৰায় ১৭০৲ টকাৰে বিত্তোপন চন্দ্ৰকান্ত সন্দিকৈ হল স্থাপন কৰি সভাৰ স্থায়ী অফিচ, লাইব্ৰেৰী আদিৰ ব্যৱস্থা কৰিব পাৰিছে। তাৰ উপৰি ১৭০০০৲ ( অৱশ্যে আদায় নোহোৱা বাবে ৫৫০০৲ পিচত বাদ দি ) সভাৰ স্থায়ী ভঁৰাল স্বৰূপে পোৱা হৈছে। এই ভঁৰালৰ পৰা স্থায়ীৰূপে বছৰি নন কাম হৈ থাকিবৰ দিহা হৈছে। এই ফণ্ডবিলাকৰ সহায়েৰে সভাই যি গ্ৰন্থ প্ৰকাশ কৰে তাৰ আয়ৰ পৰা সাহিত্য সভাৰ আয়ো বাঢ়ি গৈ থাকিব। ইয়াৰ বাহিৰেও সাহিত্য সভাৰ নিজা প্ৰায় ৩০০০৲ টকা গোট খাইছে আৰু বছৰি স্থায়ী আয়ৰো দিহা হৈছে।

এইবিলাকৰ পৰা ভাবি কলে একো ভুল নহব যে সাহিত্য সভাৰ ভেটি অতি দৃঢ় আৰু স্থায়ীৰূপে বন্ধা হৈছে।"

তাৰ পিচত গবৰ্ণমেণ্ট আৰু অসমৰ লোকেল আৰু মিউনিচিপেল বৰ্ড কিছুমানৰ পৰাও সহায় পোৱা হ'ল। ১৯২৬ চনৰ কাৰ্য্য-বিৱৰণীত সভাৰ নিজা টকা ২৫১৫৲ আছে বুলি সকলোকে জানিবলৈ দিয়া হ'ল।

কিন্তু কালৰ গতিত ১৯২৪ আৰু ১৯৩৫ চনৰ কাৰ্য্য-বিৱৰণীত প্ৰধান সম্পাদকে লিখিব লগা হ'ল ——

"বৰ্ত্তমান সম্পাদকে কাৰ্য্য ভাৰ লওঁতে সভাৰ জমাৰ মূৰে ভালেখিনি' টকাৰ ধাৰ আছিল। সেই ধাৰ এতিয়াও তেনেই আছে, মাত্ৰ এই বছৰত নতুনকৈ একো ধাৰ লগা নাই। যোৱা ৩১ মাৰ্চলৈকে কাৰ্য্য নিৰ্ব্বাহক সভাৰ গৃহীত হিচাপ মতে সেই তাৰিখলৈকে আয় ৬৭৭৲ আৰু ব্যয় ১৩৬৭৲ আছিল।

.........সভাৰ যি আয় আছে তাৰে আন কিবা কাম হওক চাৰি, সভাপৰ সক্ৰীয়ৈকে ৰখাই দুৰহ কাম হৈ পৰিছে।' ১৫ শ সন্মিলন ২৭।১২।৩৪

"সভাই কৰিব লগা সকলোখিনি কাৰ্য্যৰ বাবেই ধনৰ প্ৰয়োজন। সভাৰ যাই পুঁজি আছিল চৰ্কাৰৰ পৰা পোৱা দান। সেয়ে ১৯৩০ চনৰ পৰা একেবাৰেই বন্ধ হৈ আছে। তেতিয়াৰ পৰা প্ৰথম কেই বছৰ আগৰ যি অলপ সাঁচতীয়া ধন আছিল তাৰেই কোনো প্ৰকাৰ কাম চলিছিল। অন্তত সিও ধুকালত ১৯৩৪ আৰু ৩৫ এই দুবছৰ দুৰ্যোগৰ সঙ্কট উপস্থিত হ'ল। সম্প্ৰতি যোৱা অক্টোবৰ মাহৰ পৰা সভাৰ কাম কৰা মানুহৰ দৰমহা দিব পৰা নাই" ১৬ শ সন্মিলন ১১।৪।৩৬

১৭ শ সন্মিলনত প্ৰধান সম্পাদকে কাৰ্য্য বিৱৰণীৰ দ্বাৰাই জনায়— " আজি ৭৮ বছৰ এই সভাৰ দুৰ্যোগৰ সঙ্কটৰ দিন। কোনো কৰিব লগা বা কৰিবলৈ ইচ্ছা থকা কামকো অৰ্থ অনাটনৰ কাৰণে হাতত লব নোৱাৰা অৱস্থাত পৰিল। ......যোৱা মেই মাহৰ পৰা কেৰাণীক আৰু ফেব্ৰুৱাৰী মাহৰ পৰা চকিদাৰ আৰু জাকৰলাক বেতন দিব পৰা নাই। বিজুলী চাকিৰ লেচ আৰু মিউনিচিপেলিটিৰ কৰ দিবলৈ পইচাৰ অভাৱ। আনকি অনেক সময়ত সৰহীয়াকৈ চিঠি দিবলগা হ'লে কেৰাণীয়ে পইচাৰ নাটনি দেখুৱাবলৈ বাধ্য হয়।" ২৬।১২।৩৭

প্ৰধান সম্পাদকে অৰ্থৰ অনাটনৰ বিষয়ে প্ৰত্যেক সন্মিলনতে প্ৰতিনিধিবৰ্গ আৰু সমবেত ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে হয়, কিন্তু সভাৰ আৰ্থিক অৱস্থা উনকিয়াল কৰাৰ ব্যৱস্থা কোনো সন্মিলনতে আলোচনা কৰা নহয়; ইহাতে টকাৰ আৱশ্যক হোৱাৰ প্ৰস্তাৱ প্ৰত্যেক সন্মিলনতে গ্ৰহণ কৰি সভাৰ নিৰৰ্থকতা আৰু অসাৰতা সৰ্ব্বসাধাৰণৰ মাজত প্ৰচাৰ হবৰ সুবিধা ঘটোৱা হয়। এনে পৰিস্থিতিৰ সমাধান কৰিবৰ উদ্দেশ্যে ১৯৩৬ চনৰ আগষ্ট মাহত সম্পাদকে এখনি বিশেষ অধিবেশন আহ্বান কৰিছিল। তাত কেৱল ২৭ জন লোক উপস্থিত হ'ল! আৰু সেই সকলেই এখনি আঁচনিও তৈয়াৰ কৰিলে। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে সেই পৰিকল্পনা ১৯৩৭ চনত গুৱাহাটীত বহা ১৭ শ সন্মিলনত উত্থাপিত হবলৈকে নেপালে।

সকলোবিলাক কথা গমি চাই এনে আশঙ্কা হয় যে বৰ্ত্তমানভাৱে কাম চলিবলৈ হ'লে সভা আৰু বেচি দিন তিষ্ঠি থাকিব নোৱাৰিব। মোৰ বোধেৰে সভাৰ



গুৰুত্ব আৰু দায়িত্বলৈ লক্ষ্য ৰাখি সভাৰ গঠনৰ আমূল পৰিবৰ্ত্তন হোৱা উচিত। বৰ্ত্তমানত নিৰ্দ্দিষ্ট বৰঙণি দি সন্মিলন উপলক্ষে ভোটাধিকাৰ লাভ কৰাৰ বাহিৰে স্বীকৃত সভাবিলাকৰ মূল সভাৰ প্ৰতি কোনো কৰ্ত্তব্য নাই। ইপিনে আচলতে মাজে-সময়ে দুই এক খবৰ পঠোৱাৰ বাহিৰে মূল স্বীকৃত সভাৰ প্ৰতি কোনো কৰ্ত্তব্য নাই। মূল সভাই তৈয়াৰ কৰি দিয়া আঁচনিমতে কাম কৰিবলৈ স্বীকৃত বা শাখা-সভাবিলাক গঠিত হ'ব লাগে, তেহে কামৰ সামঞ্জস্য থাকিব পাৰে।

এই স্বীকৃত বা শাখা সভা বিলাকৰ পৰা নিৰ্ব্বাচিত হৈ অহা কোনো নিৰ্দ্দিষ্ট সংখ্যক সভ্যেৰে মূল সভা গঠিত হ'ব লাগে। আৰু এনেবিলাক সভ্যৰ মাজৰ পৰা কোনো নিৰ্দ্দিষ্ট সংখ্যক সভ্য নিৰ্ব্বাচিত হৈ সভাৰ কাৰ্য্যকৰী সমিতি গঠিত হ'ব লাগে।

(২) মূল সভাই কেৱল মাত্ৰ হিতৈষী আৰু আজীৱন সভ্যৰ বৰঙণিহে পোন-পটীয়াভাৱে আদায় কৰিব লাগে। সাধাৰণ সভ্যৰ বৰঙণি ঠায়ে ঠায়ে থকা স্বীকৃত বা শাখা-সভাবিলাকে আদায় কৰি তাৰ কোনো এক অংশ (এক-চতুৰ্থাংশ) নিজলৈ ৰাখি বাকী অংশ মূল সভালৈ পঠাব লাগে। সেইবিলাক সভাই নিজ নিজ ঠাইৰ সাহিত্য সম্বন্ধীয় অভাৱ অভিযোগবিলাক সময়ে সময়ে মূল সভাক জনাব লাগে।

(৩) মূল সভাই ট্ৰাষ্ট ফাণ্ড সংগ্ৰহ আৰু সেই সম্পৰ্কে কাম, দান সংগ্ৰহ আৰু গৱৰ্ণমেণ্ট লোকেল বৰ্ড আৰু মিউনিচিপেল বৰ্ডৰ পৰা সহায় সংগ্ৰহ এনেবিলাক কাম কৰিব লাগে।

(৪) মূল সভাই নিৰ্ব্বাচন কৰি দিয়া প্ৰস্তাৱবিলাকহে বিষয়-বাছনী সভাত আলোচিত হৈ সন্মিলন গৃহীত হব লাগে।

এনে এটি প্ৰণালী সভাই গ্ৰহণ কৰি সভাৰ নিয়মাৱলী সালসলনি কৰি ললে সভাৰ কাৰ্য্য সুচাৰুৰূপে চলিব বুলি অনুমান হয়।

স্বাক্ষৰ— শ্ৰীৰামেশ্বৰ বৰুৱা
প্ৰধান সম্পাদক
অসম-সাহিত্য সভা

# সাহিত্য-সৌষ্ঠৱত " কীৰ্ত্তন "

শ্ৰীশৰৎচন্দ্ৰ গোস্বামী আই, এচ, অ'

[এই বিত্তোপন প্ৰবন্ধটি ২৩।১২।১৭ তাৰিখে অসম সাহিত্য সভাৰ শিৱসাগৰ সন্মিলনত পঢ়ি লেখকে সুখ্যাই পৈছিল। আমাৰ অনুৰোধত তেখেতে এতিয়া ইয়াক আমাৰ হাতত দিয়ে আৰু আমি আগ্ৰহেৰে ইয়াক যেনে পালোঁ তেনেকৈয়ে ছপাবলৈ দিলোঁ। সম্পাদক, "পত্ৰিকা।"]

"কীৰ্ত্তনৰ" 'নামাপৰাধ' অধ্যায়ৰ শেষত আছে :—

"আসিল শাস্ত্ৰ বাৰানসী হস্তে।

কীৰ্ত্তনৰ বুৎপত্তি "নকৰিবা নিন্দা মোক মহন্তে॥

'তাহাকে চাই নিবন্ধিলোঁ। পদ।

'হৰি হৰি বুলি তৰা আপদ।"

বাৰবানসীৰ পৰা অহা শাস্ত্ৰ আৰু তাক চাই পদ কৰা সম্বন্ধে শঙ্কৰদেৱৰ চৰিত্ৰ কেইখনত বিশদৰূপে বৰ্ণোৱা আছে। দৈত্যাৰি ঠাকুৰৰ কৃত চৰিত্ৰত এই সম্বন্ধে এইদৰে লিখিছে—

"বিচাৰ কৰিয়া পাচে ভাগৱত গ্ৰন্থ।

কৰিলন্ত শঙ্কৰে প্ৰকাশ ভক্তি পন্থ॥

হৰিত ভকতি আতি কৰিবে প্ৰবন্ধ।

প্ৰথমতে কৰিলন্ত কীৰ্ত্তনৰ ছন্দ॥"

এই পুথিখনৰ বেলেগ বেলেগ অংশ ভিন্ ভিন্ সময়ত ৰচিত হৈ চাৰিওফালে সিঁচৰিত হৈ পৰি আছিল। পাছত মাধৱদেৱৰ আদেশমতে ৰামচৰণ ঠাকুৰে অশেষ পৰিযত্ন কৰি গোটাই পুথিখন সঙ্কলন কৰে। পুথিৰ কথাত মাধৱদেৱে কৈছে :—

"পায় সংসাৰক আমি পাসৰিলোঁ

ইতো থানে থানে গেল।

আৰু একেখান কৰিবাক প্ৰতি

পুৰ্ব্বে মোৰ মন ভৈল॥

এতেকে ই ৰাজ্যে আইলোঁ, একে পান

কৰিবেক নপাৰিলোঁ।

ৰাম চৰণে আৰু একে ঠাই কৰি

মোৰ যে কাম কৰিল॥"

পাছত ৰামচৰণে একে ঠাই কৰি যেতিয়া পুথিখন আনি মাধৱদেৱৰ হাতত দিলে, তেতিয়া তেওঁ—

"দেখি পুথিখান, আনন্দিত মন

তাৰক্ষণে উঠিলন্ত।

শিৰৰ উপৰ পুথিখান ধৰি

আনন্দতে নাচিলন্ত॥"

সেই সময়তে "কীৰ্ত্তনৰ" কিমান আদৰ আছিল, ইয়াৰ পৰা আমি তাৰ অলপ আভাষ পাওঁ। এনেস্থলত আজি যে অসমীয়াই "কীৰ্ত্তনত" ধৰ্ম্মৰ থাপনা পাতিব তাত আচৰিত কি?

২। "কীৰ্ত্তন" অসমীয়া বৈষ্ণৱসকলৰ প্ৰধান ধৰ্ম্ম পুথি। কীৰ্ত্তনৰ নাম আৰু তাৰ অৰ্থ তেওঁবিলাকে কি কাৰণত ইয়াৰ নাম "কীৰ্ত্তন" দিলে তাক সকলোৱে জানে। সেইদৰে "কীৰ্ত্তনত" থকা আটাইবিলাক পদ তাল আৰু চাপৰি বজাই গাবৰ কাৰণে তৈয়াৰ কৰা দেখিয়েই প্ৰধানতে ইয়াৰ নাম "কীৰ্ত্তন"। "কীৰ্ত্তন"ৰ অধ্যায়বিলাক ভিন্ ভিন সময়ত লিখা আৰু পাছত হে একেলগ কৰা। সেইদেখি সাহিত্যৰ লেখত সকলোবিলাক সমানে উৎকৃষ্ট নহয়। কিন্তু সকলোৰে অন্তৰ্গত উদ্দেশ্য একেটা—ভগৱদ্ভক্তি শিক্ষা:

"কেৱল কীৰ্ত্তনে সংসাৰ তৰি।

"বন্ধ ছিণ্ডি হোৱে আপুনি হৰি॥

'কলিত কীৰ্ত্তনে হোৱে ভকত।

আতপৰে লাভ নাহি লোকত॥" (পাষণ্ডমৰ্দ্দন)

আৰু :—"কীৰ্ত্তন মহিমা শুনা উৎসুকে।

ৰাৱয় কৃষ্ণত ৰি কৈলা শুকে।



সকল ধৰ্ম্মত কৰি নিশিষ্ঠ।

হৰি কীৰ্ত্তনেসে ধৰ্ম্ম গৰিষ্ঠ॥

অনাদৰি আন ধৰ্ম্ম সম্প্ৰতি।

দিয়ো উপদেশ হৰি ভকতি॥

* * *

চাৰিও বেদক ব্ৰহ্মায়ে আনি।

বিচাৰিলা তিনি বাৰ প্ৰমাণি॥

এতিমানে মাত্ৰ কৰিলা সাৰ।

হৰি কীৰ্ত্তনেসে তৰে সংসাৰ॥" [ ঐ ]

একপ্ৰকাৰে গোটেই পুথিখনৰ এক মাত্ৰ উদ্দেশ্য ঈশ্বৰ ভক্তি। কিন্তু অসমীয়া মানুহৰ কোটি পুণ্যৰ ফল যে এই ঈশ্বৰ ভক্তি প্ৰচাৰ কৰা পুথিখন সাহিত্যৰ দানৰ পৰা চাবলৈ গলেও এটি অমূল্য ৰত্ন। সৎসাহিত্যৰ প্ৰভাৱৰ দ্বাৰাই ঈশ্বৰ-প্ৰেম শিক্ষা দিব খোজাতেহে "কীৰ্ত্তনৰ" বিশেষত্ব।

আগেয়ে কৈছোঁ যে "কীৰ্ত্তন" সম্প্ৰদায় বিশেষৰহে ধৰ্ম্মপুথি। কিন্তু অতি উদাৰ ধৰ্ম্মবাদীসকলেও ইয়াত ৰাম, হৰি, কৃষ্ণ এই তিনিটা শব্দৰ ঠাইত ঈশ্বৰ শব্দ বহাই পঢ়িলে অকণমানো সাম্প্ৰদায়িকতাৰ দোষ দেখা নাপাব। ইয়াৰ এটা কাৰণ আছে যে "কীৰ্ত্তন" পুথিখনে আৰু "কীৰ্ত্তনৰ" দলৰ মনিষীসকলে সেই সময়ত আচাৰৰ মেৰপাকত জটপটাই থকা ধৰ্ম্মৰ বিৰোধেহে উদাৰ ধৰ্ম্ম এটা প্ৰচাৰ কৰিছিল। সেই উদাৰতাত সাম্প্ৰদায়িকতাৰ দোষ থকা অসম্ভৱ। যি হওক, ধৰ্ম্মপুথি স্বৰূপে "কীৰ্ত্তন" আলোচনা কৰা আমাৰ উদ্দেশ্য নহয়; আৰু ধৰ্ম্মৰ ফালৰপৰা "কীৰ্ত্তনৰ" ঠাই ক'ত তাক কবলৈ আমাৰ সামৰ্থ্য নাই। "কীৰ্ত্তন" শব্দটোৰ অৰ্থটো প্ৰকাশ কৰি এতিয়া তাৰনো সাহিত্যিক মূল্য কিমান আমি তাকে চাবলৈ যত্ন কৰিম। শুনিতে লেখা ভাঙি গোৱা ভাল দেখি এতিয়াই কৰ গোলোঁ। যে "কীৰ্ত্তনৰ" গৌৰৱৰ ফালেৰে চাই যিমান পৰা যায় আলোচনা সংক্ষেপ কৰা হৈছে।

৩। অসমীয়া সাহিত্যৰ শঙ্কৰী যুগটোৱেই প্ৰধান যুগ। ইয়াক ইংৰাজী সাহিত্যৰ এলিজাবেথৰ অসমীয়া সাহিত্যত যুগৰ লগত কিছু তুলনা কৰিব পাৰি। কীৰ্ত্তনৰ প্ৰভাৱ আৰু এই যুগৰ যিজনা গুৰিয়াল তেওঁৰ সাহিত্য-কৃতাৰ প্ৰথম কীৰ্ত্তি 'কীৰ্ত্তন'। এইদৰে যুৰকীৰ মানত 'কীৰ্ত্তন' অসমীয়া সাহিত্যৰ নতুন যুগ প্ৰৱৰ্ত্তক। সাহিত্যিক সৌন্দৰ্য্যত নিতান্ত নিঃকিন হোৱা হলেও এই কাৰণতে 'কীৰ্ত্তন'ৰ আদৰ চিৰকাল অসমীয়া সাহিত্যত থাকিলহেতেন। কিন্তু সৌন্দৰ্য্যতো 'কীৰ্ত্তন' এনে এখন পুথি যি কাৰো আগত—কোনো সাহিত্যৰ কোনো পুথিৰ আগতো—মূৰ নমাব লগা নপৰে। শঙ্কৰদেৱৰ দৰে মহামী ব্যক্তিৰ এয়ে বিশেষ কীৰ্ত্তি। মহাকবি ৰাম সৰস্বতীয়ো—যাৰ প্ৰখৰ কল্পনা-শক্তি, স্বভাৱৰ সত্য বৰ্ণনা আৰু অসমীয়া সমাজৰ চিত্ৰ-অঙ্কনৰ অতুল ক্ষমতাৰ যথেষ্ঠ সন্মান কৰিবলৈ আজিও আমি শিকা নাই—তেওঁ নিজৰ পদ লিখোঁতে কৈ গৈছে :—

"কীৰ্ত্তনৰ ছন্দে আমি নিবন্ধিলোঁ পদ।"

ৰামসৰস্বতী শঙ্কৰদেৱৰ প্ৰায় সমসাময়িক ইয়াৰেপৰা পাছৰ কবিসকলৰ ওপৰত 'কীৰ্ত্তনৰ' প্ৰভাৱ অনুমান কৰিব পাৰি। আৰু দুটা সাধাৰণ কথা :— 'কীৰ্ত্তনৰ' আৰম্ভ আৰু শেষ ভনিতা :—

"শুক নিগদতি, শুনা কুৰুপতি" ইত্যাদি বা "শুকমুনি বদতি শুনিয় পৰিক্ষীত"। আৰো,

"কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।

বোলা হৰি হৰি সমস্ত জনে॥"

"কহে কৃষ্ণ কিঙ্কৰে শঙ্কৰে কৃষ্ণকথা।" ইত্যাদি

এই ভনিতা সেই যুগৰ সকলো কবিৰ প্ৰধান আদৰ্শ। পদ, ঝুমুৰি কুসুমমালা, লেচাৰী, ছবি আদি ছন্দৰ কথাই নাই। শঙ্কৰৰ সময়ত অসমীয়া সাহিত্যৰ যি সুৱৰ্ণময় যুগৰ অৱতাৰণা হল, কীৰ্ত্তন আছলতে সেই যুগৰ উপযোগী আদি পুথি। আৰু ই অসমীয়া মানুহৰ গৌৰৱৰ কথা যে তেওঁবিলাকে এই পুথিৰ উপযুক্ত আদৰ কৰিব পাৰিছে।

৪। এই যুগ প্ৰৱৰ্ত্তক পুথিখন আচলতে এখন মহাকাব্য। অলঙ্কাৰ শাস্ত্ৰৰ উৎকৃষ্ট সাহিত্য কি ইয়াৰ এটা সুন্দৰ মানত 'কীৰ্ত্তন' সমিধান দিয়া অতি কঠিন। এদিন এজন এখন মহাকাব্য বন্ধুৱে কৈছিল বোলে 'যি টিকি যায় বা যিহে সকলো মানুহৰ মুখে মুখে থাকে সাহিত্যৰ ভিতৰত সেয়ে উৎকৃষ্ট সাহিত্য।" এনে সাহিত্যৰ এটা লক্ষণ যে ই মানুহৰ মনত নিৰ্ভাজ আনন্দ দিব পাৰে। কি গুণত দিব পাৰে তাক বিচাৰি উলিয়া অতি টান। আসামৰ সাধাৰণৰ এই মানত চাব গলে যে কীৰ্ত্তনৰ পদবিলাক অতি উৎকৃষ্ট সাহিত্য তাক নকলেও চলে। অৱশ্যে সেইদৰে অনেক কুৰুচিপূৰ্ণ গ্ৰাম্য কথাও টিকি আছে। সাহিত্যৰ কালৰ পৰা নিৰপেক্ষভাৱে কব গলে, এইবিলাকো আচলতে সৌন্দৰ্য্য-বিশিষ্ট—এইবিলাকেও মানৱ স্বভাৱৰ কোনো এটা নিগূঢ় ভাৱ বা কোনো এটা সাৰ্ব্বজনীন অনুভূতি প্ৰকাশ কৰে; কোনো এটা সত্যৰ আছল Sentiment প্ৰাণগিনি থুলি দেখুৱায়, ইফালে সি বৰ্ত্তমান সভ্য সমাজৰ মানত যিমানেই কু বা অসৎ যেন নেদেখাওক।

কিন্তু সাধাৰণ লোকৰ এই আদৰ্শ নলই, সংস্কৃত অলঙ্কাৰ শাস্ত্ৰৰ কটকটীয়া নিয়মবোৰৰ দ্বাৰা বিচাৰ কৰি চালেও আমি দেখোঁ যে কীৰ্ত্তন স্বভাৱতে এখন মহাকাব্য।

৫। অলঙ্কাৰ শাস্ত্ৰত তিমান স্পষ্টকৈ উল্লেখ নাথাকিলেও ভাষাৰ প্ৰাঞ্জলতা উৎকৃষ্ট কাব্যৰ এটা কীৰ্ত্তনৰ প্ৰধান লক্ষণ। ইংৰাজী, সংস্কৃত আৰু পৰৰ ভাষা আন আন সকলো ভাষাৰ ডাঙৰ ডাঙৰ কাব্যবিলাকৰ ভাষাৰ গৌৰৱ এটা প্ৰধান সম্পদ। আমাৰ ঘৰৰ ওচৰৰ মাইকেলৰ মেঘনাদবধ কাব্যৰ প্ৰতি মন কৰিলেই কথাটো বেছ বুজা যায়। কীৰ্ত্তনত আৰু শঙ্কৰদেৱৰ পদ মাত্ৰতে মাৰ্জ্জিত ভাষাৰ বাধ গতি যেনে সুস্পষ্ট, বোধ কৰোঁ আন অনেক কবিৰ ৰচনাত তিমানখিনি প্ৰাঞ্জলতা দুৰ্লভ। অতি নীৰস বিষয়তো এই গুণটি অতি উজ্জ্বলভাৱে দেখা যায়। জয়দেৱৰ দশাৱতাৰ বন্দনা—'প্ৰলয় পয়োধিজলে ধৃতবানসি, বেদম্" প্ৰভৃতি প্ৰবন্ধত ভাৱৰ বা অৰ্থৰ গৌৰৱ সমূলি নাই; অথচ ভাষাৰ প্ৰাঞ্জলতাৰ কাৰণেই সংস্কৃত সাহিত্যৰ ই এটা অমূল্য বস্তু। শঙ্কৰদেৱৰ 'চতুৰ্বিংশতি অৱতাৰ" সেইদৰে ভাৱ আৰু অৰ্থৰ গুৰুত্বহীন প্ৰবন্ধ; অথচ :—

কূৰ্ম্ম অৱতাৰ ভৈলা ক্ষীৰোদধি তীৰে।
লক্ষ প্ৰহৰৰ পন্থ যুৰিলা শৰীৰে॥
কৰিলেক পৰিস্থিতি সুৰাসুৰ নাগে।
ধৰিলা মন্দৰ গিৰি প্ৰভু পৃষ্ঠ ভাগে॥
* * * *
বামন স্বৰূপে অদিতিৰ বাক্য পালি।
ইন্দ্ৰক থাপিলা স্বৰ্গে বলিক নিকালি॥
ত্ৰৈলোক্যক আক্ৰমিলা চৰণৰ গতি।
তথু পাদোদকে গঙ্গা ভৈলা উতপতি॥"

আদি কবি ৰচনা ভাষাৰ গৌৰৱত চিৰকালনৈ গৌৰৱান্বিত সেইদৰে কৃষ্ণ-জন্মৰ সেই সুপৰিচিত পদ :—

"কৃষ্ণৰূপে দৈৱকীত ভৈলা অৱতাৰ।
শঙ্খ চক্ৰ গদা পদ্ম কৰত তোমাৰ॥
পীতবস্ত্ৰে শোভে অতি শ্যাম কলেৱৰ।
কমল লোচন চাৰু অৰুণ অধৰ॥
* * * *
ভাগিল নিহাল ভৈলা মেলান কপাট।
দেখি ভয়ে যমুনা আপুনি দিলা বাট॥
বৰিষে কণিকা মেঘে ওপৰত গাজে।
ফণাৰে ধৰিলা ছত্ৰ আসি সৰ্পৰাজে॥"

এইবিলাক অতি সাধাৰণ কথা; অথচ বৰ্ণনাৰ মহিমাত কেনে মহিমান্বিত, কেনে মধুময়। যেন কোনো পৰ্ব্বতৰ পৰা স্ফটিক জলৰ নিৰ্ঝৰ ঝৰ-ঝৰকৈ নামি আহিছে!

ভাষাৰ আৰু এটা প্ৰধান গুণ চমুকৈ, সহজ কথাত কবলগীয়া কথা প্ৰকাশ কৰা, ইয়াকে ইংৰাজী প্ৰবাদত বোলে Brevity is the soul of wit. এই সম্বন্ধে গোটাইখন 'কীৰ্ত্তনেই' চিৰকালনৈ সাহিত্যত আদৰ্শ হৈ থাকিব। দ্বাদশ স্কন্ধৰ ভাগৱতৰ জানিব লগীয়া আটাইখিনি কথা—তাৰ উপৰি ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ আৰু



বিষ্ণুপুৰাণৰ কথা 'কীৰ্ত্তন'ত আউটি যেন গোটা কৰি থৈ দিছে। নৰনাৰায়ণ ৰজাৰ সভাত "হাতী মাৰি ভুৰুকাত ভৰাই" অৰ্থাৎ একে ৰাতিৰ ভিতৰতে "গুণমালা" ৰচনা কৰি যি জনা পণ্ডিতে খ্যাতিলাভ কৰিছিল এনে মহৎ সাহিত্যিক কীৰ্ত্তি তেওঁৰেহে সম্ভৱ।

ৰামায়ণৰ ক্ষুদ্ৰ সংস্কৰণ এটাৰ নমুনা চাওক :—

"শ্ৰীৰাম ৰূপে কৌশল্যাত অৱতৰি।
বনবাস থপিলা পিতৃৰ বাক্য ধৰি॥
বিৰাধ কবন্ধ মাৰীচৰ লৈলা প্ৰাণ।
খৰ-দূষণক তুমি কৰিলা নিৰ্ধান॥
একপাট শৰে বালি সন্ধলিলা জীৱ।
তোমাৰে প্ৰসাদে ৰাজা ভৈলন্ত সুগ্ৰীৱ॥
লঙ্কাত পশিলা সাগৰত বান্ধি সেতু।
বধিলা ৰাৱণ সীতা হৰণৰ হেতু॥
মাৰিলা ৰণত আৰো ৰাক্ষস অনেক।
ভক্ত বিভীষণক কৰিলা অভিষেক॥
অগ্নিত পৰীক্ষা আনি কৰিলা সীতাক।
ব্ৰহ্মাদেৱে স্তুতি বাণী বুলিলা তোমাক॥
সম্বৰিলা সীতা দশৰথৰ বচনে।
অযোধ্যাক আসিলা সভাৰ্য্যে ৰঙ্গমনে॥
কৰিলাহা ৰাজ্য দশহাজাৰ বৎসৰ।
লগে স্বৰ্গে নিলা সবে অযোধ্যা নগৰ॥"

ভাষাৰ আৰু এটা মাহাত্ম্যলৈ মন কৰিলে শঙ্কৰদেৱৰ কবিত্বত আচৰিত হব লাগে। আন কোনো মহাকবিৰ কাব্যত এই বিশেষত্বটো তিমান পৰিমাণে লক্ষ্য কৰিব নোৱাৰি। মিল্টনৰ Paradise Lost ৰ এটা মাত্ৰ ছন্দঃ। কালিদাসৰ কুমাৰ বা ৰঘুবংশতো ছন্দৰ তিমান বৈচিত্ৰ্য দেখা নাযায়। অথচ 'কীৰ্ত্তন'লৈ মন কৰিলে দেখা যায় যে ভাৱৰ সলনিৰ লগে লগে ভাৱত খাপ-খোৱাকৈ ছন্দৰো সলনি হৈছে।

প্ৰহ্লাদ চৰিত্ৰত চাৰি সিদ্ধক জয় বিজয়ে অপমান কৰাত বিষ্ণুৱে আহি কৈছে :—

"আমাৰ তনু যত বিপ্ৰগণ।
তাসম্বাৰ দ্ৰোহ চিন্তে যি জন
যমৰ দূতে কৰে তাক দণ্ডি।
গৃধ্ৰগনে খায় মাংসক চিণ্ডি॥
* * *
পাৰিষদ জয় বিজয় দুই।
তোমাসাৰ শাপে অসুৰ হই॥
দুনাই বৈকুণ্ঠক আচে আসোক।
হেন অনুগ্ৰহ কৰিয়ো মোক॥"

ঈশ্বৰৰ মুখৰ এনে হেন বাক্য শুনি চাৰি সিদ্ধ বিস্ময়তে অভিভূত হৈ কৈছে, কেনে থৰকৈ!

"তোমাৰ বচন স্বামী, নবুজিলোঁ কিছু আমি॥
আপুনি ঈশ্বৰ হয়া, বোলাহা কৰিয়ো দয়া॥
ত্ৰিজগতে কৰে সেৱ, মোলা মোৰবিপ্ৰে দেৱ॥
যত দেৱ দ্বিজ তুমি, সবাৰ দেৱতা তুমি॥
ইত্যাদি।"

সেইদৰে "স্যমন্তক হৰণত" কৃষ্ণ আৰু জাম্বুবানৰ যুদ্ধতঃ—

"দুয়ো ভয়া মহা ক্ৰুদ্ধ, লগাইলেক ঘোৰ যুদ্ধ॥
দুয়ে মাতঙ্গৰ লীলা, বৰিষে পৰ্ব্বত শিলা॥
যুজিলন্ত মাল সন্ধে, ভৰি ভৰি ভৰি ছান্দে॥
দুইৰো দুইকো নাহি তুষ্টি হানে বজ্ৰসম মুষ্টি।
মাংসৰ কাৰণে যেন যুজন্ত দুগোটা সেন॥"

"দামোদৰ বিপ্ৰোপাখ্যানত" পুৰণা দুজনা বন্ধুৰ আলাপত :—

শুকপক্ষীগণে আসি, আমাক বুলিলা হাসি,
খৰি লুড়ি দিয়া শিষ্য গণ।
আমি সবো হেন শুনি কটিত বান্ধিয়া ভুণি
আনন্দে লড়িলোঁ বহুমন॥

কেনে জুইৰ গোৰত বহি গুৰগুৰাই কৈ যোৱা কথা! হিৰণ্যকশিপুৱে প্ৰহ্লাদৰ সময়ত কেনেকৈ কৈছে, মন কৰক :—

"হিৰণ্যকশিপু শুনিয়া যেন।
ক্ৰোধত কাম্প অতি যম যেন॥
ঝঙ্কৰে মাথা অতি কৰি দৰ্প।
লাথি পাই যেন ফোঁকাৰে সৰ্প॥
অসুৰে গৰ্জ্জিয় কটাক্ষে চাই।
খাইবো আজি তোৰ মুণ্ডপুতাই॥

শুনৰে অধম নগণ মোক।
দেখাইবো আজি যমপুৰ তোক॥
ত্ৰিদশ কম্পে দেখি মোৰ গত।
কৰস কোন তুই আজ্ঞা ভঙ্গ॥

কথাৰ ঠাচতে যেন হিৰণ্যকশিপুৰ সৰ্ব্বগ্ৰাসী গং বাক্ক হৈ খৌ-খৌৱাই উঠিছে।

এতিয়া কথা এটাইল মন কৰিব লাগে এই যে 'কীৰ্ত্তন'ৰ যিবিলাক অতি দুৰূহ আৰু গভীৰ ভাৱৰ পদ, সেইবিলাক সংস্কৃতৰ পৰা অনুবাদ। অথচ অনুবাদ যেন মূলতকৈয়ো বেছি মধুৰ। ইয়াত মুঠতে দুটা বা এটা শ্লোকৰ মূল আৰু অনুবাদৰ তুলনা তুলি দিলোঁ, আপোনালোকে বিচাৰ কৰিব।

দৰ্শনৰ অতি কঠিন তত্ত্বৰ সংস্কৃত শ্লোক আৰু তাৰ অসমীয়া ভাঙনি এটাও শুনক, যেনে :—

অথ যথাবস্থ বিতৰ্ক গোচৰং
চেতোমনঃ কৰ্ম্ম বচোভি ৰঞ্জসা।
যদাশ্ৰয়ং যেন যতঃ প্ৰতীয়তে
সুদুৰ্বিভাব্যং প্ৰণতাস্মি তৎপদম॥

অসমীয়াত— যিটো ব্ৰহ্ম নোহে তৰ্ক গোচৰ।
নাপাৱে বচনে মনে ওচৰ॥
নাহি উতপতি নাহি মৰণ।
সদায় প্ৰণামো তানে চৰণ॥

আৰু এটা— উৎক্ষেপণং গৰ্ভগতস্য পাদয়োঃ
কিং কল্পতে মাতুৰধোক্ষ আগসে।
কিমস্তি নাস্তি ব্যপদেশ ভূষিতং
তবাস্তি কুক্ষেঃ কিয়দপ্যনন্তঃ॥

অসমীয়াত— গৰ্ভত থাকন্তে উদৰত মাৰে লাথে।
তাৰ অপৰাধক মনতে যেন ধৰে॥
তোমাৰ কুক্ষিত আমি আছোঁ চৰাচৰ।
তেন জানি ক্ষমিয়োক দোষ দামোদৰ॥

কোনটো মূল, কোনটো অনুবাদ বুজিব পাৰিবনে? ভাষাত এনে অসীম অধিকাৰ কবিসকলৰ অতি শ্লাঘাৎৰ বিষয়।

মহাকবিসকলৰ আৰু এটা লক্ষণ থাকে যে তেওঁ লোকৰ অনেক ৰচনা প্ৰবাদৰ দৰে হৈ যায়। বোধ কৰোঁ শেক্সপীয়েৰেই এই বিষয়ত শ্ৰেষ্ঠ কৃতী। কিন্তু আন কবিসকলৰো কমকথা এইদৰে গোটমাৰি মুখে মুখে ঘূৰা নাই। কালিদাসৰ :—

"শৰীৰমাদ্যং খলু ধৰ্ম্ম সাধনম্"
"যাজ্ঞা মেঘো বৰমধিগুণে নাধমে লব্ধকামা"
"নীচৈৰ্গচ্ছত্যুপৰিচ দশা চক্ৰনেমি ক্ৰমেণ॥"

ভৱভূতিৰ "লোকোত্তৰাণাং চেতাংসি কোনু বিজ্ঞাতুমৰ্হতি" প্ৰভৃতি কথাবিলাক এইদৰৰ। এইবিলাকে সমূহ মানৱৰ মনৰ সত্য ভাৱ এটাক সুন্দৰ আৰু সহজ ভাষাত প্ৰকাশ কৰে; আৰু সেইদেখি সকলোৱে আদৰণীয় হয়। শঙ্কৰদেৱ এই বিষয়তো কম কুশল নহয়। কীৰ্ত্তনৰ পৰা তাৰ উদাহৰণ অনেক দিব পাৰি।

যেনে :—

১। "পূৰ্ণ হুহি সত যজ্ঞৰ অঙ্গ।
হৰি নামে কৰে সবে সুসাঙ্গ॥" [ পাষণ্ড মৰ্দ্দন ]

২। "বৰুণৰ পাশে বান্ধি থৈয়ো কত কাল।
"আপুনি বয়স হৈলে বুজি হৈবে ভাল"॥
[ প্ৰহলাদ চৰিত্ৰ ]

৩। "প্ৰেম কৰি শিশুপালে লভিলা মুকুতি।
"বুজিব নেপাৰে মহেশ্বৰীৰ শকতি॥ [ ৰাসক্ৰীড়া ]

৪। দেখন্তে শুনন্তে সদা হেলা হোৱে মতি।
জানিয়ো গৃহতে থাকি কৰিয়ো ভকতি॥ [ ঐ ]

৫। "পৰম ঈশ্বৰে কৰে অকৰ্ম্ম।
"তেজস্বিত কিছু নাহি অধৰ্ম্ম"॥
সৰ্ব্বভক্ষ বহ্নি সবাকো শোধে।
তথাপিতো কিছু নোছোৱে দোষ॥ [ ঐ ]

৬। সৰ্ব্বভূতময় ৰাজা শাস্ত্ৰত কহয়।
ৰাজা তুষ্ট ভৈল সৰ্ব্বজন তুষ্ট হয়'॥ [ ঐ ]
আৰু অনেক বাক 'নকহিলোঁ বাহুল্যক ভয়ে'।

৭। ভাষাৰ মাধুৰ্য্যৰ কথা অলপতে কোৱা হল। কাৰণ বিস্তৃতকৈ আলোচনা কৰাৰ ইয়াত ঠাই নাই।

কীৰ্ত্তনৰ বৰ্ণনা

কেৱল ভাষা এৰি বিষয়লৈ আহিলে 'কীৰ্ত্তনত' প্ৰথম চকুত পৰে তাৰ সুন্দৰ সুন্দৰ বৰ্ণনাবোৰ। যিহকে যেতিয়াই বৰ্ণনা



কৰিবলৈ আৰম্ভ কৰিছে সকলো যেন কি এক সুমধুৰতাৰে পৰিপূৰ্ণ হৈছে। 'হৰমোহনৰ' ফুলনি বৰ্ণনাৰ কথা ইয়াত তুলি নিদিওঁ কাৰণ তাক অসমীয়া আবাল-বনিতাই জানে। আন আন ঠাইৰ দুটামান বৰ্ণনালৈ মন কৰক :—

বৈকুণ্ঠ বৰ্ণন :—

"একমনে শুনা হৰিৰ ধাম।
বৈকুণ্ঠ নামে আছে মহা থান॥
সাৰি সাৰি ৰচ্ছে বিমানচয়।
বৈদুৰ্য্য হীৰা মৰকতময়।
চন্দ্ৰ সূৰ্য্য যেন প্ৰকাশে জাতি
নাজানি ৰাত পশি দিন ৰাতি
চাৰু সৰোবৰ নিৰ্ম্মল জল।
সুগন্ধি পদ্ম শোভে উতপল॥
আছে ৰাজহংস সমূহে ৰঙ্গি।
লীলায়ে মৃণাল ভুঞ্জে উভঙ্গি॥
পাৰে পাৰিজাত মলয়া বায়।
চটকে তাতে সুললিত ৰাৱ॥
ভ্ৰমৰগণে গাৱে হৰি গীত
বৈষ্ণৱগণ শুনি আনন্দিত॥"
[ ধ্যানবৰ্ণন। ]

ইফালে আকৌ নৰসিংহৰ ৰূপ বৰ্ণনা আৰু তাৰ ভাষা আৰু ছন্দ কেনে!—

"অদ্ভুত দেখিয়া দৈত্যপতি ভৈলা চুপ।
নোহে সিংহ নোহে ইটো মনুষ্যৰ ৰূপ॥
তপ্ত সুবৰ্ণৰ বৰ্ণ জ্বলে চক্ষু দুই।
পৰ্ব্বত সমান কায় আছে স্বৰ্গ ছুই॥
শৰীৰৰ লোম চন্দ্ৰ সম শুক্লবৰ্ণ
তুলি আছে উৰ্দ্ধক শ্ৰৱণ দুই কৰ্ণ॥
বাইল মুখ যেন গিৰি গহ্বৰ পৰায়।
প্ৰচণ্ড বতাস যেন নিশ্বাস বজায়॥
প্ৰকাশয় কেশ শিৰে ৰবিৰ কিৰণ
ভ্ৰূকুটি কুটিল মুখ বিকট দৰ্শন॥
লহ লহ কৰে জিহ্বা যেন ক্ষুৰ ধাৰ।
জ্বলে বহু শত তীক্ষ্ণ নখ চমৎকাৰ॥
বহল হৃদয় দীৰ্ঘ গ্ৰীৱা কৃশ কটি।
জিহ্বা মেলি আছে দুই দশন প্ৰকটি॥"
[ প্ৰহ্লাদ চৰিত্ৰ ]

কেনে ভয়ঙ্কৰ ৰূপৰ বৰ্ণনা! নৰসিংহই যেন জিভা মেলি দাঁত নিকটাই খাবলৈকে উঠিছে! ইফালে আকৌ আন এটা ৰূপ : –

"হেন মহা দিব্য বন দেখিলন্ত ত্ৰিনয়ন
দিব্য কন্যা এক আছে তাতে।
কোটি লক্ষ্মী সম নোহে কটাক্ষে ত্ৰৈলোক্য মোহে
ভণ্টা খেৰি খেলে দুয়ো হাতে॥
তপ্ত সুবৰ্ণৰ সম জ্বলে দেহা নিৰুপম
ললিত বলিত ছাত পাৰ।
চক্ষু কমলৰ পাসি মুখে মনোহৰ হাসি
সঘনে দৰশে কাম ভাৱ॥
সোলকে উজ্জ্বল খোপা খসে পাৰিজাত থোপা
বামহাতে সম্বৰন্ত তাক।
উদ্ধক ক্ষেপন্ত ভণ্টা কৰন্ত কটাক্ষ ছটা
লীলা গতি দেখাই ফুৰে পাক॥
কৰ্ণৰ কুণ্ডল দোলে স্তন ঝলকল কৰে
গলে ৰত্নমালা জিকি পাৰে।
সুবৰ্ণ কঙ্কন ধ্বনি কৰে ৰুন ঝুন শুনি
প্ৰকাশে হৃদয় হেম হাৰে॥
দৰশান্ত কাষ পিঠি খনো হাসে সৰ্ব্বদিঠি
চাহি লাজে চান্ত চক্ষু মুদি।
ভ্ৰমন্ত অনেক ভাৱে উৰুভাৰে মন্দ বাৱে
উচ্চ কুচ কুম্ভ হোৱে উদি॥
কঙ্কালে কিঙ্কিনী বাজে চৰণ কমল মাজে
ৰত্নৰ নূপুৰ ৰুন ঝুন।
হাসে অতি মধ্যদেশ সংসাৰ মোহিনী বেশ,
একো অঙ্গে নাহি খতিগুন।
[ হৰমোহন ]

কবিৰ জগতে কৰ নালাগেনে ৰাক, কি ভাষা, কি ছন্দ, কি শব্দ, কি ৰূপ, মোহিনী বৰ্ণনাত কোনো অঙ্গতে

গতি-পুন নাই! ইয়াৰ পাছত দুটা প্ৰাকৃতিক সৌন্দৰ্য্যৰ বৰ্ণনা শুনক :—

"ক্ষীৰ সাগৰৰ মাজে ত্ৰিকুট পৰ্ব্বত।
ব্ৰহ্মাণ্ডস্তে আছে তিনি লোকতে বেকত॥
সুবৰ্ণ ৰজত লোহা জলে তিনি শৃঙ্গ।
চক্ষুত জমক লাগে দেখিতে বিৰিঙ্গ॥
অযুত যোজন জুৰি জলে গিৰিবৰ।
উচ্চিত দেখিয়া দশ হাজাৰ প্ৰহৰ॥
ক্ষীৰ সাগৰৰ ঢউ চৌভিতি উথলে।
পখালে পৰ্ব্বত স্বৰ্ণাতল দুগ্ধ জলে॥
নদী নদ অশেষ বিশেষ সৰোবৰ।
স্ফটিক নিৰ্ম্মল জল দেখি মনোহৰ॥
বিদ্যাধৰী সবে তাত নামি কৰে স্নান।
পখালি শৰীৰ বৰে সুগন্ধিত ঘ্ৰাণ॥
পৰম অমুল্য গন্ধ উথলে সদায়।
দশদিশ জুৰি তাৰ বায়ু বহি যায়॥
ছয়ঋতু এককালে বসন্ত উদয়।
ভ্ৰমৰে গুঞ্জৰে ফুলি পঙ্কমে পুৰয়॥"
[ গজেন্দ্ৰোপাখ্যান। ]

ক্ষীৰ সাগৰৰ মাজৰ এই ত্ৰিকুট পৰ্ব্বতখন চাব আহিবৰ মন নাযায় নে? সেইদৰে :—

"শৰত কালৰ ৰাত্ৰি অতি বিতোপন।
ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল মন॥
ভৈলন্ত উদিত চন্দ্ৰ পূৰ্ব্ব দিশ হন্তে।
কামতুৰা স্ত্ৰীৰ যেন সন্তাপ মাৰ্জ্জন্তে॥
অখণ্ড মণ্ডল চন্দ্ৰ দেখিলন্ত হৰি।
কুঙ্কুমে অৰুণ লক্ষ্মী মুখ পদ্মসৰি॥
বনকো দেখিল চন্দ্ৰ ৰাশ্মিয়ে ৰঞ্জিত।
সুস্বৰ মধুৰ কৰি হৰি গাইল গীত॥" [ ৰাসক্ৰীড়া ]

ইয়াৰ পাছত নগৰ এখনৰ বৰ্ণনালৈ মন কৰক :—

"সিটো বিতোপন পুৰী দেখিলা সাক্ষাত।
পৰম আনন্দে প্ৰবেশিলা মথুৰাত॥
স্ফটিকে গঠিত পুৰ যাৰ জুৰি খাট।
লগাইছে সুবৰ্ণৰ বৃহত কপাট॥
হেমময় তোড়ন চিৰণে অলঙ্কৃত।
চতুৰ্দ্দিভিতি গড় খায় দেখি অৰে ভীত॥
বহুবিধ উদ্যান শোভিত কাছে কাছে।
সাৰি সাৰি গৃহসব প্ৰকাশন্তে আছে॥
হীৰা মৰকত ৰত্ন ৰঞ্জে ঠাৱে ঠাৱে।
শোভা কৰে পাৰাৱত ময়ূৰৰ ৰাৱে॥
ৰাজপন্থ চৌপন্থাক সাজ্জ মাজ্জি আতি।
পদুলি পদুলি দীপ ঘট আছে পাতি॥"

এনে মথুৰাই বোধ কৰোঁ আজিকালিৰ ডাঙৰ ডাঙৰ নগৰবিলাকৰ আগত লাজ পাব নেলাগে!

৭। বৰ্ণনা বিষয়ৰ দুটা এটা নমুনা দেখা গল। এনে বৰ্ণনাৰে গোটাইখন কীৰ্ত্তন পুৰা। এতিয়া কোনো বিশেষ বিশেষ ভাব প্ৰকাশ কৰিবলৈ ভাষাৰ কেনে প্ৰয়োগ হৈছে এবাৰ মন কৰিব লাগে।

ভাষাৰ দ্বাৰা ভাবৰ প্ৰকাশ

প্ৰহ্লাদ চৰিত্ৰত, চাৰি সিদ্ধই খং কৰিছে, শুনিব :—

কৃষ্ণৰ দৰশন আশাভঙ্গে।
কোপে চক্ষু পকাই মাতন্ত ৰঙ্গে॥
বৈষ্ণৱ বোলা তোৰা ভয়োজন।
বৈকুণ্ঠ বাসীৰ নোহে লক্ষণ॥
প্ৰশান্ত পুৰুষ আনন্দময়।
তাহাস্তো তোমৰা কৰা সংশয়॥
পাৰিষদ বোলাই কৰাহা চটি।
নোহিকা বৈষ্ণৱ দুয়ো কপটী॥
বৈকুণ্ঠৰো আনা চৰ্শ বৰ।
ঐৰাৱৰা তোৰা দুৰাস্তো পৰ॥

সাধু মানুহৰ কেনে গম্ভীৰ খং—ভ্ৰম বিষয়ক "দুই" বুলিও নকয়।

ইফালে যণ্ডামাৰ্কই ৰজা আৰু অন্নদাতাৰ সা... প্ৰহ্লাদক ঘৰলৈ মাতি আনি হাঁহি হাঁহি সুধিছে—

"কোনে তোক হেন বিপৰীয় বুদ্ধি দিল।"

প্ৰহ্লাদৰ উত্তৰৰ গম্ভীৰতা এবাৰ উপলব্ধি কৰক :—

"ব্ৰহ্মা আদি কৰি যত দেৱতা পণ্ডিত।
যাহাৰ পথত হোন্ত মায়ায়ে মোহিত॥



যাৰ মায়া বিভৱৰ নাহি পৰিচ্ছেদ।
হেন হৰি কৰন্ত আমাৰ বুদ্ধিভেদ॥
চুম্বকৰ কাছে লোহা ভ্ৰমে যেন ঠানে।
ভিন্ন ভৈল বুদ্ধি মোৰ বিষ্ণু সন্নিধানে॥"

"হৰমোহনত" বিষ্ণুৱে মহাদেৱক উপদেশ দিছে—'দৰশনে কৰে তপ জপ যোগ ভঙ্গ' "সিটো স্ত্ৰীৰূপক দেখিবা কোন কাজে", তেতিয়া মহাদেৱে যিটো উত্তৰ দিলে তাত যেন তেওঁৰ মহা অহঙ্কাৰ ফাটি ফাটি পৰিছে :—

'মহা যোগ-বলে শুদ্ধ কৰি আছোঁ কায়া।
ব্ৰহ্মময় দেখোঁ কি কৰিব পাৰে মায়া॥"

যেতিয়া এই অহঙ্কাৰৰ ফল হাতে হাতে পালে তেতিয়া আকৌ মহাদেৱে নিজক কিমান তাচ্ছিল্য কৰিছে :—

"কটাক্ষে সৃজন্ত ব্ৰহ্মাণ্ডকো কোটি কোটি।
এগোটা তিমাৰ মই ক্ষুদ্ৰ এক গুটি॥"

আকৌ ৰাসক্ৰীড়াৰ সময়ত, গোপীসকলক এৰি কৃষ্ণ লুকাল। গোপীসকলৰ কাকুতি শুনিব :—

ব্ৰজ হন্তে বেণু চাৰিবাক যাহা
আমাৰ মন অসুখ।
জানো পাদপদ্মে তৃণ শিলা লাগি
প্ৰাণনাথে পাস্ত দুখ॥
তোমাৰ চিন্তায়ে দিন বহি যায়
গধূলি গোপাল আসি।
অলকা আবৃত গোৰজে ৰঞ্জিত
দেখোৱা মুখ প্ৰকাশি॥"

কৃষ্ণ-বলৰামৰ বিক্ৰম দেখি হিতাহিত-জ্ঞান-শূন্য কংসৰ কথা চাব :—

কিনো অসজ্জন বসুদেৱ সুত দুই॥
নগৰৰ বাজ কৰি পেলোৱা আমাৰ।
দুষ্ট বসুদেৱক সত্বৰ কৰিয়া মাৰ॥
গোৱালাৰ ধনক আগ্ৰহি সবে লয়া।
দুৰ্ম্মতি নন্দক লোহা লগাই বান্ধি থয়া॥
পিতৃ উগ্ৰসেনক সত্বৰে মাৰা নিয়া।
নাৰাখিবি যত যাদ আছে লগৰীয়া॥
আনবিলাক তো সকলোকে কৰ, সকলোকে মাৰ,
"পিতৃ" উগ্ৰসেনকো একেলগে মাৰা।

আনফালে দামোদৰ বিপ্ৰৰ :—

"আতি পতিব্ৰতা তাহান ব্ৰাহ্মণী
দুখে দণ্ডে যুগ যায়।
কান্দন্তে আসিয়া স্বামীক বুলিলা
মুখৰ মাত নোলায়॥
"শুনিয়োক স্বামী মন্দভাগী আমি
সহিবো কত নিকাৰ।"

পতিব্ৰতা গৃহিনীৰ এই কেইটা কথাত দাৰিদ্ৰ্যৰ কিমান নিঠুৰ নিপীড়ন ফুটি ওলাইছে এইদৰে আৰু কিমান যে অসংখ্য উদাহৰণ আছে, তাৰ সীমা নাই।

৮। আদিতে কৈ আহিছোঁ যে 'কীৰ্ত্তন' প্ৰধানতঃ আৰু ইয়াৰ গ্ৰন্থকৰ্ত্তাৰ উদ্দেশ্য আছিল মুখ্যতঃ লোকশিক্ষা—ধৰ্ম্ম বিষয়ত। সেই কাৰণে গোটাই কাব্যখনতে চাৰিওফালে নানা বিধ নানা প্ৰকাৰ স্তুতিৰে ভৰা।

কীৰ্ত্তনৰ স্তুতি

"নামাপৰাধ", "পাষণ্ডমৰ্দ্দন" আৰু বেদস্তুতিৰ" তিনিটা অধ্যায় স্তুতি স্বৰূপেই লিখা; কিন্তু উপাখ্যান ভাগটো ইয়াৰ বাহুল্য কম নহয়। বৰঞ্চ উপাখ্যান ভাগৰ স্তুতিবিলাক যেন বেছ সজীৱ, আৰ্ত্ত মানুহেহে কৰিছে। এই আটাইবিলাক স্তুতিৰ এটা বিশেষত্বযে এইবিলাক সকলো কেইটা অত্যন্ত উদাৰ আৰু সাৰ্ব্বজনীন বিশ্ব-নিয়ন্তাৰ উদ্দেশে গীত। প্ৰহ্লাদ-চৰিত্ৰৰ সেই বিখ্যাত স্তুতি :—

ব্ৰহ্মা সিদ্ধ মুনি আদিয়ো নপাৰে
পুজিবে তোমাৰ পাৱ।
কিবা স্তুতি নতি কৰিবোহোঁ আমি
অসুৰ ক্ৰুৰ স্বভাৱ॥

ইয়াত যেন সকলো ভকৰ অন্তৰৰ বাণী প্ৰকাশিত হৈ পৰিছে। এই স্তুতি বিলাকৰ আৰু এটা প্ৰধান বিষয়—দাৰ্শনিক তথ্যবোধ। এই দুৰুহ দুৰ্ব্বোধ্য তত্ত্ব কিমান সহজ ভাষাত কি সুন্দৰৰূপে প্ৰকাশ কৰিছে। তাৰ দুটা এটা চানেকি ইয়াত তুলি দিলোঁ :—

"সমস্তে ভূতৰে যদি তুমি হৃদিগত।
তথাপি কৰ্ম্মীৰ মান গুহিকা বেকত॥
তুমি পৰমাত্মা তত্ব জানিলো সম্প্ৰতি।
সত্য-মূৰ্ত্তি ধৰি সাধা অগতিৰ গতি॥
চৰণক চিন্তে চিন্তে বিস্মিকো নগণি।
নাৰকী জন্মত তেৱে আমাৰ বাঞ্ছনি॥"

[ প্ৰহ্লাদ চৰিত্ৰ ]

এই ধৰণৰ আৰু এটা স্তুতি :—

"তুমি পৰমাত্মা জগতৰ ঈশ এক।
একো বস্তু নাহিকে তোমাত ব্যতিৰেক॥
তুমি কাৰ্য্য কাৰণ সমস্ত চৰাচৰ।
সুবৰ্ণে কুণ্ডলে যেন নাহিকে অন্তৰ॥
তুমি পশু পক্ষী সুৰাসুৰ তৰু তৃণ।
অজ্ঞানত মূঢ় জনে দেখে ভিন্ন ভিন্ন"॥

[ হৰমোহন ]

সমস্ত ভূতৰে তুমি আছা অন্তৰত।
তত্ব নাপাই তোমাক বিচাৰে বাহিৰত।
নমাগোহোঁ সুখ ভোগ নলাগে মুকুতি।
তোমাৰ চৰণ মাত্ৰ থাকোক ভকতি॥"

ৰাজত্যাগী সন্ন্যাসী মুচুকুন্দৰ স্তুতিৰ দৈন্য কেনে ফুটি ওলাইছে :—

"মায়াৰে মোহিত হুয়া যিটো জন
নভজে প্ৰভু তোমাক।
সুখক আশায়ে গৃহ বাসে থাকে
দৈৱে বঞ্চিলেক তাক॥
গৃহঘট সম দেহত নৃপতি
বোলাও কৰি মতি বটি।
তোমাক নগণি হয় হস্তী ৰথে
পৃথিৱী ফুৰোঁ পৰ্য্যাটি॥
সুবৰ্ণৰ ৰথে যিটো হস্তী স্কন্ধে
কুমৰ ৰাজা বোলায়।
কালে পাশে গৈল্য সেহিতো শৰীৰে
হোৱে বিষ্ঠা পলু ছাই॥

সংসাৰ চক্ৰত চিৰকাল ভ্ৰমো
তোমাত নভৈল বোধ।
একোৱে প্ৰকাৰে সুখ শান্তি নাই
নিজিনিলোঁ কাম ক্ৰোধ॥

এই বিষয়ে বেছি কোৱা অনাৱশ্যক যিহৰ মহিমাত শঙ্কৰদেৱে 'ভক্তিৰ হাট পাতি' গোটাই অসমবাসীক আজি প্ৰায় পাঁচ শ বছৰ ঈশ্বৰৰ প্ৰেমত মুগ্ধ ৰাখিছে, কীৰ্ত্তন সেই মহিমাৰ এক অপূৰ্ব্ব সৃষ্টি!

অলঙ্কাৰ

৯। আৰু এটা লেখ কৰিব লগীয়া কথা অৰ্থালঙ্কাৰ আৰু শব্দালঙ্কাৰ। যিদৰে তিৰোতা মানুহে গোটাই শৰীৰতে অতি সুন্দৰ সুন্দৰ অলঙ্কাৰ আৰিলেও ভাল দেখা নহয়, অথচ সুৰুচি থকা তিৰোতাই ভালেৰেয়াই সেই সেই অলঙ্কাৰকে উপযুক্ত পৰিমাণে পিন্ধিলে সৌন্দৰ্য্য ফুটি উঠে, কাব্য শাস্ত্ৰতো অলঙ্কাৰৰ ব্যৱহাৰ তেনেকুৱা। অৰ্থাৎ ভাল ভাল কবিসকলৰ কাব্য অলঙ্কাৰ গৌৰৱত কোনো অংশে নিকৃষ্ট নহয়; কিন্তু ভালকৈ গমি চালেহে অলঙ্কাৰ যে আছে তাক ধৰিব পাৰি। এনেউ দেখোঁতে সুন্দৰী কামিনীৰ নিচিনা নিজৰ সৌন্দৰ্য্যতে আৰু নিজৰ সুষমাতে এই ধৰণৰ কাব্যবিলাক পৰিপূৰ্ণ! 'কীৰ্ত্তন'তো কোনো অলঙ্কাৰৰ অভাৱ নাই—অথচ অলঙ্কাৰৰ চাকচিক্যই তাৰ ভিতৰৰ কোনো কদৰ্য্যতা লুকাবলগীয়া হোৱা নাই, স্বভাৱতে সুন্দৰ পদক হে সুন্দৰতৰ কৰিহে তুলিছে। সোহা, চিচা, কাপ, সোণ—বিধৰ ভিতৰ অলঙ্কাৰেৰে পূৰ্ণ নগা বা গাৰো তিকতাৰ দৰে সংস্কৃতৰ দুই এক কাব্য আছে—যেনে নলোদয়; কিন্তু এনেবোৰ কাব্যৰ স্বাভাৱিক লাৱণ্য অতি কম! কীৰ্ত্তন পঢ়ি এই দোষটো কোনেও অলপো ধৰিব নোৱাৰে। অথচ ইয়াত কেনে সুন্দৰ সুন্দৰ অলঙ্কাৰৰ সমাৱেশ! বাহুল্যৰ ভয়ত ইয়াত মুঠে "অনুপ্ৰাস" আৰু "উপমা" অলঙ্কাৰৰ দুটা বা এটা উদাহৰণ দিয়া হল :—



যেনে, "এড়াইলন্ত নৰসিংহে কাতি কৰি কায়।
পাক্কৰত ফুৰে দৈত্যে পতঙ্গ পৰাই॥"

বৃন্দাবন বৰ্ণনাত :—

"দেখিলাহা ইটো বিকসিত বৃন্দাবন।
শশাঙ্কে ধৱল নৱ পল্লৱে শোভন॥
পুষ্পিত মন্দাৰ কুন্দ গন্ধে হুয়া ভোল।
মধুমত্ত অনেক ভ্ৰমৰে কৰে ৰোল॥" [ ৰাসক্ৰীড়া ]

এনেবোৰ অনুপ্ৰাসৰ জকমকনি এঠাইত নহয়, গোটাইখন পুথিত। ইকালে উপমাত—কৃষ্ণৰ ৰূপ বৰ্ণাইছে :—

"উৰস্থলে লক্ষ্মী দিলন্ত দেখা।
কষটিত যেন সোণাৰ ৰেখা॥
পীতবস্ত্ৰে শোভে শ্যামল কায়।
তড়িতজড়িত জলদ প্ৰায়॥"

"হৰমোহনত" মহাদেৱৰ অৱস্থাৰ বৰ্ণন, যেনে :—

"মদনৰ পীড়াক এড়ায়া মহাযোগী।
ব্যাধিৰ সকাশ পাইল যেন চিৰৰোগী॥"

চিৰৰোগীয়ে ব্যাধিৰ সকাশ পোৱা যে কি আৰাম, এই পদফাঁকি পঢ়ি তাৰ ধাৰণা হয় কিছু! শ্ৰীকৃষ্ণৰ নেত্ৰৰ বৰ্ণনা নো কি ধুনীয়া!

"শৰত কালৰ বিকশ পদ্মৰ
উদৰৰ শ্ৰীক নিন্দে।
হেনয় নেত্ৰৰ কটাক্ষে আমাক
মাৰিছা তুমি গোবিন্দে॥" [ ৰাসক্ৰীড়া ]

শব্দৰ বিন্যাস

১০। কীৰ্ত্তনৰ কবিতাৰ সৌন্দৰ্য্যৰ বিষয়ে অলপ কথা কোৱা হল। ৰচনাত—বিশেষঅৰ্থ জ্ঞাপক শব্দবিন্যাস কৰাও সুৰচকৰ এটা ডাঙৰ কীৰ্ত্তি। এই সম্বন্ধেও শঙ্কৰদেৱৰ প্ৰতিভা কীৰ্ত্তনত যিমান দেখা যায় তাক অলপ আলোচনা নকৰিলে প্ৰবন্ধ সম্পূৰ্ণ নহয়। হিৰণ্যকশিপুৱে [illegible]া কৰি ব্ৰহ্মাক আৰাধনা কৰাত ব্ৰহ্মা সন্তুষ্ট হৈ আহি [illegible]ছে :—

"শৰীৰৰ মাংসক খাইলেক তোৰ উঁই।"

[illegible] "তোৰ" পদটোৰ দ্বাৰা হিৰণ্যকশিপুৰ প্ৰতি ব্ৰহ্মাৰ কিমান মৰম কিমান বেথা প্ৰকাশ পাইছে! সেইদেখিয়েই শেষত বৰ দিছে :—

যদ্যাপি দুৰ্লভ বাপ ইটো মহাবৰ।
তথাপিতো দিলোঁ বৰ বাছা হৌক সিদ্ধি॥

ইয়াত সেইদৰে "বাপ" কথাটিৰ কিমান আত্মীয়তা। এনে আত্মীয়তা বুজাবৰ কাৰণে এই অন্তৰঙ্গ "তোৰ" আৰু ব্যৱহাৰ হৈছে। —হৰে মোহিনীক কৈছে :—

যেহি লাগে বোল বাক্যে তাক মই কৰোঁ।
মুখ চাই নমাত আতেসে বৰ হাৰোঁ॥
কতনো কৰিলোঁ তোৰ মোৰ অপৰাধ।
এভু হেন কৰ বাক্যে বচন নবাধ॥

অথচ আন অনেক ভাৱৰ অনেক অন্তৰঙ্গ কথা আছে; আন কতো তুচ্ছাৰ্থক সম্বোধনৰ ইমান সম্ভ্ৰম নাই। সেইদৰে আন এটা শব্দ "বিপৰীত" :—

"বিপৰীত স্ত্ৰী মায়া দেখি মাধৱৰ।
তুনা কেন মতে কামাতুৰ ভৈলা হৰ॥"

ইয়াত "বিপৰীত" শব্দটোৱে যেনেকৈ প্ৰথমতে প্ৰকাশ কৰিছে "অতি অদ্ভূত, অতি আচৰিত" সেইদৰে সঙ্কেততে যেন পুৰুষৰূপী শ্ৰীকৃষ্ণই স্ত্ৰী মায়া ধৰা ওলোটা কথাটোকো কৈ দিছে। এনে দৰৱে প্ৰয়োগ :—

গোপিকাৰ দেখি প্ৰেম ভাৱ বিপৰীত।
ভৈলন্ত গোপাল অতি ব্যাকুলিত চিত॥

ইয়াত "বিপৰীত" প্ৰেম দেখি গোপাল ( মাধৱ, কৃষ্ণ বা আন নাম নাই দিয়া ) হে গোপিকাৰ কাৰণে ব্যাকুল হল।

হৰমোহনত হৰ-পাৰ্ব্বতী কৃষ্ণক দেখা কৰিবৰ কাৰণে বৈকুণ্ঠলৈ আহিল। কৃষ্ণই—

"শঙ্কৰক দেখি পাছে তুলিলন্ত হাসি।"

এই "তুলিলন্ত হাসি" কথাটোৰ প্ৰয়োগৰ দ্বাৰা যেন অন্তৰ্য্যামী হৰিয়ে মহাদেৱৰ কি খটিখটি হৃদয়ে আছে তাক জানিছে বহস্যৰ হাহি মাৰিছে—এই ভাৱটো কেনে সুন্দৰৰূপে প্ৰকাশিত হৈছে!

ৰাসক্ৰীড়াৰ সময়ত গোপীসকলে নিশা বৃন্দাবনত যমুনাৰ বালিত ক্ৰীড়া কৰে, আৰু দিনত যশোদাৰ আগত কৃষ্ণৰ গুণ বখানে। এদিন কৈছে :—

যেখনে বংশীক চুম্বি তোলে স্বৰজাতি।
ব্ৰহ্মা ৰুদ্ৰ আদি দেৱো হোৱে মোহ আতি॥

ইয়াত 'চুম্বি" শব্দৰ দ্বাৰা গত ৰজনীৰ কামক্ৰীড়াৰ চুম্বনৰ স্মৃতি কি সুমধুৰ ভাৱে প্ৰকাশ কৰা হৈছে। গোপীকাই যেন পূৰ্ব্ব ৰজনীৰ স্মৃতিও গা শিঁইৰাই সিঁইৰাই হে কৈছে—

"যেখনে বংশীক চুম্বি তোলে স্বৰজাতি।"

শ্ৰীকৃষ্ণই মথুৰালৈ গৈ তাত কংসক মাৰিলে আৰু ৰাজ্যৰ লেঠাত পৰি বৃন্দাবনলৈ আহিব নোৱাৰি সখি উদ্ধৱক পঠালে গোপীসকলক সান্ত্বনা দিবলৈ :—

আমাৰ পৰম তুমি ভকত
যায়ো গোকুলক চৰি ৰথত॥
বচন সন্দেশ গোপীক কই।
প্ৰবোধ দিবা কত দিন ৰই॥

গোপীক যি বচনৰ বাৰ্ত্তা দিবা সি যেন সন্দেশ তুল্য হয় অথবা গোপী সকলৰ মনত সেই বাৰতা সন্দেশ তুল্য হব!

এনেকুৱা ব্যৱহাৰ শিব্দৰ এনে বিচিত্ৰ বিন্যাস আৰু অলেখ, পাতে পাতে, ছত্ৰই ছত্ৰই, কৰতে আমি ভাবিব নালাগে যে কবিসকলে ভাবি-চিন্তি চাইহে এই শব্দ-বোৰ এইদৰে ব্যৱহাৰ কৰে : কবি-প্ৰতিভাৰ ই এটা প্ৰধান অঙ্গ।

শব্দ-বিন্যাসৰ প্ৰসঙ্গত আমি আৰু এটা কথা উনুকিয়াব লাগে। আমাৰ অনেকৰ বিশ্বাস যে শঙ্কৰদেৱ প্ৰভৃতি "অপ্ৰমাদী পূৰ্ব্ব কবি" সকলে সদাই কথা-বাৰ্ত্তা কোৱা অসমীয়া শব্দবোৰ ব্যৱহাৰ নকৰিছিল। ই এটা আমাৰ ভুল ধাৰণা। কীৰ্ত্তনৰ ৰচনাৰ পৰা এনে দুটামান শব্দৰ প্ৰয়োগ দেখুৱা হল :—

"কৃষ্ণৰ কীৰ্ত্তন, নকৰি থাকয়,
আনসে কথা চোৱাই।"
"আনন্দে লোতক পৰে ঝৰি,
গেৰি পাৰি বোলে ৰাম হৰি।"
"হস্তী-হস্তিনীক কৰাৱে স্নান,
পীয়াৱে জল গুহন্তৰ ঠান।"

"কতো উঠি কন্যাক কৰন্ত কাওৱাও।"
"থিয় দঙ্গা দিয়া পাছে তুমি দামোদৰ।
অনৰ্থ কৰিয়া ফুৰা গোৱালীৰ ঘৰ॥"
"আধাতে থাকিল চৰু দুগ্ধ সৈতে পৰি।"

প্ৰতিটি শব্দৰ কেনে সুসঙ্গত ব্যৱহাৰ, তাকো লক্ষ্য কৰিব লগীয়া।

১১। শব্দ-সমাবেশৰ এই কৌশলৰ লগত কেৱল শব্দৰ দ্বাৰা শব্দৰ দ্বাৰা কেনে সুন্দৰ সুন্দৰ একোখন ছবিৰ ছবি অঁকা হৈছে তাকো মন নকৰি ভাৱ প্ৰকাশ নোৱাৰি। বোধকৰোঁ এনে যি বোৰ ছবি আছে, সুনিপুণ চিত্ৰকৰে তাৰ পৰা অতি সুন্দৰ চিত্ৰ আঁকি লব পাৰে। ব্ৰহ্মাৰ পুত্ৰ চাৰি সিদ্ধৰ বৰ্ণনা অতি সংক্ষেপ অথচ পঢ়িলেই যেন সিদ্ধসকলক আগতে দেখিলোঁহে।—

ব্ৰহ্মাৰ মানস চাৰি তনয়।
ভ্ৰমন্ত আকাশে আনন্দ ময়॥
পঞ্চ বৰষীয়া শিশু সঙ্কাশ।
নাহিকে বস্ত্ৰ সবে দিগবাস।

শ্ৰীকৃষ্ণৰ দুটা ভঙ্গিমাৰ বৰ্ণনালৈ মন কৰক :—

বাম বাহুত বাম কপোল থাপিয়া।
মধুৰ বেণুক আনি অধৰে অৰ্পিয়া॥
বক্ৰমধ্যে কোমল অঙ্গুলীচয় চালি॥
যেতিক্ষণে বংশী ডাক দেন্ত বনমালী॥

তেতিয়া গোপীকাৰ নালাগে, সেই ভুবন মোহন কণ আৰু প্ৰাণ উতলোৱা সুৰত কি জানি বৃন্দাবনখনেই শিহৰি উঠিছিল, যমুনাই আনন্দতে ওকন্দি পৰিছিল আৰু লীলা-ৰহস্যময় ব্ৰজৰ চৰাই-চিৰকিটিয়েও অৱশ হৈ আনন্দ উপভোগ কৰিছিল। আকো,

"এক প্ৰিয় গোপৰ কান্ধত হস্ত থই।
গৰুক গণন্ত কদাচিত ননী লই॥
পিন্ধিয়া গলত গন্ধা তুলসী মালাক।
যেবে সেহি বেলাত বংশীৰ দেন্ত ডাক॥
শুনি কৃষ্ণসাৰ হৰিণাৰ ভাৰ্য্যাগণে।
কৃষ্ণৰ সমীপ চাপে উত্ৰাৱল মনে॥"



কৃষ্ণসাৰ মৃগাঙ্গনাসকলৰ এনে ভাৱত আচৰিত হোৱাৰ আৱশ্যক নাই। তেনে হেন সুমধুৰ বংশীৰ নিঃস্বনত কি জানি সাধুকথাৰ ফকীৰৰ বীণাত গোটেই গাঁও বিমুগ্ধ হোৱাৰ দৰে গোটেই বিশ্বই উত্ৰাৱল হল-হেতেন।

এনে আবেগময় চিত্ৰৰ পাছতে মহাদেৱৰ এটা হাঁহি-উঠা চিত্ৰলৈ চাই মনটো পাতলাবলৈ বোধ কৰোঁ বেয়া নহব :—

বহ্নিৰ সংযোগে যেন উথলিল ঘৃত।
দুঃসহ মদন শৰে জৰ্জ্জৰিত চিত॥
একো নেদেখন্ত কামাতুৰ ভৈলা হৰ।
কন্যাক ধৰিবে মনে দিলেক লৰৰ॥
খটমট কৰি বাজে গলে মুণ্ডমাল।
কঙ্কালৰ সুলকি পৰিল বাঘ ছাল॥

মহাদেৱৰ এনে হেন মূৰ্ত্তি দেখিতো সুৰাসুৰ সকলো অবাক! আশ্ৰমৰ মাজেদি লৰি যাওঁতে—

দেখি ঋষি পত্নীগণে হাসে নিৰন্তৰে।
কেহো মুখে বস্ত্ৰ দিয়া পশে অভ্যন্তৰে॥
উন্মত্ত পাগল কিনো ভৈলা মহাদেৱ।
কেনমতে আৰু সুৰাসুৰে কৰে সেৱ॥
উলঙ্গতে খেদন্ত কাহাৰ বউ জীউ।
লাজ কাজ মৰ্য্যাদা এৰিলা সদাশিউ॥
এহি বুলি ঝুমা-ঝুমি হাসে সব সখী।

যি হক, ঋষি-পত্নী সকলো পৃথিবীৰে তিকতা। তেওঁবিলাকৰ হাঁহি দেখি আমাৰো বৰ হাঁহি উঠিব খোজে, বিশেষকৈ এই বুঢ়া যোগীটোৰ বুঢ়া বয়সৰ এনে লাঞ্ছনাত।

১২। এইখিনি গল সংক্ষেপতে ৰচনাৰ সৌন্দৰ্য্যৰ কথা।

এই সৌন্দৰ্য্যখিনি চোৱাৰ চকু হৈছে কীৰ্ত্তনৰ কবিতা সমালোচকৰ— Critics. কিন্তু সচৰাচৰ Lyrics & critic আৰু শৱব্যৱচ্ছেদকৰ চকু একে, Ballads ভাঙি-পাতি কাটি-মাৰি খণ্ড-বিখণ্ডকৈ চোৱাৰ সৌন্দৰ্য্য। Operation Room আৰু পৰীক্ষাৰ কাকতত বাদে এনে আলোচনাৰ বৰ মূল্য নাথাকে। গোট গোট হিচাবে কবিতাত চাবলৈ গলেও কিন্তু কীৰ্ত্তনখন কম সৌন্দৰ্য্যপূৰ্ণ নহয়। প্ৰহলাদ-চৰিত্ৰ এখন নিজে সম্পূৰ্ণ কাব্য। সেইদৰে স্যমন্তক হৰণ এটি সুন্দৰ খণ্ড-কবিতা— যাক ইংৰাজীত বোলে Ballad. বিপ্ৰপুত্ৰ আনয়নৰ দৰে Romantic কবিতা দুটা এটাহে সাহিত্যত পোৱা যায়। দামোদৰ বিপ্ৰোপাখ্যান এনে এটা সম্পূৰ্ণ সৰ্ব্বাঙ্গ-সুন্দৰ Ballad যে কেৱল এই উপাখ্যানটো ৰচনা কৰিয়েই আন এজন মানুহে "কবিযশঃ প্ৰাৰ্থী" হলে তাক "মন্দ" আখ্যান দিয়া টান হলহেতেন।

সেইদৰে Lyrical কবিতাত আৰু প্ৰেমৰ বা বিৰহৰ সঙ্গীতত শঙ্কৰদেৱৰ মধুৰতো সুমধুৰ কবি-প্ৰতিভা যেন কি ৰসত উচ্ছ্বসিত হৈ উঠে! অথচ 'কীৰ্ত্তন' এইজনা কবিৰ প্ৰথম ৰচনা আৰু মাজে-সময়ে কৰা ৰচনাৰ এটা সংগ্ৰহ। শঙ্কৰদেৱৰ ৰচনাৰ মানত কীৰ্ত্তনৰ সাহিত্যিক ঠাই কিছু নামত। ইয়াৰে দুটা খণ্ড-কবিতা ইয়াত তুলি দিয়াৰ লোভ সামৰিব পৰা টান হল, ধৰ্ম্মৰ ভাৱত :—

অসাৰ সংসাৰ নাই ইহাত বিশ্বাস।
জানি হৰি ভকতিক কৰিয়ো অভ্যাস॥
মনুষ্যৰ আয়ুসত বৰিষ সংখ্যাত।
অৰ্দ্ধেক নিষ্ফলে যায় জানিবা নিদ্ৰাত॥
বিংশতি বৰিষ আৰ যায় ওমলন্তে।
নেয় দশ বৰিস ধনক উপাৰ্জ্জন্তে॥
বৃদ্ধকালে যায় শেষ বৰিষ বিংশতি।
একো কাৰ্য্য সাধিবাক নাহিকে শকতি॥
শৰীৰকো পীড়ে ব্যাধি চকুৱে নাকণে।"
আশাপাশে থাকিয়া গৃহত পাকি মৰে॥
হেন জানি শিশুসব এৰা আন কৰ্ম্ম।
কৰিয়ো কুমাৰ কালে ভাগৱত ধৰ্ম্ম॥

এনে তেন গম্ভীৰ ধৰ্ম্মোপদেষ্টাৰ এটা বিৰহ-সঙ্গীতলৈ অলপ কাণ দিব যেন। ৰাসৰ সময়ত কৃষ্ণ লুকাই আছে ; গোপীসকলে বিচাৰি নাই পোৱা ; বিৰহতে আকুল হৈ —

"উচ্চ বৃক্ষ দেখি সোধে সাদৰি।
শুনিও অশ্বথ বট পাকৰি॥

যাহস্তে দেখিলা নন্দ কুমাৰ।
নেত্ৰ চুৰি কৰি চিত্ত আমাৰ॥
হে কুৰুবক অশোক চম্পা।
কহিয়া কথা কৰা অনুকম্পা॥
মানিনীৰ দৰ্প কৰিয়া চুৰ।
জানাহা কৃষ্ণ যাস্ত কতদূৰ॥
ওবা তুলসী সন্নিধান দিয়া।
তুমি গোবিন্দৰ চৰণ প্ৰিয়া॥
যাহস্তে দেখিলা নন্দ কুমাৰ।
প্ৰাণতো অধিক প্ৰিয় আমাৰ॥
হে জাতী যুতি সখী মালতী।
কৃষ্ণ পৰশে কি লভিলা গতি॥
সমস্তে গোপীৰ জীবন ধন।
দেখিলা যাহস্তে নন্দ নন্দন॥
হে আম জাম বেল বকুল।
নাহি উপকাৰী তোমাৰ তুল॥
কৃষ্ণৰ বিৰহে দেখো আন্ধাৰ।
কোৰ্হা কৈক গৈল প্ৰাণ আমাৰ॥
কিনো তপ ওবা কৰিলা তুমি।
কৃষ্ণৰ চৰণ পৰশি ভূমি॥
মিলি আছে অতি আনন্দ তাৰ।
দেখো ৰোমাঞ্চিত তোমাৰ গাৱ॥
পূৰ্ব্বতো বৰাহে আছে আলিঙ্গি।
তুমি সৰ্ব্বকালে কৃষ্ণৰ সঙ্গী॥
দেখিছা কৃষ্ণক জানো নিশ্চয়।
কহিয়ো আমাত হয়া সদয়॥
মৃগ-পত্নী সখী দেখিলা হৰি।
তোমাৰ নেত্ৰৰ আনন্দকাৰী॥
যাস্তে প্ৰিয়া সমে গতি বিলাসে।
হেৰা কুন্দ গন্ধ কুসুম বাসে॥
কতো গোপী বোলে শুনিয়ো বাণী।
লতাত কৃষ্ণৰ পুছা কাহিনী॥
কৃষ্ণৰ নখৰ পৰশ পাই।
দেখো পুলকিত সমস্ত কায়॥

এই সঙ্গীতটিৰ প্ৰতি শব্দত আৰু প্ৰতি শাৰীত কেনে বিষম বিৰহৰ ব্যাকুল ব্যথা বাজি উঠিছে! এনে নিখুঁত কবিতা জগতৰ যেই সেই সাহিত্যৰ আৰু পৃথিৱীৰ যেই সেই ভাষাৰ গৌৰৱৰ বস্তু।

---

# "শ্ৰীকৃষ্ণকীৰ্ত্তন"ৰ ভাষা বঙলা নে?

## শ্ৰীডিম্বেশ্বৰ নেওগ

ভাষাৰ বৈশিষ্ট্য হৈছে তাৰ শব্দ-সম্পদ আৰু ব্যাকৰণৰ বৈশিষ্ট্য; ইয়াৰ ভিতৰতো ঘাইকৈ পিছৰটি। এতিয়া এই বিচাৰৰ জোখ-কাঠিৰে শিতানত নাম দিয়া পুথিখনৰ ভাষা বঙলা নে অসমীয়া, তাক নিৰ্ণয় কৰিবলৈ চোৱা হব।

বঙ্গীয় সাহিত্য-পৰিষদৰ পৰা প্ৰকাশিত আৰু শ্ৰীবসন্তৰঞ্জন ৰায় সম্পাদিত এই পুথিখনিৰ "মুখবন্ধ" লিখিছে শ্ৰীৰামেন্দ্ৰসুন্দৰ ত্ৰিবেদী মহাশয়ে। ত্ৰিবেদীৰ ভাষাৰে— 'কৃষ্ণকীৰ্ত্তন গ্ৰন্থের একখানি মাত্ৰ পুথি পাওয়া গিয়াছে, তাহাও খণ্ডিত, শেষের কতক গুলা পাতা নাই। ······ প্ৰত্যেক শব্দের বানান অবিকৃত কৰিয়া ছাপিবাৰ চেষ্টা হইয়াছে। ······ মোটের উপর বলা যাইতে পারে যে, বাঙ্গালার আর কোন গ্ৰন্থ এপর্য্যন্ত এত সাবধানের সহিত সম্পাদিত হয় নাই। গ্ৰন্থখানির মাহাত্ম্য এতই অধিক যে পরিষদের অৰ্থ-সামর্থ্য থাকিলে ইহার আদ্যোপান্ত ফটোগ্ৰাফ করিয়া ছাপান উচিত হইত।" এই সকলোৰে বাবে আমিও উক্ত পৰিষদ আৰু সম্পাদক ৰায়ৰ কাষত ঋণী।

পুথিখনত ৰচনা-কাল বা গ্ৰন্থকাৰৰ সম্পৰ্কে কোনো কথা পোৱা নহল; কোনে কেতিয়া নকল কৰিছিল তাৰো উল্লেখ নাই। আন নালাগে পুথিৰ নামটিও তাত নাছিল। সম্পাদকে লিখিছে, "দীৰ্ঘকাল যাবৎ চণ্ডীদাস বিৰচিত "কৃষ্ণকীৰ্ত্তনে'ৰ অস্তিত্ব মাত্ৰ শুনিয়া আসিতেছিলাম। ······ আমাদের ধারনা, আলোচ্য পুথিই 'কৃষ্ণকীৰ্ত্তন" এবং সেই হেতু উহাৰ অনুৰূপ নাম নিৰ্দ্দেশ কৰা হইল।" ৰামী ৰজ কিনীৰ অনুৰাগী গীত নিপুণ চণ্ডীদাস আৰু এই গ্ৰন্থকাৰ চণ্ডীদাস একেজন নে দুজন, একেজনৰ এই দুই জাতৰ ৰচনা হোৱা সম্ভৱপৰ নে, আৰু দুজন হলে কোন আছল বা কোন নকল, এনে এজাউৰি প্ৰশ্নৰ বাবেও ই তেনেই মুকলি। হলেও কিন্তু এখন পুৰণি গ্ৰন্থস্বৰূপে যে ই মহামূল্য, এই ঘাই কথা অলৰ।

ত্ৰিবেদী মহাশয়ে প্ৰধানকৈ তিনটি বিশিষ্ট কাৰণত এই গ্ৰন্থ মহামূল্য বিবেচনা কৰে। প্ৰথম কাৰণ, গ্ৰন্থৰ ৰচনা-কাল। বাবু ৰাখাল দাস বন্দোপাধ্যায় আদি বিশেষজ্ঞসকলৰ মতে এই পুথিয়েই আটাইতকৈ পুৰণি বঙলা আখৰৰ পুথি; ইয়াতকৈ পুৰণি বঙলাপুথি এতিয়ালৈকে ওলোৱা নাই। আখৰ চাই পুথিৰ তাৰিখ খ্ৰীষ্টীয় চতুৰ্দ্দশ শতাব্দীৰ অৰ্থাৎ চণ্ডীদাসৰ সমসাময়িক বুলি অনুমান কৰে; ই চণ্ডীদাসৰ নিজ হাতৰ লিখাও হব পাৰে, নহলে তেওঁৰ জীৱনকালতে সমসাময়িক আন লোকে লিখাও হব পাৰে।

দ্বিতীয় কাৰণ, গ্ৰন্থৰ ভাষা। তেওঁলোকৰ মতে ই চতুৰ্দ্দশ শতিকাৰ পছিম বঙ্গৰ ভাষাৰ নিভাঁজ চানেকি, আৰু সি ইয়াত সম্পূৰ্ণ অবিকৃতভাৱে আছে। পোনতে, বৌদ্ধগান আৰু দোহা; তাৰ পিছত শূন্যপুৰাণ; তৃতীয়ত, এই চণ্ডীদাস। পুৰণি বঙলা ভাষাৰ নিৰূপণত এই তিনটি খাপ পোৱা হয়।

তৃতীয় কাৰণ, মূল চণ্ডীদাস। ত্ৰিবেদীৰ বিশ্বাস, কৃষ্ণকীৰ্ত্তনেই মূল চণ্ডীদাস; ইয়াৰ ভাষাই কালৰ গায়কৰ মুখত ৰূপান্তৰিত হৈ আহি তেওঁৰ পদাৱলীৰূপে এই কালৰ ভাষাত বৰ্ত্তমান গঢ় লৈছে।

অসমীয়াৰ কাৰণে তিনটি নহলেও প্ৰথম দুটি কাৰণত এই কিতাপ মহামূল্য বুলিব পৰা হয়; কাৰণ, পুথিখনৰ কাল চতুৰ্দ্দশ শতাব্দীয়েই হওক বা পঞ্চদশেই হওক, আখৰ ( অসমীয়া "ৰ" আদি কৰি ) আৰু ভাষা, উভয়তে ই অসমীয়া ভাষাৰ এক অতীত স্তৰ উদ্ঘাটন কৰিছে, সন্দেহ নাই। সম্প্ৰতি আখৰৰ কথা এৰি আমি কেৱল ভাষাগত আলোচনাতে আবদ্ধ থাকিম।

আৰম্ভতে "জন্মখণ্ড'। গ্ৰন্থখনিৰ সম্প্ৰতি পোৱা প্ৰথম শাৰী "সব দেবে সভা পাতিল আকাশে।" ইয়াতেই অসমীয়া ভাষাৰ বৈশিষ্ট্য বিৰিঙি উঠিল। আজিকালি যদিও দেখাক দেখি আমি সভাৰ "অধিবেশন"কে

ৰবকৈ কৰিব খোজোঁ, তথাপি "সভা পত্তা" "সবাহপাতা" ইত্যাদিহে স্বাভাৱিক। শ্ৰীশঙ্কৰদেৱৰ ৰচিত 'উত্তৰা কাণ্ডত' "আছন্ত ৰাঘৱ যেবে দিব্য সভা পাতি।" আৰু "পাতিল", "পাতিলেন" আদি নহয়। দ্বিতীয়তে, "দেৱে" বঙলাত কৰ্ত্তাকাৰকৰ এনে বিশেষ চিন (এ) ব্যৱহৃত নহয়; ইও অসমীয়া ভাষাৰে বৈশিষ্ট্য। এই চিন গোটেই গ্ৰন্থত আছে। অঠাইত হলেও, ইয়াৰ অনুনাসিক উচ্চাৰণৰ প্ৰাধান্য আমাৰ ভাষাৰ এটা বিশেষ চিন। তৃতীয়তে, "মেলি" ( =মিলি। প্ৰাকৃত "মিলিঅ", 'মেলিঅ' ) "মেলিয়া" নহয়; শৌৰসেনীৰ মতে 'ক্ত্বা' প্ৰত্যয়ৰ ঠাইত 'ইঅ' আদেশ; ( "ক্ত্বাইঅঃ—বৰৰুচি )। যদিও "ইয়া"ও পুৰণি সাহিত্যত তেনেই নোহোৱা নহয়। এই গ্ৰন্থত এনে অব্যয়াত অৱস্থে 'ইয়া'তকৈ "ই" ( যেনে শুনি, গুণি ইত্যাদি ) সৰহ নিশ্চয়।

"গাইল বড়ু চণ্ডীদাস", ইয়াৰ বড়ু শব্দটিৰ দুৰত্বী সুন্দৰ। "বড়ু বড়ডো মহান"; "বড়" ( মহৎ ) প্ৰাকৃতপৈঙ্গল; সংস্কৃত 'বৰ', সম্ভ্ৰান্ত বা শ্ৰেষ্ঠলোক। "বড়ু" "ব'ড়ুয়া", "বৰুৱা" এই শব্দৰেই ৰূপভেদ। চণ্ডীদাসৰ পদাবলীত—

"একে তুমি কুলনাৰী কুল আছে তোমাৰ বৈৰী
আৰ তাহে বড়ুয়াৰ বধু।
কহে বড়ু চণ্ডীদাসে কুলশীল সব নাশে
লাগিল কালিয়া প্ৰেমমধু॥"
"বড়ুয়াৰ ঝিয়াৰী বড় নাম ধৰি
তাহে বড়ুয়াৰ বৌ;" ইত্যাদি

শব্দটি ক্ৰমে সম্মানসূচক বংশগত উপাধিৰূপে প্ৰচলিত হৈছে। চণ্ডীদাস জাতত বামুণ আৰু 'বড়ু' তেওঁৰ উপাধি, ( ৺মহেন্দ্ৰনাথ চট্টোপাধ্যায় )। কোনো কোনোৰ মতে "বড়ু" চণ্ডীদাসৰ উপনাম; ইত্যাদি।

"কহিলোঁ মোঁই সকল তোহ্মাৰ ঠাএ।" "কহিলোঁ" বং-'কহিলাম'; এই পুথিত আগৰ পৰা গুৰিলৈ এই অসমীয়া গঢ়, বঙলা গঢ় নাই। "মোঁই", বং-"আমি"; প্ৰথমাৰ একবচনত 'ই' মাগধী প্ৰাকৃতত আছে, অসমীয়াৰ দৰেই। বিদ্যাপতিৰ 'মোঁই', 'মোঞে', "মোয়ে" ( =মই ) গঢ় তুলনীয়। "তোহ্মাৰ" ( =তোমাৰ ( প্ৰাং-'তুমহাৰ' ) "তোহ্মে" ( =তুমি, প্ৰাং "তুমহে"; উড়িয়া 'তুম্ভে' ) আদি গঢ় মন কৰিব লগীয়া; শঙ্কৰদেৱ মাধৱদেৱৰ 'তাসম্বাক' "তাসম্বাৰ" আদি গঢ় প্ৰায় এনে। "ঠাএ"—অং-ঠাই বং-স্থান, প্ৰচলিত।

"মাঅক বুঝিল আইহনে", "মাৱক" ( =মাকক ) প্ৰাং-"মাআ" হয়া—ক; বং—মাতাকে। "বুঝিল" =বুজিল; এই "বুঝিল", 'মাথিল" ( =মাথিল ) আদি গঢ় গ্ৰন্থখনত অংসখ্য; এনে গঢ় আমাৰ 'বুইছ' ( বুজিছ ), 'খুইছে' ( খুজিছে ) আদিৰে একে। তদুপৰি 'বুলিল', 'বোলে' আদি অসমীয়া গঢ়েই আদিৰ পৰা অন্তলৈ কিতাপখনত আছে।

এই খণ্ডত থকা "ধল", "পোৱাৰ", "বুঢ়ীঅ মাই', "বড়ায়ি", 'বাট", "বোলে" আদি, অনেক বিশিষ্ট অসমীয়া শব্দও মন কৰিবলগীয়া। "ধল", প্ৰাং "ধঅল", অং 'ধল পুৱা', নৈৰ ধল ইত্যাদি। "পোআৰ", সং—প্ৰৱাল, অং-পোৱাল ( "ৰলয়োৰভেদঃ" ) বিদ্যাপতিত, "অধৰ সুৰঙ্গ জনি নিৰস পবাৰ", "ভুধক পৰসে পবাৰ ধবল ভেল।" "বুঢ়ীঅ মাই"—প্ৰাং-"বুড্ঢী মাই" অং-বুঢ়ীআই। "বড়ায়ি" "বড়আয়ি"; অং-"বৰ আই"; মাৰাঠি 'আই' শব্দ তুলনীয়। "বাট"-অং-বাট, বং-ৰাস্তা; "বট্টা পন্থাঃ।" "বোলে"—অং-বোলে ( বিঃ, বং-বাক্য ) তদুপৰি সপ্তমীত "দৰণীত"; জানুত;] 'পৃথিবীত' ( বং-তে ); দ্বিতীয়াত 'আগক', "লক্ষ্মীক", ( বং-কে ); 'নাআনিল', "বুলিলে', 'বাটত' "ধৰি", "জানি" আদি অসমীয়া ব্যাকৰণৰ বৈশিষ্ট্যই ভৰি আছে।

দ্বিতীয়ত 'তাম্বুল খণ্ড"। ওপৰত দেখুৱা বৈশিষ্ট্যবোৰ ইয়াতো সুস্পষ্ট। "কমণ উপায় কৰো, জাওঁ কোনদিশে", "কথা গিআঁ পাওঁ মোএ ৰাধাৰ উদ্দেশে"; "একসৰী হৈলোঁ মোএ কেন ঘোৰ বনে। ৰাধিকা এড়িয়া আজি জীৱোঁ কেন মনে॥" নাতিনী হাৰাইলোঁ নামে চন্দ্ৰাৱলী, বোল এক বোলোঁ তোক ধৰে ধৰে মনে," "ধৰৈ আন কৰোঁ তাক বধৰ ব্ৰাহ্মণ," পৰাণ দিবাক পাৰোঁ তোমাৰ বচনে," ফুল পিন্ধিলে সে খাইবে তাম্বুল," যোড় হাথ কৰী তাক বুলিহ বচনে," কুশলে কি আছহ নাতিনী," "এড়িঅা ঘৰেৰ, আশল বড়ায়ি, ৰহিলোঁ তোৰ চৰণে। মতি হাৰাইলো, বুলিতে নাজানো, ভইলোঁ তোৰ সৰণে। নাবোল নাবোল নিৰাস বড়ায়ি আপনে চিন্ত উপাএ" 'মনে নাকৰিহ হেলা", "তোহ্মেসি আহ্মাৰ ভেলা", "আল হেৰ প্ৰতিজ্ঞা কৰিলোঁ; "প্ৰথম যৌবন মোএ ৰক্ষিলোঁ" "এবে তাক কি বুলিবোঁ বোল চক্ৰপাণি" "মনে ভাল জীএ ভাল জানাইলোঁ তোৰে" "এহা বুনী বড়ায়িক চড়ে মাইল ৰোষে", "কাঢ়ো লৈবোঁ সাতেসৰী হাৰে," 'ছাড়াইবোঁ তাৰ ক্ষীৰ, কাঞ্চুলী কৰিবোঁ চীৰ, হাথ দিবোঁ তাহাৰ তনে," "হাথে তুলী মো খাইলোঁ বীৰে", "কেহো তবে কিছু বোল বুলিতে নাপাৰে" ইত্যাদি, ইত্যাদি।

দিনক দিন বা ৰাতিক ৰাতি বুলি প্ৰমাণ কৰিবলৈ যোৱা যেনে আছৰুৱীয়া কথা, এই পুথিক অসমীয়া বুলি দেখুৱাবলৈ যোৱাও তেনে। গ্ৰন্থখনেই যেতিয়া অসমীয়া তাৰ উদ্ধৃতি দিয়া বিড়ম্বনাহে। ব্যাকৰণৰ বাহিৰে এই খণ্ডৰ অসমীয়া বিশিষ্ট শব্দ-সম্পদৰ কেইটিমান উদাহৰণ দিয়েই আমি ক্ষান্ত থাকিব লাগিব। "একলী বুলসি, কেহ্নে বৃন্দাবন মাঝে"— ইয়াত "একলী" ( অকলে ) আৰু 'বুলসি' ( অং 'বুল' খোজকঢ়া; 'সি'-সং-লোট—হি আৰু উড়িয়া গঢ় ) মন কৰিব লগা। "না বুঝোঁ ধামালী" "দেখি তোমাক আজলী" "এহা গুৱা পান তোহ্মে আপনেই খাহা যেথানে" গুচৌ নাজাএ। তথা বাটিআ বহাএ" এনেবোৰ ঠাইত 'ধামালী", (ধেমালী,) "আজলী" 'গুআপান" ( গুৱাপান ) 'তথা বাটিআ বহাএ" ( বটীয়া ৰহায়, সূতা ) আদি শব্দৰ অসমীয়া বৈশিষ্ট্যত কিবা সন্দেহ কৰিবলৈ ঠাই আছেনে? তদুপৰি "যত বেজী নোসোমায় তাত বটিয়া ( সং-বট, জৰী ) বহায় ( চলায়, বায়, সুমুৱায় )" আদিৰ অসমীয়া জতুৱা ঠাচ আওকাণ কৰিব পৰা টান। আৰো "তাক সোঅৰিতে মোৰ মনে বাঢ়ে তাপ। এথোহি নাৰাি-লেক তোৰ মাআ বাপ।" আদিৰ ঠাঁচো অসমীয়া বৈষ্ণৱ সাহিত্যৰ নিজা বুলি ক'ব পাৰি। ওপৰৰ শব্দবোৰৰ ব্যৱহাৰো তেনেই অকলশৰীয়া বা পাতল নহয়।

তৃতীয়ত 'দানখণ্ড"। এই খণ্ডতো ওপৰৰ দৰে উদাহৰণ অলেখ। 'ডাকৰ ডালিম দুঈ কুচে", "কাহ্ন মোকে মাঙ্গে আলিঙ্গন", "মোৰে কেহ্নে বোলএ ধামালী", "আজলী ৰাধা ····", "বুইলোঁ বড়ায়ি, হাটক নাজাইব", "কোন বিধাতাএ মোক গঢ়িলেক," "খণ্ডন নাজাএ, নাচাড়ে নান্দেৰ পোএ," "মুকুট ভাগিআঁ সবে পেলাইবোঁ, সিন্দুৰ মুছিবোঁ মাথে," "কিবা চাহে কাহ্ন, বাটে ৰহাএ ( ৰখায়ে. ) বুঝিতে নাৰোঁ তাৰ মনে," "এড় দামোদৰ বাট জাওঁ ঘৰ, দি আৰু মোকে মেলানী," "যেবোল বুলিলোঁ, মনে নধৰিলে, উলটিআঁ দিলো পিঠি," "তোৰ আনুমতি জীওঁ·····আধৰে আমিআঁ পীওঁ", "বাট দান হাত দান লইলোঁ ৰাজ ঘৰে। তে কাৰণে আইলোঁ মোএ যমুনাৰ তীৰে॥" "বাৰে বাৰে মোএ বুইলোঁ ভগিআঁ," "নাবোল নাবোল কাহ্নাঞি হেন পাপ বাণী," 'ৰলে ধৰি বোলে তবে দিবোঁ আলিঙ্গন," "বড়াৰ-বৱআৰী ( বোৱাৰী ) আহ্মে বড়াৰ স্ত্ৰী (স্ত্ৰী )", "ৰতি কথা সখি মুখে নাশুনোঁলো কানে", "ৰাজা কংসে কৰিবো গোআৰী ( গোহাৰি )। তবে কাহ্ন লআঁ যাবোঁ ধৰী।" "মথুৰাক জাওঁ বিকে সঙ্গে," "বাছিআঁ পাইল সোদৰ মাউলানী", 'পোএৰ মুখে পৰবস্ত টলে," "ৰঙ্গে ধামালী বোলে দেৱ বনমালী" "কাহ্নাঞি বুলুক বচন", ধামালী সহিত কাহ্নাঞি বোলে তিখ বাণী", "পাঞ্চী পুণী তোহ্মাৰ চিৰিবো বাম হাথে," "বড়াৰ বৱআৰী আহ্মে শাইএ বড় লাজে," নাজানো সুৰতি কাহ্নাঞি নাধাৰোঁ মো দান," "কৰিবোঁ গোহাৰী", "শাৰঙ্গ এৰিআঁ...পথত বসিআঁ," "বাৰেক এড়িয়া দেহ জাওঁ মোএ ঘৰ," "নুনীৰ পুতলী নেহু বড়ায়িলি। ৰৌদে দাণ্ডায়িলে মিলাওঁ। কেমনে কাহ্নৰ বোল পালিবোঁ। মোয়ে পৰাণে ডৰাওঁ। "নেত পাটোল নাপিন্ধিবোঁ, নাপিন্ধিবোঁ সিসত সিন্দুৰ

"বাহেৰ বলয়া নাপিন্ধিবো, নাপিন্ধিবোঁ পাএৰ নূপুৰ", "নির্দ্দয় কাহ্নাঞিৰ হাথে পড়িলোঁ", "কাৰ পান-চুন নাহি খাওঁ। কাহাৰো পান নাহি জাওঁ," "ৰাজা আগে কৰিবোঁ গোহাৰী। তবে তোক লঅঁা যাব ধৰী।" "হঅঁা কাহ্নু বড়াৰ পো," "বলে কাঢ়ী খাএ খীৰে", "পাখি জাতি নহোঁ বড়াঞি উড়ী পৰি যাওঁ। যথা সে কাহ্নাঞিৰ মুখ দেখিতে নাপাওঁ", "নাছান্দো নাবান্ধো গাই", "দধি খাএ ভাণ্ড ভাগে দুধে দেয়ি পানী", "এড় এড় বুলিতে অধিকে, কৰে ধৰে", "পঞ্চ চাৰ ভৈল এত বেলি", "তোৰ পৰসাদে জাওঁ, আন পানী নাহি খাওঁ, সাঝ ভৈল আইলোঁ বিহানে," "নাপিতেৰ পো," "হেন মনে কৰে বড়ায়ি দহে পৈসী মৰী। পৰাৰ পুৰুষ সমে ধামালী নাকৰী", "ধামালী বুলিতে," "উবেলী (=ইবেলি) নাজাইহ মথুৰাৰ হাটে ল;"

"মোএ কান্দিআ সাসু জানায়িবো।
তোৰ কাহ্নাঞি নাম পেলাইবোঁ।
পাছে বুলিবে আজলী ৰাধাৰ দোষে॥
কাল হাণ্ডিৰ ভাত নাখাওঁ।
কাল মেঘেৰ ছায়া নাহি যাওঁ।
কালিনী ৰাতি মো প্ৰদীপ জালিআ পোহাওঁ।
কাল গাইৰ ক্ষীৰ নাহি পাওঁ।
কাল কাজল নয়নে নালওঁ।
কাল কাহ্নাঞি তোক বড় ডৰাওঁ॥"

'জলে জীএ সংসাৰ", "মোএ নাজীবোঁ", "দেখাদেখি বড় মিঠ (=মিঠা) আৰ মিঠ হাস", 'ইছী জিঠী তাত কেহো নাহি দিল বাধা," "সোদৰ ভাগিনা বড়ায়ি (বৰ আই), মাগুএ (=মাঙে, মাগে) সুৰতী। দিবওঁ পৰাণ মো কৰিবোঁ আত্মঘাতী॥" "তোহ্মাৰ বচন মোৰ নাসাম্বাএ (নোসোমায়) কানে", "তোৰ কিবা ভাত খাওঁ," "তা স্বামি কে বা পাতিআএ ( পতিয়ায় )", "বল কইলে জানায়িবোঁ ৰাজাএ", "নাবুইল ধামালী," "যশোদাৰ পো," "নান্দেৰ পুতে" "তোৰ ৰূপ দেখি সবজন মোহে. মন্তুৰে সুখান কাঠে" ভোখে ভাত নাহি খাওঁ, ৰাধা শোষে পানী নাহি পিওঁ তোৰ দৰিশনে জীওঁ," মোক জাইতে দেহ ঘৰ," "অসত্য না বোলোঁ বোলোঁ সত্য পৰমাণ," "এক বাৰ দি আৰ মেলানী," "একসৰী (অকলশৰীয়া) ভৈলোঁ নিমাখিতী (নিমাখিত) "আহ্মাৰ আগুত ৰাধা না বোল মিছাএ," "আপনা ছাওআল",

"বোল এক বোলোঁ তোকে সুনহ অবুধ।
জুড়ায়িলে সোআদ লাগে তপত দুধ॥
তপত দুধ কাহ্নাঞি না লে না পীএ
ভুখিল হয়িলে কাহ্নাঞি দুই হাথে না খাইএ।
নাবোল নাবোল হেন দেব চক্ৰপানী।
মোৰ কানে না সাম্বাএ তোৰ দুষ্ট বানী।
কোন কালত কাহ্নাঞি আহ্মে তোৰ নাৰী॥

'মানিকে হিৰাক বিন্ধে কেবা পতিআএ", "এখো (একো) জনে নাহি জানে", "আইস বোলোঁ গোআলিনা সুন মোৰ বোল; জিআহ্ম কাহাঞি ৰাধা দিয়া চুম কোল" কাঢ়ায়লি বাট ( cf খোজ কঢ়োৱা )", 'আগুছিআ বাটে তবে কাহ্নাঞি ৰহাএ", "তাক দেখি বড়ায় পাছটি আপে-বেপে" নাভানো কাহ্নাঞি তোৰ কত ধাৰেঁ। ধন", "মো কেহ্নে জানিবোঁ এথা হৈবোঁ একসৰী", "বাটত যাইতে মো কৰিবো অলজ্জালে", "কেহ্নু ৰাধা মনত গুনসি পাচ সাত", "আপনাৰ মনত আপনে গুন চাহা", "আইলোঁ বাট হাৰাঅঁা", "ইহ জৰমে কেবা পাতিআএ", কাহাৰে বোলস ধামালী", "ধুকত লাগিল ঘুণে",—"কাঢ়ি নিলে তোৰ সব আভৰণ", "মিছা নাবুলিহ মোৰ পৰাণ নাতিনী", "তোক পাআ জীলোঁ", 'তাৰ আছিল মনেৰ সন্তাপ", "অনেক প্ৰকাৰে কাকুতি কৰিল;" ইত্যাদি, ইত্যাদি। ব্যাকৰণ বিষয়ৰ এই উদাহৰণবোৰ কোনো ঘটনাক্ৰমে ব্যৱহৃত হোৱা বা ইয়াৰ বাহিৰে আৰু এনে গঢ় নোহোৱা বুলি যেন কোনেও নাভাবে। বৰঞ্চ "খাওঁ", "যাওঁ", "খালোঁ", "জীলোঁ" আদি গঢ়ৰ বাহিৰে বঙলা "খাইতেছি", "যাইতেছি", "গেলাম" "বাচিলাম" আদি গঢ়েহে ওবেও পুথিখনত দৰবত বাটি দিবলৈ পাবলৈ নাই। তথাপি যে ইয়াক বঙলা ভাষা



বুলিবলৈ কোনেও সঙ্কোচ বোধ কৰা নাই, তাৰ কাৰণেহে আমি য'ৰে ত'ৰে কিছুমান উদাহৰণ দিলোঁ। সকলোবোৰ উদাহৰণ দিবলৈ চেষ্টা কৰিবলৈ হলে গোটেই পুথিখনকে উদ্ধৃত কৰিব লগাত পৰে। আন আন বিষয়ে ওপৰত কোৱা হৈছে।

শব্দ-বৈশিষ্ট্যৰ ভিতৰত "বড়া" ( আগত দিয়া "বড়ুৱা" শব্দৰ দৰে ), "বহুআৰী" (=বধু=বহু=বৌ, বোৱাৰী ), "গোহাৰি "মেলানি", "ঝী" ( জী, জীয়ৰী ), "গো", "পুত" ( cf. "আপুতৰ পুত, কোলাতে মুত" ), "পিন্ধ", 'এড়" ( এৰ ), "বেলি' যেনে এইবেলি ) "সাসু" (শাহু), "পাতিআএ" ( পতিয়ায়, ) নাসাম্বায় ( নোসোমায়, "সুখান" ( শুকান ), 'পেলা" "ছাওৱাল" ( cf. অতনিশা গৰু চাৰে কাহাৰ ছৱাল" দিহানাম। গোৱালপাৰাত "ছাৱা", কামৰূপত 'ছলি". উজনীত ছোৱালী (ছাৱালী ( তুলনীয়। ) 'বাট কাঢ়' ( খোজ কাঢ়, বাট বুল ) "জীওঁ," "পিওঁ", "কাঢ়িলে", "ভোখ" (=ভোক ), "ঘৰ" ( বং ঘৰ=কোঠা, বাড়ী=ঘৰ ), "পানী" ( বং জল ), "বোল" ( বচন, ) "মিঠ" ( মিঠা ), "সোয়াদ' ( বং স্বাদ, সুস্বাদ ) "বিন্ধে" ইত্যাদি মন কৰিব লগীয়া।

চতুৰ্থত "নৌকাখণ্ড"। এই খণ্ডৰ নামত দিয়া "নৌকা" শব্দ নিশ্চয় সম্পাদকৰ নিজ বাছনি; পুথিখনত ভুলতো এই শব্দৰ ব্যৱহাৰ নাই। আগৰ পৰা গুৰিলৈ অকল "না", ঘাইকৈ "নাঅ" ( নাও ) শব্দইহে আছে; ব্যাকৰণ আৰু শব্দৰ ব্যৱহাৰ আগৰ খণ্ডৰ দৰেই 'ৰাধাক নাপাআ মোৰ বেআকুল মনে" "উপসন্ন হল হেৰ বৰিষা ( বাৰিষা ) সমএ", "চাৰি পাট চিৰী নাঅ দিল গোথ মাপে," "শেষ পহৰাতী ৰকুয়িনী কাঢ়ে ৰাএ", "আগু জাও বড়ায়ি হাথত কৰী লড়ী", "সঙ্কাই চড়িলে নাঅ নাসহিব ভৰা", "বোলন্ত কাহ্নাঞি নাঅ কুলত চাপাআ', "তীন ভৰা নাসহিব নাখানী আমাৰ", "তোহ্মাৰ আস্তৰে ৰাধা পাতিলে না" "কাহ্নাঞি প্ৰবোধিআ হাটক যা" "বিনি কড়িএ নাকৰোঁ মো পাৰ", "যমুনাত পাতিলোঁ মো কান্ধে "ধৰিবো তোমাক বলে", "কৰিবোঁ যমুনাত পাৰএ," "এহি নাএ পাৰ কৰোঁ সকল ৰাজ", "শকত আছিল নাঅ এখনে", "ষোল শত গোপী মাঝে তোহ্মে আগুৱান" "আমাৰ আইহান বীৰ যমমত হাঠী" "হেন ভাঙ্গা নাএ চঢ়িতে নাজুআএ, একলী চঢ়িলোঁ আৰ নাম্বায়িলোঁ পসাৰ", "নাঅ খেআইলোঁ ৰাধা নাপাইলোঁ মুল", "নাঅ বাহিতে মোএ হৰিলোঁ শকতী", "খৰ সোঁত পানী ৰাধা বড় বহে বাএ "যমুনাৰ জলে টলবল কৰে নাএ", "পাছ বেঢ়িল তোৰ দীঘল বসনে", "কিছু পাতল হউ মোৰ নাঅ ভৰা", "ঢেউ দেখি মোৰ হালে সব গা", "নাঅ টলবলাএ অধিকে দামোদৰ "সব সখিজনে ঘৰক গেলা", "জৰমে সুৰিতে নাৰো এগুন তাহাৰ", "তোক দেখি নাতিনী মো পাইলো উল্লাসে. "মাঝ যমুনাত নাঅ নচলে আহ্মাৰ", "মোৰ তোএ কৰসি ধামালী "বলে ধৰিবাক চাহ মোৰে" ইত্যাদি।

শব্দ-সম্পদত "নাঅ", "বৰিষা" (বাৰিষা), "হেৰ" (সম্বোধনত), "হাঠী (নামনি) "সোত", সুঝি (ধাৰভুক্ত), "নাতিনী", "বলে" (বং জোৰে), "গা" (শৰীৰ), "টলবল" হাৰিলোঁ। "শকতী" "বেঢ়িল", "দীঘল", "কুয়িলী" ( কুলি ) আদি উল্লেখযোগ্য। ব্যাকৰণৰ ওপৰত কোৱাৰ উপৰিও "ঘৰক গেলা" ( নামনিৰ ), "হাটক যা", "টলবল কৰে নাএ" "বেঢ়িল··· বসনে" আদি চকুত-লগা। "ঢেউ দেখি মোৰ হালে সবে গা", দিহা নামৰ "ঢৌ দেখি হালে জালে গা হে কলীয়া, কাৰত চপাই দিয়া নাও" আদিৰ লগত বিশেষ মিল আছে। সেইদৰে "টলবল কৰে নাএ" আদি অসমীয়া জতুৰা ঠাচৰ লগত মিলি যায়।

পঞ্চমত "ভাৰ খণ্ড"। এই খণ্ডত 'ৰাজাৰ কোঁৱৰী ভৈলী আইহনেৰ ৰানী" "ডাক দেওঁ মোএঁ সব গোআলিনী সহী" ( সখী ) 'প্ৰভাতে বেলি ভৈল যমুনাৰ ঘাটে," 'জাৰ লএ উলটিআ চক্ৰাৱলী হাসে." "হাথ বাঢ়াইলে কি চান্দেৰ লগ পাই," "কথা না আছিলাহা হেন আছিলৰ জাৰী," "উলটি উলটি ৰাধা কাহ্নু পানে চাহে," "ৰাধাক দুইল নাৰদ বসিআ বাটে।" "ঝগৰ ( জগৰ )

নাকৰ তোঁ এহা বাটে দাঁতে মূলে বিৰ দানকে নাটে সুৰতি দেহ তোক নাহি হৰোঁ দান লও। তাক শপথ কৰো" "সুনিআঁ কাকুতী" "বিহা কৰিতে নাজুআএ" "অলপ হুআঁ চাহ বড়াৰ সঙ্গ", ইত্যাদি। ইয়াতো "কোঁঅৰী" (কুৱঁৰী) "উলটি" "কাকুতী" "ভোখে ভাত দিবো তোৰে পিআসত পানী", "জলধিত সেতু বান্ধি জিনিলোহোঁ লঙ্কা" "নাটে (নোকোৰে) "হাথ" (নামনিৰ) "বেলি" আদি শব্দ মন কৰিব লগীয়া।

ষষ্ঠত 'বৃন্দাবন খণ্ড'। এই খণ্ডত "অহোনিশি তোৰ "নাম গোঅৰে", "আপণ আপণ বচ হাটক পাঠায়িব। "তোহ্মাৰ ঘৰত অন্ন পানি না খাইব॥" "টেটন নটক লোক সমে নেহ (স্নেহ) কোহ্নো কালে ভাল নহে (cf "মুনি বোলে শুন হেৰ টেটন নটক"--ভীমচৰিত) "খোঁপা বান্ধিআ উল্লাসে," "বৃন্দাবন দেখি মোৰ পোড়এ অন্তৰ", "আঞ্চলে ধৰিব আৰ বুলিব ধামালী," "লবঙ্গ মালতী ৰাধা ভাঙ্গিলে আপাৰ। দনা মৰুআ ভাঙ্গিলে স্থলপদ্মৰ ডাল"॥ "গুটি চাৰি ফুল হেৰ আছে মোৰ হাথে। তাক নেহ তোৰ মনেৰ সোআথে॥" বড়াৰ বহুআৰী আহ্মে বড়াৰ ঝিআৰী। কুলছুৰী বাদ আহ্মে সহিতে নাপাৰী" "বিষ পোআলেঁ এক ছৈল" "সহিলোঁ সাসু ননন্দ গালী" ইত্যাদি। ইয়াত "টেটন নটক" "ভাঙ্গিলে" "বড়াৰ বহুআৰী আহ্মে বড়াৰ ঝিআৰী" 'পোআলে" (বং পোৱালে, ১মা আদি) মন কৰিব লগা।

সপ্তমত "কালিয় দমন খণ্ড" আৰু "যমুনা খণ্ড"। ইয়াত "মথুৰা নগৰে যাইতেঁ দিলায় মেলানী" "মোক ছাড়ি কাহ্নাঞি গেলা কতী", 'আনেক কাকুতী কৈল" "সাগৰক গেলা সব পৰিজনে মেলী", "কালীয় সাপেৰ জিলা দেৱৰাজে", "চিৰকাল জীউপুত্ৰ গদাধৰ মোৰে", "ঘাটত ভেটিল নন্দেৰ পো", "বড়াৰ বহু মো ডাৰ স্ত্ৰী আহ্মে পানি তুলী তোহ্মাত কী" কাপেৰ কলদ নাম্বাআ তোহ্মে", "তোৰ বদনে জীএ চক্ৰপাণী" "গোআলিনী আহ্মে নহোঁ নাচনী", "তাক হাথে কৰী ছুধ না আউটো" "আধামুখ ঢাকিলে সকল বসনে," "ডালিম সদৃশ তন তোহ্মাৰে," হেনসে আজল দেৱৰাজে." "পানি ভৰায়িআঁ, ঘাটত উঠিআঁ।" "বিনি যাচিলেঁ কাহাকো নাদিল এনা এক ফুট পানী," "ছিলো মোঞ গোকুল আগে" "লআঁ গেলা যমুনাৰ পানী," "পূৰুবে (পূৰ্ব্বে) আছিল এহো দহে নাগগনে," "বড় দুখ উপজিল মনে। শৰীৰত ভৰিলো চেতনে॥" 'একইতি মাএৰ ছাওৱাল", "ৰাধাৰ ৰূপ সোঁঅৰী গোবিন্দে," "কুলত কাপড় থুয়িআ", "সঙ্গে যবে আসি মোক লই যাব ধনী" 'মামী মামী, বুলিতে আধিকেঁ বল কৰে," "বুঢ়ী মেলি'ল আসিয়া" "কাহ্নাঞি ছাওআল," "জিলো পতুমৰ স্ত্ৰী" ইত্যাদি। ইয়াৰ "ভিতৰত আজল (আজলা, অজলা)। "নাচুনী" (নাচনী), "সে লানী," "একফুট (ফোঁট) পানী", "মামী," "জীউ," "উপজিল" "নামাএ" (নমায়) আদি শব্দ বিশেষ মন কৰিব লগা।

অষ্টমত "বাণ খণ্ড"। এই খণ্ডত আজি হৈতে ৰাধিকাত নিবাৰিলোঁ মনে।" "পুৰুবে ৰাধাক দিলোঁ মো তোহ্মাৰ তাম্বুলে". "তাহাক এড়িতে নাজুআএ," "শিশত সিন্দুৰ শোভে" "তাৰ বোল পালিলোঁ ৰহিলোঁ দধি ভাৰ," "তাহাৰ মন থীৰ নহে কোন কালে" "হআঁ গোআল ঝিআৰী" "কাটাৰত ভৰ কৰি তেজিবোঁ পৰাণে" "গুআ পান দিআঁ দূতী পাঠায়িলোঁ তোৰে", "আনেক কাকুতী কৰিলোঁ তোহাৰে", "কি কাৰণে ৰাধাৰ চিআত দিলেঁ ঘাঅ", "জিআঅ ৰাধাক গাইল চণ্ডীদাসে" "মিনতী অৰিআঁ বোলোঁ গাঅখানী তোল" ছাড়িলো মো মহাদান তেজিলো মো বাটে"। উপজিল ৰোষ মোক মাইল ফুলবাণে", "না বুলিবোঁ ধামালী", ইত্যাদি।

নৱমত 'বংশীখণ্ড", এইখণ্ডত "সখি সবে বুইল বাধা জড়িউ সিনানে", কালিনী নই কুলে" "আউলাইলোঁ (cf. আউল লগালো) ৰান্ধন", "পাখি নহোঁ তাৰ ঠাই উড়ী পড়ি জাও", "পসিআ লুকাঙ", "সহিতে নাপাৰো", "কি বুধি কৰিবোঁ বড়ায়ি বোলহ এখন", "তাহাৰ আগত ৰাধা এড়ায়ি কেমনে", "সোঅৰিতে" "পাতএ অশেষ বধী" "বড়াৰ বোহাৰী আহ্মে বড়াৰ স্ত্ৰী", "কথা মোএঁ জাও", "কাহ্নাঞি সোঁঅৰী মোৰ চিত্ত নহে থীৰে"।

"মো জে সখি সব সঙ্গে কৰিবোঁ।
মাঙ্গলী মালতীফুল গাথিবোঁ।
দূতী তোক লয়িআ কাহ্নেৰ মুখ দেখিবোঁ॥
খাট পালঙ্ক গঢ়ায়িবোঁ
আল স্ববস্ত্ৰে মঢ়ায়িবোঁ
কাহ্নাঞি লইআ ৰাতিঞ পোহায়িবো॥
এবে শুনিআঁ বাশীৰ ধুনী।
আল মাৰিবোঁ জালি আগুনী॥
কাহ্নেৰ সকলো দোষ খণ্ডিবো আপুনী॥
তোৰে মো না এড়িবোঁ দূতী ল।
বোলহ কাহ্নেৰ ৰাধাক দেউ সমতী ল॥
মো জে সখিসব সঙ্গে কৰিবোঁ
মাঙ্গলী মালতী ফুল গাথিবোঁ।
দূতী তোক লয়িআঁ কাহ্নেৰ মুখ দেখিবোঁ
মো জে কস্তুৰী কপুৰ খাইবোঁ।
কিশলয় শয়ন বিছাইবোঁ।
কাহ্ন আলিঙ্গিয়া সকল দেহ জুড়ায়িবোঁ।
তাৰ বাশীৰ শবদ শুনী।
পৰাণ জাএ মোৰ শুনী॥
সুনতেঁ দূতী আনি দেহ চক্ৰপাণী॥
দেবেৰ বৰ যদি পাওঁ
এখন তবে পাখি হওঁ
আপনে উড়িয়া কাহ্নেৰ ঠায়ি জাওঁ।
সুসৰ বাঁশীৰ নাদ শুনিআঁ বড়ায়ি
ৰান্ধিলো যে সুনহ কাহিনী।
আম্বল ব্যঞ্জনে মৈঁা বেশো আৰ দিলোঁ
সাকে দিলো কানা সোআ পানী।
ৰান্ধনেৰে জুতী হাৰায়িলো বড়ায়ি...
তা সুনিআঁ ঘৃতে মো পৰলা বুলিআঁ
ভাজিলো এ কাঁচা গুআ॥"
ছোলঙ্গ চিপিআ নিম ঝোলে থেপিলোঁ
বিনিজলে চড়াইলো চাউল॥",

"কাখেত কলসী বড়ায়ি জাওঁ ধীৰে ধীৰে", "ডালত বসিঞা সেহ্ন কুয়িলী কাঢ়ে ৰাএ", "মঙ্গল চাহীঞা দেখিলো বড়াঞি". "যমুনাক যাই ছলে পানী আনিবাৰ", "হেৰ তোৰ ধৰিলো আঁচলে", 'গলাত পাথৰ বান্ধি দহে পইসওঁ' "সুতিআঁ আছিলো আহ্মি" "আগুগেলী গোআলিনী সে বা লই জাএ," "মোঞ কৈলো...পুৰি খৈলো," ইত্যাদি এই খণ্ডৰ "নই" (নৈ) "আউলাইলো (জট লগালো) "বোহাৰী" (বোৱাৰী,) "সাকে" (শাকত, আঞ্জাত) জুতি (ৰুচি), গুআ (তামোল,) আদি শব্দ ব্যৱহাৰ চকুত লগা।

দশম আৰু শেষত "ৰাধা বিৰহ এই খণ্ডত "হাথত মোহন বাশী," 'ঝাঁট কৰী কাহ্নাঞি আনাওঁ। ৰতী সুখেঁ ৰজনী পোহাওঁ॥" "যশোদাৰ পো" "কমন বুধিঞ যাইবো কথা তাৰ লগে পাইবো. আপণেঞি বোল সুবদনী." "নেহ গুআপানে," "নাথাইলো কাহ্নে গুআপানে," "এতসব সহিলো মো কাহ্নেৰ নেহাত লাগী," "নন্দেৰ পোঅ." "কদম তলাক জাইউ," "তোহ্মাৰ আন মো না বুলিবো আন" কুলে জড়ী বান্ধি কেশ পাশে," "বাটা (বটা) ভৰী কৰ্পূৰ তাম্বুলে," চখুত নাইসে নিন্দে," "শীতল চন্দন আঙ্গে বুলাওঁ, তভো বিৰহ নাটুটে," "ভিড়ি আলিঙ্গন দিতেঁ না পাইলো, "শাল এথিকল বুকে," মোঞ তাক মানো বড়ায়ি যেহ্ন যমদূত." "মো তবে আছিলো শিশুমতী," "আৰ দুখ দিলোঁ তোক বহায়িলোঁ ভাৰ," "না শুনিলো তোৰ বোল লআ জাইতেঁ পাণী," "যমুনাত পাৰ কৈলো দিলো দধিভাৰ" "বড়াৰ বহুআৰী তোহ্মে." "যোড়হাথ কৰী গোসাঞি বোলো মো তোহ্মাৰে," "নাপাত জঞ্জাল এবে জাওঁ

বৃন্দাবন," "নিকট না আইস লোক বুলিব অবোল" "ৰাধা তেজহ ধামালী," "খোপা ফুলে ভৰী" "ৰাধাক বুলিল," "উত্তম কুলত মোৰ জনম ভৈল" "আছিলো মো শিশুমতী নাজানিলো ৰঙ্গ ৰতী", "ভজিলো তোৰ চৰণে," তোহ্মাত লাগিআঁ ৰাধা বড় পাইলোঁ সুখ। হন মন টকলো না দেখিবোঁ তোৰ মুখ" তোত উনজিব বোষ তাক নাজানো," "নান্দেৰ পোহো (পো)," "নান্দেৰ পোঅ," এড়ঘৰ যাঞো মোঞে শকতি নাকৰ "মো তোলো যমুনাতে পানী", "কাহ্ন না চিহ্নিলো খাটলো আগ্ৰী। চান্দ সুৰুজ ছৰি সাখী", "গৰবে না ভুসিলে হৰী," "পাছুনা শুনিলী ফাছিদৰী" 'মোঞ ভৈলো এহাত সুগ্ৰবী" "আপনেঞি কৰ গুৰী," বুইল (বুলিলে) মনত গুণী, "মাথে হাথ বুলাই" হৃদয়ত গুণী," "ৰাধাহো (ৰাধায়ো) ধৰিলেক কাহ্ৰুিক আতি জতনে," 'বেণত ধৰি বুইল (বুলিল) "উকথানী পাতি মোৰ দেহ গোবিন্দ ৰুতি জাও নিন্দ" "মেলানী দেহ," "বড়ায়িক চিআইঞা (cf ধৰ্ম্মক চিয়াই) বুইল বচন' 'আছিলা বাল গোপালে," জী জিয়ন্তে মৰিলো (cf জীবন্তে মৰিলোঁ নাগা জাতীৰ সমান" —সহস্ৰ নাম বৃত্তান্ত); শিশু লইয়া বাটে হাটে হৰিদে বুলে "যবে লগে পাওঁ তবে কি বুলিবো তাৰে," "যমুনাত নাপাঞা গোপালে" "সোঞৰী কাহ্নেৰ বাণী," "না কৰাগ্নিবী (নোজোকাবি) মোৰে," "গোকুলক নাই,'ল "নাগেলা নোলাইআঁ" (মাতাদি নগল) "শুণ গোঁ অৰিআঁ" ইত্যাদি। ইয়াৰ পিছত আৰু থ'ব লাগিবনে "শ্ৰীকৃষ্ণ কীৰ্ত্তন"ৰ ভাষা অসমীয়া, বঙলা নহয়?

বঙলা ভাষা আৰু সাহিত্যৰ বুৰঞ্জী-লেখকসকলে এই পুথিৰ ভাষা সম্পৰ্কে কি কয় এবাৰ চোৱা হওক। এই পুথিৰ ৰচনা কাল ইয়াৰ ভিতৰত নাই বুলি ওপৰত কোৱা হৈছে; তথাপি আখৰ চাই ইয়াক চতুৰ্দ্দশ শতিকাৰ বুলি বঙালী সাহিত্যিকসকলে দাবী কৰে। কিয়নো এইখনেই তেওঁলোকৰ মতে প্ৰথম বঙলা পুথি, গতিকে ইয়াৰ কাল পিছলৈ যোৱা মানে আদি বঙলা পুথিৰ কাল পিছলৈ যোৱা। কিন্তু আখৰ-বিলাক বঙালী বিশেষজ্ঞ ৰাখালদাস বানাৰ্জ্জীৰ মতে এই পুথিত পুৰণি আখৰ, পুৰণি আখৰৰ অনুলিপি আৰু তুলনাত আধুনিক, এই তিনি বিধ আখৰ আছে! কিন্তু যি আখৰৰ ভেটিৰ ওপৰত এই গ্ৰন্থৰ ৰচনা কালৰ সাত মহলীয়া আট্টালিকা তুলিলে, সেই ভেটিয়েই যদি এনে লৰক-ফৰক (প্ৰাচীন হস্তলিপিত আধুনিক আখৰ! অথচ তেওঁলোকৰ নিজ মতেই)। তেনেহলেনো সেই আট্টালিকা শূন্যত নহৈ আৰু ক'ত?

ৰায়বাহাদুৰ দীনেশচন্দ্ৰ সেন ডি-লিট, মহাশয়ে ঠিকেই কৈছিল—"বঙ্গ ভাষার ঠিক পূর্ব্বাবস্থা আমাদের পরিচিত প্রাকৃত গুলির কোনটিতেই দেখিতে পাইনা" ... দেখা যায়, ডাক ও খনার বচনের ভাষা ও পরাগলী মহাভারতের ভাষাই স্থলে স্থলে এত জটিল যে তাহার অর্থ পরিগ্রহ সহজ নহে।......কিন্তু বর্ত্তমান ভাষা হইতে তাহা এত দূরবর্ত্তী ছিল যে, তাহাকে বঙ্গভাষা আখ্যা প্রদান করাও সঙ্গত নহে। সুতরাং সে ভাষাকে প্রাকৃত না বলিয়া আর কি বলা যাইতে পারে?" (বঙ্গ ভাষা ও সাহিত্য" ২১-২২ পৃষ্ঠা) ডাক আৰু ডাকৰ বচন যে মূলত অসমীয়া, তাক আটায়ে জানে; পৰাগলী মহাভাৰত বা অসমীয়া কবীন্দ্ৰ মহাভাৰত সম্পৰ্কে ২০শ বছৰৰ ৩য় আৰু ৭ম সংখ্যা 'বাঁহী'ত ওলোৱা প্ৰবন্ধত বহলাই চোৱা হৈছে। গতিকে বঙলা ভাষা যি প্ৰাকৃতৰ পৰা ওলাইছে বুলি ডি লিট দীনেশচন্দ্ৰ সেন ৰায়বাহাদুৰে কয়, তাৰেই আন নাম পুৰণি অসমীয়া ভাষা। বৰ্ত্তমান আলোচ্য গ্ৰন্থৰ পৰা এই প্ৰবন্ধত উদ্ধৃত ওপৰৰ ভূৰি ভূৰি উদাহৰণেও ঠিক তাকেইহে প্ৰমাণ কৰে। আৰু এই গ্ৰন্থ সম্পৰ্কে আলোচনা কৰি বাবু যোগেশচন্দ্ৰ বিদ্যানিধি এম, এ মহাশয়ে কৈছিল "ইহাতে দুই অনুমান হয়—(১) আসামী ও পুরাতন বাঙ্গালা ভাষা একছিল, কিম্বা (২) কৃষ্ণ কীর্ত্তন পুথি আসামী ভাষার দেশ ঘুরিয়া আসিয়াছিল"। ইয়াৰ প্ৰথম অনুমান ঠিক।

এই গ্ৰন্থৰ "মুখবন্ধ" লেখক ত্ৰিবেদী মহাশয়ে ইয়াৰ



ইয়াৰ আগৰ যি দুটি স্তৱ (১) গৌড়গান আৰু দোঁহা আৰু (২) ৰামাই পণ্ডিতৰ শূন্যপুৰাণৰ কথা কলে সেই দুটি স্তৱো যে অসমীয়া ভাষাৰেই স্তৱ আমি তাক ভাবনাতে এইদৰে কঁহিয়াই দেখুৱাব পাৰিম। ইয়াৰ উপৰি ১৮শ বছৰৰ তৃতীয় সংখ্যা "বাঁহীত" ওলোৱা এই লেখকৰে "চোৰ গৃহস্থ আৰু গৃহস্থ চোৰ" প্ৰবন্ধত আন কেৱা গৰাকীও এনে আদি বঙালী কবি নামধাৰীৰ বিষয়ে বিশদৰূপেই আলোচনা কৰা হৈছে। মুঠতে "কৃষ্ণকীৰ্ত্তন" কিম্বা ইয়াৰ বহুত পিছলৈকে বঙলা ভাষা নিজ মাতৃ অসমীয়া ভাষাৰ গৰ্ভতে এই কালত গৰ্ভিণীৰ প্ৰসৱ-বেদনাই আৰম্ভ হোৱা নাছিল বুলি বুজিব পাৰি।

এই গ্ৰন্থ সম্পৰ্কে শেষতে আৰু এটি বা দুটি কথা কৈ সামৰণি মাৰিম। ইয়াৰ ভাষা অসমীয়া হলেও, ভাব অসমীয়া সাহিত্যৰ লগত স্বভাৱতে কীণ বাব পৰা বিদৰ নহয়; লেখক যেয়ে হওক সম্ভৱ মাধৱ কন্দলীৰ সমসাময়িক, অৰ্থাৎ শঙ্কৰদেৱতকৈ এশ বছৰ মানৰ আগৰ, কিন্তু এওঁৰ ভাব মাধৱ কন্দলী, হেমসৰস্বতী, শঙ্কৰদেৱ আদিৰ পৰা ওলোটা কালে যোৱা। চমুকৈ কবলৈ হলে কিত্তাপৰন খাৱ পৰবৰ্ত্তী "ৰাধাহৰণ" আদি পুথিৰ দৰে কুৰুচিপূৰ্ণ; অৰ্থাৎ লেখকে ৰাধা আৰু কৃষ্ণৰ নাম লৈ নিজৰ কাম ভাবৰ সেতে ৰচনাৰ এই ভাওনা পাতিছে। পণ্ডিতপ্ৰৱৰ হেমচন্দ্ৰই কৰৰ দৰে কোনোৱা ভট্টাচাৰ্য্যৰ "ছলাল" পুৰাণৰ পেটমোচা প্ৰায় একাদশ খ্ৰীষ্টাব্দত ওপজা ব্ৰহ্মবৈবৰ্ত্ত পুৰাণতে ৰাধা জন্মে জন্মে ভূ-ভাৰতত অৱতীৰ্ণ হয়; তাৰ পাছত বঙালী জয়দেৱৰ সংস্কৃত "গীত গোবিন্দ"ত লহপহকৈ বাঢ়ি বিলাসী খাট-পালেঙ হয়; তাৰ পাছত বিদ্যাপতি আৰু চণ্ডীদাসৰ গীতৰ তালত নূপুৰ পিন্ধি পাক দি বঙালী বৈষ্ণৱ ধৰ্ম্মৰ গৰাকী চৈতন্যদেৱৰ আৰাধ্যা গোসানী হয়। গতিকে অসমীয়া সাহিত্যলৈ ৰাধা কেতিয়াবা আহিছে যদিও, "ফৰ্মাছৰ" বাবেহে, এনেয়ে নহয়।

এই পুথিত জয়দেৱ আৰু বিদ্যাপতিক সোঁৱৰোৱা কথাৰ আটক নাই। জয়দেৱৰ অমৰ কীৰ্ত্তি, পূৰ্ণ অৱতাৰ শ্ৰীকৃষ্ণই ৰাধাৰ ভাঁৱিত পৰি মান-ভঞ্জন কৰা শ্লোকটি "স্মৰগৰলখণ্ডনং মম শিৰসি মণ্ডনং দেহি পদপল্লৱ মুদাৰম"ৰ ভাঙনি এইদৰে ইয়াত পাওঁহক—

"মদন গৰল খণ্ডন ৰাধা
মাথাৰ মণ্ডন মোৰে।
চৰণ পল্লৱ আৰোপ ৰাধা
মোৰ মাথাৰ উপৰে॥" বৃন্দাবন খণ্ড

অকল ভাষাতে নহয়, ছন্দ বিষয়তো এই গ্ৰন্থই অসমীয়া আদি বৈষ্ণৱ সাহিত্যৰ আগলি-বাতৰি দিছে বা প্ৰতি-ধ্বনি তুলিছে যেন লাগে। "কুসুম মালা" ছন্দৰ এটি কবিতা—

তমাল কুসুম চিকুৰ গণে। নীল কুৰুবক তোৰ নয়নে॥
সুপুট নাসা তিলফুলে। দেখি তোৰ গণ্ডযুগ সকলে॥
অধৰ সুৰঙ্গ বান্ধুলী ফুলে। কম্বু দুগ তোৰ এ বগ ছলে॥
মুকুলিত কুন্দ তোৰ দশনে। পণ্ডুৰী কুসুম তোৰ বসনে॥
ভুজযুগ হেম যূথিকা মালে। অশোক তবক কৰযুগলে॥
মুকুলিত থল কমল তনে। ৰোমৰাজী তাত আতসী গণে॥
গভীৰ নাভী নাগেশ্বৰ ফুলে। কনক কেতকী জংঘ যুগলে॥
চৰণ কমল থল কমলে। আঙ্গুলী চম্পক কলিকা জালে॥
নখৰ নিকৰ দেখি গুলালে। শিৰীষ কুসুম তনু সকলে॥
কনক চম্পক কুসুম পাঁতী। তোহ্মাৰ সকল শৰীৰ কান্তী॥
নেআলী সেআলী মাল্লী বিকশে। তোহ্মাৰ মধুৰ ঈষত হাসে॥
দেখোঁ গো তোৰ ফুল শৰীৰে। গাইল চণ্ডীদাস বাসলী বৰে॥
বৃন্দাবন খণ্ড

ইয়াত ছন্দৰ আৰু ভাষাত শঙ্কৰদেৱৰ "কুসুম মালা" আৰু "নেআলী সেআলী" আদি ফুলৰ বৰ্ণনাত "হৰমোহনৰ" "দিব্য উপবন' আৰু আদিৰসৰ উল্লেখত বিদ্যাপতিৰ সোঁৱৰণ আহি পৰে। আৰু এঠাইত "বৃন্দাবন খণ্ডৰ" এটি দীঘলীয়া কবিতাত (পৃষ্ঠা ২০৫-২০৮) ফুলৰ বিৱৰণ পঢ়ি এই "দিব্য উপবন"ৰ কথা পাহৰি থাকিব নোৱাৰি, তাৰ আৰম্ভ আৰু শেষৰ কেকাকি মাথোন তুলি দিয়া হল।

"একে একে ঋতুগণে বিলাস কৈল আপনে
কুসুমিত সব তৰু গণে।
তিন ভুবন মাঝে কথাঁহো না দেখিলোঁ
দৈব নিয়োজন হেন থানে॥

ফুটিল গুলাপ মাহ্লী মালতী মাধবী লতা
লবঙ্গ দোলঙ্গ নেআলী।

• • • •
• • • •

কুসুম সমূহ মধু পিআ মধুমত্ত মধুকৰ
নিকৰে মধুৰ ঝঙ্কাৰে।
কুসুমিত লতা কুঞ্জে বেঢ়িল বিবিধ গুঞ্জে
মনমথ কৰে ঝঙ্কাৰে॥

বহে সুশীতল বাএ কোকিল পঞ্চম গাএ
ৰএ আৰ নানা পক্ষিগণে।
সুনে মৃগ কুলে বনে, গাইল বড়ু চণ্ডীদাসে
বান্ধিআঁ বাসুলী চৰণে॥"

শৃঙ্গাৰ ৰসমূলক হলেও ঠায়ে ঠায়ে ৰচনা কবিত্বপূৰ্ণ হৈ পৰিছে—

"তোহ্মাৰ যৌবন ৰাধা কৃপণেৰ ধন।
পোটলি বান্ধিআঁ ৰাখ নহুলী যৌবন॥"— দানখণ্ড
তোৰ তুঙ্গ কুচ কুম্ভ বান্ধি নিজ গলে।
বোল ৰাধা পৈসো মো লাবণ্য গঙ্গাজলে॥
নাভি গভীৰ তোৰ প্ৰয়াগ উপমা।
উৰুযুগ ৰাম কদলী তৰু সমা॥
মন্থৰ গমনে যাসি আগিবাৰ ভৰে।
তা দেখিআঁ বনবাস লৈল কৰীবৰে॥"

এই পুথিৰ লেখক প্ৰকৃততে কোন বা ক'ৰ মানুহ এই বিষয়ে যথেষ্ট সন্দেহ আছে বুলি ওপৰতে উল্লেখ কৰা হৈছে। ৰামী-প্ৰিয় চণ্ডীদাসৰ গীতাৱলী যে আধুনিক, "বঁধু, কি আৰ বলিব আমি" ৰ ভাষা চতুৰ্দ্দশ শতিকাৰ বঙালা হবলৈ গলে যে বৰ্ত্তমান আলোচ্য গ্ৰন্থৰ ভাষা প্ৰায় খ্ৰীষ্ট পূৰ্ব্ব কালৰ হব লাগিব, আমাৰ এই আলোচনাৰ পাছত তাক বিশেষকৈ ক'ব নালাগিব। কিন্তু লেখক যে ভাৱত জয়দেৱৰ আৰু ভাষাত মৈথিলী কবি বিদ্যাপতি আৰু অসমীয়া কবি মাধৱ কন্দলী আদিৰ অনুসৰণ-কাৰী তাত সন্দেহ নাই। আৰু এটা কথা নিসন্দেহে ক'ব পাৰি, লেখক নিশ্চয় বঙ্গীয় সহজীয়া পন্থাৰ লোক, নহলে ৰাধাকৃষ্ণৰ পৰকীয়া ভাব এটা লৈ তেওঁ এই কাব্য নতৰিলেহেঁতেন। কিন্তু কোনো কোনো বঙালী সাহিত্যিকে অনুমান কৰাৰ দৰে ই অসম দেশ ঘূৰি যোৱা বা অসমীয়া লেখকৰ ৰচনা নহয়। লেখক বাসুলীৰ সেৱক বুলি গ্ৰন্থৰ ভণিতাত ঘনাই পোৱা হয়; বাসুলীৰ আন নাম চণ্ডী, গতিকে কবিৰ চণ্ডীদাস নামৰ অৰ্থ পোৱা হয়। বাসুলীৰ সেৱক মাত্ৰই চণ্ডীদাস থকাত অসম্ভৱ নহয়, তেন্তে যদি এই গ্ৰন্থৰ ভাষা সম্পূৰ্ণ অসমীয়া বুলি কৈও আমি ইয়াৰ লেখক বঙলা দেশৰ বুলিহে স্বীকাৰ কৰিব খোজোঁ, তেন্তে তাৰ অবাধ সামৰণি এয়ে হয় (১) এই ( চতুৰ্দ্দশ শতিকা ) কাললৈকে অসমীয়াই বৰ্ত্তমান বঙলা দেশৰো চলিত ভাষা আছিল;

(২) বঙলা ভাষা কেতিয়াও নিজ মাতৃ অসমীয়া ভাষাৰ গৰ্ভৰ পৰা পোহৰৰ মুখলৈ ওলোৱা নাছিল। কাশীদাসী মহাভাৰত আৰু কৃত্তিবাসী ৰামায়ণৰ কালতো বঙলা ভাষা নিজ মাতৃ অসমীয়াৰ দুগ্ধ-পোষ্যাহে, ঊনৈশ শতিকা বা তাৰ আগে আগে মাথোন অসম জীয়াৰী বঙলা ভাষাই মাকৰ ঘৰ আৰু শাহু শহুৰৰ ঘৰলৈ যায়। কিন্তু কালস্য কুটিলা গতি! বৰ্ত্তমান "মাকতকৈ জীয়েক কাজী" দেখি নাতি-নতিনীহঁতে "আন্ধাৰে মোধাৰে" জীয়েককে মাক পাতিবলৈও দ্বিধা বোধ কৰা নাছিল॥

---

# প্ৰাচীন কামৰূপত কৈবৰ্ত্ত

## শ্ৰীৰাজমোহন নাথ বি-ই এ-ই-এছ

তেজপুৰ জাহাজ ঘাটৰ পৰা এমাইল মান ভাটীত যেন্থেনা পাহাড়ত এটা ডাঙৰ শিলত প্ৰাচীন কালৰ কেইশাৰী মান আখৰ লিখা আছে। শিলটো সাধাৰণতে "ৰূপা শিল" বুলি জনাজাত; আৰু সাধাৰণ মানুহৰ ভিতৰত এটা প্ৰবাদ আছে কোনোবা ৰজাই কেনো তেওঁৰ ধন-ৰত্ন এই শিলটোৰ ভিতৰত থোৱোং থান্দি সুমুৱাই থৈ ওপৰত শিলৰ দুৱাৰ এখনদি জপাই থৈছে। যিজনে এই দুৱাৰৰ ওপৰত লিখা লিপিখিনি পঢ়িব পাৰিব তেওঁৰ আগতেই দুৱাৰখন মুকলি হব আৰু তেওঁৱেই ৰাজ ভাণ্ডাৰৰ ধন ৰত্ন খিনি পাব।

অনেক বছৰ ধৰি পণ্ডিতসকলে অহোপুৰুষাৰ্থ কৰিও শিলা লিপিখনৰ পাঠ উদ্ধাৰ কৰিব পৰা নাছিল। কিন্তু ১৯১৭ খৃষ্টাব্দত ৺মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে সেই লিপিখন কথমপি পঢ়ি কামৰূপৰ বুৰঞ্জী সম্পৰ্কে অনেক নতুন তথ্য উলিয়াইছে।

উক্ত শিলালিপিত লিখা আছে গুপ্ত ৫১০ অব্দত অৰ্থাৎ ৮২৯ খৃষ্টাব্দত হাৰুপ্ৰেশ্বৰৰ মহাৰজা হৰ্জ্জৰ বৰ্ম্মাৰ ৰাজত্বত প্ৰধান সেনাপতি সুচিতৰ দিনত" কৈবৰ্ত্ত নৌকুক্ষি স্বভক্ষ সাধনী" অৰ্থাৎ নাৱৰ শুল্ক আদায় কাৰী কৈবৰ্ত্ত আৰু "নৌৰজ্জ" অৰ্থাৎ নাৱৰ গুণটনা কাৰ্য্য পৰিচালনা কৰা কৰ্ম্মচাৰীৰ ভিতৰত এটা বিবাদ হয়। বিচাৰত মীমাংসা হয় যে ৰজাঘৰীয়া নাৱৰ বাহিৰে যদি অন্যৰ কোনো নাও ব্ৰহ্মপুত্ৰ সুতিৰ মাজৰ পৰা উত্তৰ পিনেদি চলাচল কৰে তেন্তে নাও চলাওঁতাৰ পাঁচ পইচা জৰিমনা হব।

খৃষ্টীয় নৱম শতিকাত হৰ্জ্জৰ বৰ্ম্মা এজন প্ৰখ্যাত ৰজা আছিল। তেজপুৰ তেতিয়া হাৰুপ্ৰেশ্বৰ নগৰ বুলি জনাজাত আছিল। হৰ্জ্জৰ বৰ্ম্মাই তেজপুৰৰ ওচৰত এটা বৰ ডাঙৰ পুখুৰী খনাইছিলখ। সেই পুখুৰী আজিকালি হাজাৰি পুখুৰী ( হৰ্জ্জৰৰ পুখুৰী ) বুলি জনাজাত।

হৰ্জ্জৰ বৰ্ম্মাৰ পিছত তেওঁৰ পুতেক বনমাল বৰ্ম্মাই কামৰূপত ৰাজত্ব কৰিছিল। তেওঁৰ দিনতেই তেজপুৰত অসংখ্য মঠ-মন্দিৰ তৈয়াৰ হৈছিল। তেওঁৰ দিনত নগৰৰ ওচৰত ব্ৰহ্মপুত্ৰত অসংখ্য ৰজাঘৰীয়া নাও যুদ্ধৰ নিমিত্তে সজাই ৰখা হৈছিল। তেওঁৰ এখন তামৰ ফলিত সেই নাওবিলাকৰ বিষয়ে এটা বৰ সুন্দৰ বিৱৰণ দিয়া আছে:—

সেই নাওবিলাক দেৱদাসী গাঁৱৰ তিকতাসকলৰ নিচিনা নানা প্ৰকাৰ অলঙ্কাৰৰ দ্বাৰা সুসজ্জিত, সৰু সৰু ছোৱালী বিলাকৰ নিচিনা ঝুন ঝুন ৰুণ ৰুণ শব্দ কৰা অলঙ্কাৰ পিন্ধোৱা, বেশ্যাবিলাকৰ নিচিনা মূৰত দীঘল পৰচুলা লগোৱা, ৰাৱণৰ ঘৰৰ ৰাক্ষসী তিৰোতাবিলাকৰ নিচিনা দীঘল আৰু ডাঙৰ ৰঙা দাঁত যুক্ত, পৱনৰ তিৰোতাসকলৰ নিচিনা বৰ বেগৱতী, এজন নৰ্ত্তকে এজনী নৰ্ত্তকীক অকস্মাৎ আক্ৰমণ কৰোঁতে নৰ্ত্তকী জনীয়ে যেন মৃদু আৰু মধুৰভাৱে কঁপি থাকে নাওবিলাকো লৌহিত্যৰ পানীত ঢৌৰ লগত তেনেভাৱে কঁপি কঁপি নগৰৰ শোভা বৰ্দ্ধন কৰিছিল।

কামৰূপৰ নৌবল অতি প্ৰাচীন কালৰ আৰু এই গৌৰৱ আহোম ৰাজত্বৰ দিনলৈকে অক্ষুণ্ণ আছিল। হৰ্জ্জৰ বৰ্ম্মাই নাৱৰ সকলো বিষয়তে কৈবৰ্ত্ত কৰ্ম্মচাৰী নিযুক্ত কৰিছিল বুলি মনে ধৰে। ৰজাঘৰীয়া নাৱৰ ওচৰেদি কোনো সদাগৰী নাও গলে শুল্ক দিব লাগিছিল। আৰু যদি তাতে গুণ টানি নাও নিবলৈ হয়, তেন্তে গুণ টনা মানুহকেইটা ৰজাৰ নৌসেনা থকা ঠাইৰ পাৰেদি যাব লগীয়া হোৱাত নৌ সৈন্যৰ কৈবৰ্ত্ত কৰ্ম্মচাৰী এজনে শুল্ক বিচাৰিছিল—কাজিয়াৰ এইটো। এই কাজিয়াটোৰ বিচাৰত যি মীমাংসা হৈছিল তাকে উপৰুক্ত শিলালিপিত লিখা আছে।

এই সময়ত কৈৱৰ্ত্ত সম্প্ৰদায় সকলো বিষয়ে বৰ শক্তিশালী আছিল। আমি তেওঁলোকৰ সামাজিক অৱস্থা সম্পৰ্কে একো নাজানো, কিন্তু ৰাজনৈতিক অৱস্থাৰ পৰা সেই সম্পৰ্কে কিছু সন্ধান পোৱা অসম্ভৱ নহয়।

খৃষ্টীয় দশম একাদশ শতিকাত বঙ্গদেশীয় ৰজা তৃতীয় বিগ্ৰহপালৰ মৃত্যু হয়। তেওঁৰ জ্যেষ্ঠ পুত্ৰ মহীপাল ৰজা হৈ সৰু ভাই দুজন শূৰপাল আৰু ৰামপালক বন্দীশালত বন্দী কৰি ৰাখে। ভাই দুজন কণমপি ৰক্ষা পাই মোমায়েকৰ দেশ ৰাষ্ট্ৰকূট ( বৰ্ত্তমান ভূপাল ) লৈ গুচি যায়। মহীপালৰ অত্যাচাৰত প্ৰজাসকল অস্থিৰ হৈ উঠি বিদ্ৰোহ কৰে আৰু সকলোৱে মিলি দিব্যক তেওঁলোকৰ মুখিয়াল কৰি ৰাজশক্তিৰ বিৰুদ্ধে যুদ্ধ কৰে। যুদ্ধত মহীপাল পৰাজিত হয় আৰু প্ৰজাসকলৰ অনুৰোধত দিব্যই গৌড়ৰ সিংহাসন অধিকাৰ কৰে। এই জন দিব্য আছিল জাতিত কৈৱৰ্ত্ত, বিগ্ৰহপালৰ এজন প্ৰধান বিষয়া।

কেইবছৰমান ৰাজত্ব কৰাৰ পিছত দিব্যৰ মৃত্যু হয়। তেতিয়া তেওঁৰ ভাই ৰুদোক ৰজা হয়। ৰুদোকৰ পিছত তেওঁৰ পুতেক ভীম ৰজা হয়। ভীম এজন বৰ শক্তিমন্ত আৰু জ্ঞানী ৰজা আছিল। এওঁৰ ৰাজধানী আছিল উত্তৰ বঙ্গৰ বগুড়াৰ ওচৰত। তেওঁ বন্ধোৱা এটা ডাঙৰ আলিৰ চিন আজিলৈকে বগুড়াৰ পৰা দুগড়ালৈকে আছে। সাধাৰণে ইয়াক "ভীমৰ জাঙ্গাল" বুলি কয়। ইয়াৰ বাহিৰেও অনেক ঠাইত তেওঁ খন্দোৱা অসংখ্য ডাঙৰ ডাঙৰ পুখুৰী "ভীম সাগৰ" নামে জনাজাত। তেওঁৰ ৰাজত্বত, তেওঁৰ সহায়ভূতিত সুৰেশ্বৰ নামে কবিৰাজ এজনে বৈদ্য শাস্ত্ৰৰ ডাঙৰ কিতাপ এখন ৰচনা কৰিছিল।

এই দিব্য আৰু ভীমৰ কাহিনী সন্ধ্যাকৰ নন্দীৰ "ৰাম চৰিত" নামেৰে এখন সংস্কৃত কিতাপত আছে। এই সম্পৰ্কে বঙ্গদেশত অনেক আলোচনা হৈ গৈছে, অত্যাচাৰী ৰাজশক্তিৰ বিৰুদ্ধে থিয় হোৱা প্ৰজাসকলৰ মুখিয়াল দিব্যৰ স্মৃতি-উৎসৱ প্ৰতি বছৰে বঙ্গদেশত হৈ থাকে।

যি হওক ভীমে বেছি দিন ৰাজত্ব কৰিবলৈ নাপালে। শূৰপাল আৰু ৰামপালে অনেক সৈন্য সামন্ত লৈ আহি ভীমক যুদ্ধত ঘটুৱাই আকৌ পিতৃ-ৰাজ্য উদ্ধাৰ কৰে। ভীমৰ পিছত হৰি নামেৰে এজন কৈৱৰ্ত্ত সেনাপতিয়ে অনেক দিন ৰামপালৰ বিৰুদ্ধে যুদ্ধ কৰি পিছত ৰামপালৰ পুতেক ৰাজ্যপালৰ হাতত পৰাজিত হয়।

পালবংশৰ বেমেজালিত বঙ্গদেশত পিছে সেন ৰজাসকলৰ প্ৰাধান্য হয়। সেন বংশীয় বল্লাল সেনে কৈৱৰ্ত্তসকলৰ সহায়েৰে দেশ শাসন কৰিছিল আৰু তেওঁলোকৰ সহায়তেই পালসকলৰ পৰা উত্তৰ বঙ্গ কাঢ়ি লয়। বঙ্গ-দক্ষিণ অঞ্চল ৰক্ষা কৰাৰ ভাৰ মহেশ নামৰ এজন কৈৱৰ্ত্ত সেনাপতিৰ ওপৰত আছিল। তেওঁ মহেশ মণ্ডল বুলি জনাজাত আৰু সেই নিমিত্তে আজিলৈকে সেই অঞ্চল মণ্ডল ঘাট বুলি প্ৰখ্যাত।

হৰ্জ্জৰ বৰ্ম্মাৰ বংশ লোপ পোৱাত কামৰূপৰ সিংহাসন প্ৰাগ্ নৰকাসুৰ বংশীয় ব্ৰহ্মপালৰ হাতলৈ যায়। তেওঁৰ পুতেক ৰত্নপাল এজন বৰ প্ৰখ্যাত ৰজা আছিল। তেওঁৰ ৰাজধানী আছিল দুৰ্জ্জয় নগৰ। তামৰ ফলিত দুৰ্জ্জয় নগৰ এখন সুনিৰ্ম্মিত আৰু সুৰক্ষিত নগৰ বুলি লিখা আছে। সেই নগৰ দেখি হেনো গৌড়ৰ ৰজাৰ জ্বৰ উঠিছিল, কেৰল দেশৰ ৰজাৰ গাত ঘাম ওলাইছিল আৰু দাক্ষিণাত্যৰ ৰজা সকলৰ যক্ষ্মা ৰোগ দেখা দিছিল। পণ্ডিতসকলে এই নগৰৰ স্থান নিৰ্ণয় সম্পৰ্কে আজিলৈকে স্থিৰ সিদ্ধান্ত কৰিব পৰা নাই। ৺মহামহোপাধ্যায় পদ্মনাথ বিদ্যাবিনোদৰ মতে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ পৰা কোনো এখন ঠাইত হব লাগে। ৰায় বাহাদুৰ কনকলাল বৰুৱা ছি আই, ই ৰ মতে গুৱাহাটীত; মই যিমান প্ৰমাণ পাইছোঁ তাৰ পৰা মনে ধৰে নগাঁৱত। যি হওক এই ৰত্নপাল ৰজা ধাৰ্ম্মিক আৰু শক্তিমন্ত আছিল। তেওঁৰ ৰাজত্বৰ সময়ত অসংখ্য মঠ মন্দিৰ নিৰ্ম্মিত হৈছিল আৰু ব্ৰাহ্মণসকলে অসংখ্য দান পাইছিল। এই ৰত্নপাল ৰজাৰ ৰাজধানীত এদিন এজন যোগী আহি নানা প্ৰকাৰৰ যাদু বিদ্যা দেখুৱাই ৰজা আৰু



তেওঁৰ ব্ৰাহ্মণ মন্ত্ৰীসকলক আচৰিত কৰে। যোগীজন আছিল বৌদ্ধ তান্ত্ৰিক; ৰজাই তেওঁৰ যোগবল দেখি ক্ৰমাৎ বৌদ্ধ তান্ত্ৰিক; ধৰ্ম্মক অলপ ভাল চকুৰে চাবলৈ ধৰিলে।

এই সময়ত ভাৰতবৰ্ষত ধৰ্ম্মৰ ইতিহাসত এটা বিপ্লৱ হয়। ইয়াৰ কিছু আগতে অষ্টম শতাব্দীত শঙ্কৰাচাৰ্য্যই বৌদ্ধ আৰু তান্ত্ৰিকসকলক তৰ্কত পৰাজিত কৰি সনাতন ধৰ্ম্ম প্ৰতিষ্ঠা কৰি গৈছিলহি। তেতিয়াৰ পৰাই বৌদ্ধ ধৰ্ম্মত নানাবিধ বেমেজালি সোমাই ধৰ্ম্মৰ অৱনতি হব ধৰে আৰু তান্ত্ৰিক ধৰ্ম্মৰ সকলো শাখাৰ মতৰ লগত মিহলি হৈ নানা ৰকমৰ নতুন ধৰ্ম্ম দেশত প্ৰচলিত হয়।

ৰত্নপালৰ পুতেক পুৰন্দৰ পাল, পুৰন্দৰ পালৰ পুত্ৰ ইন্দ্ৰপাল। এই ইন্দ্ৰপালক তিব্বতী গ্ৰন্থত ইন্দ্ৰভূতি বুলি লিখিছে। এই ইন্দ্ৰভূতিৰ পদ্ম-সম্ভৱ নামেৰে এটি পুত্ৰ আছিল। তিব্বতী মতে ইন্দ্ৰভূতি ওড্ডীয়ান বা ওড্ডীয়ানৰ ৰজা। ওড্ডীয়ানৰ ওচৰত আছিল সৰু এখন ৰাজ্য লঙ্কাপুৰী, ৰজা আছিল জালেন্দ্ৰ। জালেন্দ্ৰৰ পুতেকে ইন্দ্ৰভূতিৰ ভনীয়েক লক্ষ্মীঙ্কৰাক বিয়া কৰিছিল আৰু ইন্দ্ৰভূতিৰ পুতেক পদ্ম সম্ভৱে [illegible] ওচৰত থকা জাহৰ নামেৰে সৰু এখন ৰাজ্যৰ ৰজা শান্তৰক্ষিতৰ ভনীয়েকক বিয়া কৰিছিল। পিছে ইন্দ্ৰভূতিৰ ভনীয়েক লক্ষ্মীঙ্কৰা আৰু পুতেক পদ্ম-সম্ভৱ দুইজনে যোগী হৈ গৃহ-ত্যাগ কৰি যায় আৰু বৌদ্ধ তান্ত্ৰিক মতৰ দুইজনেই বৰ প্ৰখ্যাত সিদ্ধ হৈ উঠে। গুৰু পদ্ম-সম্ভৱৰ মূৰ্ত্তি আজিলৈকে চিকিমৰ ৰাজমন্দিৰত পূজা কৰি আছে।

লঙ্কাপুৰী যে নগাঁও জিলাৰ লঙ্ক এই সম্পৰ্কে পণ্ডিত সকল প্ৰায় একমত। যথেষ্ট প্ৰমাণ পোৱা গৈছে নগাঁৱৰ হোজাই বা ওজাই তিব্বতী কিতাপত লিখা ওড্ডীয়ান বা ওড্ডীয়ান, আৰু জাহৰ চেৰাপুঞ্জীৰ ওচৰত থকা সাৰাৰপুঞ্জী।

যি হওক, তামৰ ফলিৰ মতে ইন্দ্ৰপালৰ পিছত তেওঁৰ পুতেক গোপাল; গোপালৰ পিছত হৰ্ষপাল আৰু হৰ্ষপালৰ পিছত ধৰ্ম্মপাল ৰজা হয়। ধৰ্ম্মপাল বৰ ধাৰ্ম্মিক ৰজা আছিল। সংসাৰ অনিত্য, ইয়াৰ একো সাৰ নাই ইত্যাদি ধৰ্ম্ম তত্ত্বৰ কথা তেওঁৰ তামৰ ফলিত লিখা আছে আৰু প্ৰবাদ আছে এওঁ হেনো বাসুদেৱী ধৰ্ম্মত দীক্ষিত হৈ অপুত্ৰক অৱস্থাত সন্ন্যাসী হৈ গৃহ-ত্যাগী হৈ যায়। অৱশ্যে কোনো তামৰ ফলিত ইন্দ্ৰপালৰ পুতেক পদ্মসম্ভৱৰ নাম পোৱা নাই, তিব্বতী গ্ৰন্থতো তেওঁৰ আচল নামটো কি আছিল লিখা নাই মাথোন লিখিছে জাহৰ দেশত তেওঁ "পদ্মসম্ভৱ" বুলি জনাজাত আছিল।

ইন্দ্ৰপালৰ ৰাজত্বৰ সময়ত কৈৱৰ্ত্তসকলৰ বৰ সন্মানজনক অৱস্থা আছিল আৰু ৰজাৰ পৰা বিশেষ সুবিধা ভোগ কৰিছিল। তেওঁৰ এখন তামৰ ফলিত লিখা আছে যে কৈৱৰ্ত্তসকলে ভোগ কৰিবৰ নিমিত্তে স্বকীয়াকৈ এটা ডাঙৰ দীঘি দিয়া হৈছিল। তেওঁৰ ৰাজত্বৰ সময়তেই সামন্তশোভা নামৰ কৈৱৰ্ত্ত কুলৰ মানুহ এজনে প্ৰথমে ৰাজকাৰেঙত কাকতীৰ কাম কৰি আছিল। পিছত শবৰীপা নামৰ এজন বৌদ্ধ তান্ত্ৰিক সাধুৰ লগ পাই সন্ন্যাসী হৈ তিব্বতলৈ গুচি যায়। তিব্বতত তেওঁ এজন বৰ ডাঙৰ সিদ্ধ বুলি জনাজাত হয়। লৌহিত্য দেশৰ মানুহ বুলি তেওঁ সাধাৰণতে লোহিতপাদ বা লুইতপাদ বা লুইপাদ বুলি জনাজাত। তিব্বতীসকলে তেওঁক আকৌ নালতোপা বা মাছ-খোৱা গুৰু বুলিও কয়। তিব্বতীসকলে মাছ নাখায় সুতৰাং কোনোবাই মাছ খালে সেই কথাটো যেন বৰ এটা খ্যাতি হৈ উঠে। তিব্বতী লুইপাদৰ ছবিত তেওঁৰ ভৰিৰ ওচৰত কেইটামান ডাঙৰ ডাঙৰ বৌ মাছ আৰু হাতত এটা বৌ মাছ দিয়া আছে। তেওঁৰ আৰু এটি নাম মৎস্যান্ত্ৰাদপাদ অৰ্থাৎ মাছৰ নাড়ী খোৱা গুৰু।

লুই পাদক সিদ্ধসকলৰ গুৰু বুলি তিব্বতীসকলে পূজা কৰে। তেওঁ লিখা কেইটামান দোহা ( দোঁহা ) নেপালৰ ৰাজকাৰেঙৰ লাইব্ৰেৰীত পোৱা হৈছে, তাৰ ভাষা প্ৰাচীন কালৰ অসমীয়াও কব পাৰি, বঙ্গালীও কব পাৰি। সেই সময়ত দেশত প্ৰচলিত ভাষাৰেই তেওঁ লিখি গৈছে আৰু সেইবোৰ নেপাল তিব্বত আদি

সকলো দেশতেই ভকত সকলে গাই ফুৰিছিল লুই পাদৰ ধৰ্ম্মমত বৌদ্ধ-তান্ত্ৰিক। তেওঁৰ একমাত্ৰ লক্ষ্য আছিল মহা সুখ। যোগ-তপস্যা কৰি মিছামিছি দেহাক কষ্ট নিদি একমাত্ৰ গুৰুকে সাৰবস্তু ভাবি তেওঁৰ পূজা-আৰাধনা ধ্যান কৰিলেহে মহসুখ পোৱা যাব।

"কাআ তৰুবৰ পঞ্চবি ডাল
চঞ্চল চীত্ৰ পইঠো কাল॥
দিট কৰিঅ মহাসুখ পৰিমাণ
লুইভ নই গুৰু পুচ্ছিঅ জাণ॥
সঅল সমাহিঅ কাহি কৰি অই।
সুখ দুখেতেঁ নিচিত মৰি আই॥
এড়ি এউ ছান্দক বান্ধ কৰণক পাটেৰ আস
সুনুপাখ ভিতি লাহুৰে পাস॥
ভনই লুই আমহে সাণে দিঠা
ধমন চমণ বেনি পাণ্ডিবইণ॥

আমাৰ এই শৰীৰ-বৃক্ষৰ পাঁচটা ডাল আছে আৰু তাৰ ভিতৰত চঞ্চল মন নামে এটা কাল-সাপ সোমাইছে। লুইৰ উপদেশ মনস্থিৰ কৰি মহাসুখ লক্ষ কৰি গুৰুক উপদেশ সুধিবা। যোগ, তপ, শম, যম, হঠযোগ, প্ৰাণায়াম সাধনা ইত্যাদি কৰি দেহাক কষ্ট নিদি শূন্যমত (Nihilism) গ্ৰহণ কৰা। লুইয়ে কয় মই স্পষ্টকৈ দেখা পাইছোঁ মোৰ কপালত মোৰ গুৰুৱে আসন কৰি ধ্যানত বহি আছে।

ফৰাচী পণ্ডিত P. Cordier তিব্বতী টেঙ্গুৰ ছিৰিজৰ কিতাপবোৰৰ এখন তালিকা প্ৰস্তুত কৰিছে আৰু তাতে লিখি লুইপাদ বঙ্গদেশৰ মানুহ কিন্তু অন্য কেবাখনো তিব্বতী কিতাপত স্পষ্টকৈ লিখা আছে লুইপাদ কামৰূপৰ কৈবৰ্ত্তৰ লৰা তেওঁৰ নামৰ লগত যে লোহিত কথাটোৰ যোগ আছে সেই দিনে কোনোজনে মন কৰাই নাই। জালন্ধৰ দেশৰ সিদ্ধজনক জালন্ধৰী সিদ্ধা কোৱা হৈছিল, লোহিত বা লুইত দেশৰ সিদ্ধাক লোহিতপাদ বা লুই-পাদ বোলা হৈছিল।

৺মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে সৰ্ব্বপ্ৰথমে অহো পুৰুষাৰ্থ কৰি নেপালৰ পৰা লুইপাদৰ দোঁহা সঙ্গীত সাহিত্য পৰিষদৰ জৰিয়তে ছপাইছিল, তেওঁ কৰ্ডিয়াৰ ছাহাবৰ মতকে ধৰি লুইপাদক বঙ্গদেশৰ মানুহ আৰু তেওঁৰ ভাষাক বঙ্গদেশৰ প্ৰাচীন ভাষা বুলি লিখি গৈছে। বৰ্ত্তমানে ডকটৰ প্ৰবোধ চন্দ্ৰ বাগচীয়ে লোহিত শব্দৰ অৰ্থ কৰিছে লোহিত বা ৰৌ মাছ আৰু লুইপাদক বঙ্গালী বুলিয়েই স্থিৰ কৰিছে।

এতিয়া আমি লুইপাদক নগাঁও জিলাৰ হোজাই অঞ্চলৰ এজন কৈবৰ্ত্ত কুলৰ মানুহ বুলি স্থিৰ কৰি ধৰি লৈছোঁ আৰু সকলো প্ৰমাণ আমাৰ সপক্ষে আছে বুলি আমি বিশ্বাস কৰোঁ।

সামাজিক তত্ব আলোচনা কৰা এই প্ৰবন্ধৰ উদ্দেশ্য নহলেও এনে সামাজিক দুৰবস্থাত পৰিণত হোৱাৰ কাৰণ সম্পৰ্কে দুআষাৰমান কোৱা একেবাৰে অযুগুত নহব।

৺ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাই তেওঁৰ বুৰঞ্জীত লিখি গৈছে কৈবৰ্ত্তসকল বৌদ্ধ আছিল। ইমান দিন আমি বুজিব পৰা নাছিলোঁ ৺ৰায়বাহাদুৰ ডাঙৰীয়াই কোন প্ৰমাণৰ ওপৰত নিৰ্ভৰ কৰি এনে এটা কথা লিখি গৈছে। কিন্তু এতিয়া আমি স্পষ্ট প্ৰমাণ পালোঁ, কৈবৰ্ত্ত-সকলে বৌদ্ধ তান্ত্ৰিক ধৰ্ম্ম একেভাৱে গ্ৰহণ কৰিছিল যে তেওঁলোকৰেই এজন আমাৰ নগাঁৱৰ মানুহ বৌদ্ধ তান্ত্ৰিক সকলৰ সৰ্ব্ব প্ৰধান সিদ্ধা বুলি প্ৰখ্যাত হৈ সেই সময়ৰ প্ৰচলিত দেশভাষাত তেওঁৰ ধৰ্ম্মমত সম্পৰ্কে দোঁহা লিখি থৈ গৈছিল আৰু আজিলৈকে তেওঁৰ নামৰ খ্যাতিয়ে তিব্বতত পূজা পাই আছে। সাধাৰণতে সুৰুকৰা সম্প্ৰদায়ৰ ভিতৰত সকলোৰে একমত, সুতৰাং বিশ্বাস হয় অধিকাংশ কৈবৰ্ত্তই এই ধৰ্ম্ম গ্ৰহণ কৰিছিল।

বৌদ্ধসকলৰ ভিতৰত এটা অদ্ভুত ৰীতি আছে। তেওঁলোকে মাংস খাব, কিন্তু নিজহাতে প্ৰাণীটোক বধ নকৰিব। নিমিলাকে মাছ খায়, তেওঁলোকৰ ভিতৰতো এই প্ৰথা প্ৰচলিত হল। যি সকলে মাছ মাৰিছিল তেওঁলোকক অলপ ঘৃণাৰ চকুৰে চোৱা হৈছিল। এই সম্পৰ্কে আন্দোলন কৰি কৈবৰ্ত্তসকলৰ ভিতৰত দলা-দলি হল আৰু তাৰ প্ৰমাণ, সেই সম্পৰ্কে দন্দ-কাজিয়া আজিলৈকে চলি আছে।



বৌদ্ধ আৰু হিন্দুসকলৰ বিবাদ সম্পৰ্কে আগেয়ে কোৱা হৈছে। কামৰূপীয় ব্ৰাহ্মণ কুমাৰিলা ভট্টই বৌদ্ধ ধৰ্ম্ম সম্পৰ্কে সবিশেষ জানিবলৈ নিজৰ নাম আৰু জাতি গুপুত কৰি বৌদ্ধ-বিহাৰত পঢ়িবলৈ গৈছিল। পিছে এদিন কোনো কথাত যেতিয়া গম পোৱা গল যে তেওঁ হিন্দু ব্ৰাহ্মণ, তেতিয়া বৌদ্ধ ছাত্ৰসকলে তেওঁক থাৰি-পিটি গচকি ডুমহলাৰ পৰা তললৈ পেলাই দিলে। "বেদ যদি সত্য হয় তেন্তে মই ৰক্ষা পাম" এই বুলি তেওঁ মাটিত পৰিল। বেদৰ কৃপাত ৰক্ষা পালে, কিন্তু 'যদি সত্য হয়' এনে সন্দেহজনক কথা কোৱাৰ কাৰণে হেনো তেওঁৰ চকু এটা কণা হল। এইদিনে আকৌ দাক্ষিণাত্যৰ হিন্দু ৰজা সুধন্বাই আদেশ দিলে হিমালয়ৰ পৰা সাগৰ-লৈকে মোৰ ৰাজ্যত বৌদ্ধধৰ্ম্মাবলম্বী মুনিচ-তিৰোতা, লৰা-ছোৱালীক দেখা মাত্ৰকেই হিন্দুৱে বধ কৰিব। যি-জনে এই আদেশ অৱহেলা কৰিব, তেওঁৰো প্ৰাণ বধ কৰা হব।

সুতৰাং বৌদ্ধ ধৰ্ম্মৰ প্ৰতি সহানুভূতিসম্পন্ন লোক-সকলৰ সামাজিক অৱস্থা হিন্দু ৰাজত্বৰ সময়ত কেনে হৈছিল তাক বুজা টান নহয়। আচল বুৰঞ্জীৰ কথা পাহৰিলেও আমাৰ চিৰকালৰ প্ৰচলিত আচাৰ ব্যৱহাৰ আৰু কথ-বতৰাৰ ভিতৰত অনেক সময় তাৰ কিছু চিন আমাৰ অজ্ঞাতসাৰে থাকি যায়। এই নিমিত্তে আজিকালিও কৈবৰ্ত্ত সম্প্ৰদায়ৰ কোনো প্ৰাচীন মানুহ এজনে যদি কোচ কলিতা ব্ৰাহ্মণ গাঁৱক "হেন্দো" (হিন্দু) গাঁও বুলি কয়, তেন্তে তাত আমি আচৰিত হবলগীয়া একো নাই।

---

# আমাৰ পুথি-ভঁৰাল
## ( ন্যাকত-পুথিৰ চিনাকি )

**বন্দনা**—কটন কলেজৰ অধ্যক্ষ শ্ৰীসতীশচন্দ্ৰ ৰায় এম-এ, আই-ই-এচ ৰচিত ছকুৰি মান পিঠিৰ অসমীয়া গ্ৰন্থ। ছপা, তুলাপাত বিতোপন। বেচ ।• এসিকি মাথোন।

গ্ৰন্থকৰ্ত্তাই লিখিছে, "আমাৰ কলেজৰ ছাত্ৰ আৰু ছাত্ৰীসকলক ধৰ্ম্ম আৰু নীতিশিক্ষা দিবৰ কাৰণে সৰ্ব্ববাদিসম্মত কোনো প্ৰকাৰ উপায় এতিয়ালৈকে অৱলম্বন কৰা সম্ভৱপৰ হোৱা নাই। সেই বুলিয়ে যে ছাত্ৰ আৰু ছাত্ৰীসকলৰ ধৰ্ম্ম আৰু নীতি শিক্ষাৰ প্ৰয়োজন নাই এইটো নহয়। ধৰ্ম্ম আৰু নীতি শিক্ষা জীৱনৰ অতি লাগতিয়াল বস্তু আৰু সেই শিক্ষা ডেকা কালৰে পৰা আৰম্ভ হোৱা উচিত।

"ধৰ্ম্ম আৰু নীতি জীৱনৰ পৰিপুষ্টিৰ কাৰণে দৈনিক প্ৰাৰ্থনা আৰু ভগৱন্তৰ উচ্চাৰণেই যে ছাত্ৰ আৰু ছাত্ৰী-সকলৰ ধৰ্ম্ম আৰু নীতি জীৱন লাভৰ সহজ-লভ্য উপায় সি অতি সঁচা কথা। কিঞ্চিৎভাৱে হলেও সেই উদ্দেশ্য লাভৰ কাৰণেই (গ্ৰন্থকাৰৰ প্ৰণীত বঙলা পুথি) "অঞ্জলি"ৰ প্ৰথম খণ্ড "আৰাধনা" অংশক পৃথক কৰি "বন্দনা" নামেৰে এই পুথি মুদ্ৰিত কৰা হল। জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে সকলো ছাত্ৰ ছাত্ৰীৰ উপযোগী কৰি স্তুতি-বন্দনাবিলাকৰ বাছনি কৰা হৈছে।"

গ্ৰন্থকাৰৰ উদ্দেশ্য মহৎ তাক ইয়াৰ পৰাই সহজে ধৰিব পাৰি। প্ৰাৰ্থনাখিনিও কেনে ৰসাল আৰু গুৰু ধৰণৰ হৈছে তাক তাৰ দুই এটি চাকি চায়ে কব পাৰি

এনে এখনি গ্ৰন্থ প্ৰকাশ কৰি গ্ৰন্থকাৰে নিশ্চয় তৰুণ অসমৰ আৰু বৰ্ত্তমান অসমীয়া ভাষাৰ এটি বিশেষ সেৱাৰ কাম কৰি আটাইৰে শলাগৰ পাত্ৰ হৈছে।

এই অসমীয়া ভাঙনিত নানা বিষয়ে আল-ধৰোঁতা-সকলৰ অনৱধানতেই হবলা কেবা ঠাইতো অসমীয়া ব্যাকৰণৰ ঘাতি লাগিছে। "প্ৰভো" ( ৩ পিঃ ) "জীৱজন্তুই" ( ৯ পিঃ ), "পূৰ্ণৰ পৰা পূৰ্ণতৰ" ( ৪৬ পিঃ ) "পৰিপূৰ্ণ" ( ৪৭ পিঃ ) আদি তাৰে কেইটিমান। পিছৰ তাঙৰণ ওলালে এই আসোঁৱাহবোৰ আঁতৰিব বুলি আশা কৰোঁ। গ্ৰন্থকাৰক আমি অভিবাদন জনাওঁ।

**হায় হাছান! হায় হোছেন!!**—ৰচক খাঁ বাহাদুৰ অলহাজ্ৰ ফাইকউদ্দিন আহমদ। ছকুৰিবো ওপৰ পিঠিৰ কাৰবালা হত্যাকাণ্ড। বেচ ধনে এসিকি।

গ্ৰন্থকাৰে লিখিছে—"কাৰবালাৰ অমানুষিক হিয়াভেদী হত্যাকাণ্ড সম্পৰ্কে আমাৰ দেশত নানা ৰকম ভুল ধাৰণা আজিলৈকে চলি আহিছে।……জঙ্গনামা শহীদে কাৰবালা বিষাদ-সিন্ধু আদি বঙ্গলা পুথিবোৰেই এই ধাৰণাবোৰৰ নিমিত্তে দায়ী। এনে ধৰণৰ পুথিবোৰত তিলকে তাল কৰা, বৌটোক ঢৌটো কৰা, বাৰ-যোৰা দিয়া বহুত ফচহ কথা আছে।… প্ৰকৃত ঐতিহাসিক ঘটনাবোৰ বিশ্বাসযোগ্য আৰবী পাৰ্চী পুথিবোৰতহে পোৱা যায়। এই ভুল ধাৰণাবোৰ গুচাবলৈ বহুত পৰিশ্ৰম কৰি এই পুথি সমাজৰ হাতত দিয়াৰ উদ্দেশ্য।…ইয়াত কিবা ভুল-চুক আৰু ভাষাৰ হেনা-ছচা কাৰে চকুত পৰিলে আমাক অনুগ্ৰহ কৰি জনালে নপৈ কৃতজ্ঞ হম।"

কিন্তু এই পুথিত আমি ভাষাৰ "হেনা-ছচা" সমুলি পোৱা নাই বুলিলেও হয়; তাৰ সলনি আমি নিভাজ ঘৰুৱা অসমীয়া খণ্ডবাক্য আদিৰহে বহুল প্ৰচলন পাইছোঁ। আজিকালি "নিৰক্ষৰতা দূৰীকৰণ"ৰ দিনত সেইবোৰ ঘৰুৱা মাত-কথা "নিষ্পেষিত" আৰু "দাৰিদ্ৰ্য-প্ৰপীড়িত" হৈ পৰিছে। আৰু নহবলৈ আছে কি? এনে সময়ত মাজে-সময়ে হলেও এনে একোজন লেখকৰ পুথি পঢ়িবলৈ পালে আজিকালিৰ গোন্ধা-পিঠাৰ পৰা আকৌ তিলা-পিঠা আদিত মুখ দিয়াৰ নিচিনা ৰুচিকৰ লাগে।

লেখক অসমীয়া সাহিত্যৰ এজন নীৰৱ সেৱকজাক সাহিত্য-পেন্সনভোগী মৌলবী মাফিজউদ্দিন আহ্মদ হাজৰিকাৰ ৰব ককাইদেৱেক। গতিকে "জ্ঞানমালিনীৰ" বিশেষত্বই ইয়াৰ বিশেষত্ব হোৱা স্বাভাবিক মাথোন।

এই গ্ৰন্থকাৰে যিমানখিনি মূল গ্ৰন্থ আলোচনা কৰাৰ প্ৰমাণ-পঞ্জী দিছে তাকে চাই এই গ্ৰন্থ যে বহুমূল্য আৰু পাণ্ডিত্যপূৰ্ণ তাত সন্দেহ নাথাকে। তাৰ বাবে লেখক আৰু তেওঁৰ পুথিয়ে যথাযোগ্য সমাদৰ পোৱা উচিত। লেখকক আমি কৃতজ্ঞতা জনাওঁ আৰু আশা কৰোঁ যেন ইছলাম সাহিত্যৰ গৌৰৱ-স্বৰূপ এনে কাম অসমীয়া ভাষাত প্ৰচাৰ কৰি মাতৃভাষাৰ মৰমৰ পাত্ৰ হয়।

**আৰোগ্য-মঞ্জৰী**—ভণোতা কবিৰাজ শ্ৰীদেবেন্দ্ৰনাথ ভট্টাচাৰ্য্য কাব্য-সাংখ্যতীৰ্থ সাহিত্যবাগীশ বিদ্যা-বিনোদ বেদান্তৰত্ন আয়ুৰ্ব্বেদ-সৰস্বতী। ছকুৰি পিঠিত কৈও সৰহীয়া পাতৰ পুথি। বেচ ||৵০ দহ অনা।

লেখকে কৈছে "অম্ল-বস্ত্ৰ চিকিৎসা আৰু চিকিৎসা-সমস্যাৰ আজি এই দুৰ্দ্দিনত পইচা খৰচ নকৰাকৈ যাতে চিকিৎসা কৰি ৰোগমুক্ত হব পাৰে সেই উদ্দেশ্যে, বিশেষকৈ আয়ুৰ্ব্বেদীয় চিকিৎসাৰ বহুল প্ৰচাৰৰ অৰ্থে এই কিতাপখন সম্পাদন কৰা হল। অসমীয়া ভাষাত চিকিৎসাৰ কিতাপ প্ৰচাৰ কৰাও লিখকৰ এটি বিশেষ উদ্দেশ্য। এই কিতাপত ৰোগৰ সংক্ষিপ্ত লক্ষণ, মুষ্টিযোগ পথ্য, ঔষধ প্ৰয়োগ প্ৰণালী ( আদি ) যিবোৰ বিষয় আলোচিত হৈছে সেইবোৰ সুবিজ্ঞ সুপণ্ডিত বৈদ্যসকলৰ চিকিৎসা-ক্ষেত্ৰত আৰু নিজৰ চিকিৎসা-ক্ষেত্ৰতো বিশেষ পৰীক্ষিত।

"ওপৰ আৰু নামনি অসমত বেলেগ বেলেগ নামেৰে পৰিচিত বনৌষধিবোৰৰ এখন তালিকাও ইয়াত লিপি-বদ্ধ কৰা হৈছে। বিশেষকৈ পৰিশিষ্ট খণ্ডত চিকিৎসকৰ সহায় নোলোৱাকৈ কেইটিমান শাস্ত্ৰীয় ঔষধৰ প্ৰয়োগ প্ৰণালীৰ পৰিচয় কৰি দিয়া হৈছে।"

মুঠতে পুথিখনি সকলো অসমীয়া পৰিয়ালৰ বাবে



আৱশ্যকীয় সম্পদ হৈছে বুলি আমাৰ সবল বিশ্বাস। কবিৰাজ ভট্টাচাৰ্য্য দেৱ এই বিষয়ত নিশ্চয় আমাৰ আটাইৰে উৎসাহ আৰু শলাগৰ পাত্ৰ।

**নৱজ্যোতি**—প্ৰণেতা মহম্মদ আব্দুছ ছাত্তাৰ, প্ৰকাশক মৌলবী মতিউৰ ৰহমান, নিবিগাজান ( তিতাবৰ )। দহোটি চুটি জীৱনীৰ সমষ্টি। বেচ চাৰিঅনা।

এই পুথিৰ 'চিনাকি' দিওঁতা, গোলাঘাট হাইস্কুলৰ সুযোগ্য হেডমাষ্টৰ শ্ৰীযুত ৰাজেন্দ্ৰনাথ বৰুৱা বি-এ বি-টি দেৱে লিখিছে—"আমাৰ স্কুলৰ ছাত্ৰ শ্ৰীমান আব্দুছ ছাত্তাৰৰ সৰু সৰু চমু জীৱনী প্ৰবন্ধখিনি পঢ়ি সন্তোষ পালোঁ। লৰাটিৰ বয়স আৰু বিদ্যা চাই…ভাষা আৰু ভাব সৰল আৰু সহজ হৈছে। কালত তেওঁ এইদৰে সাহিত্য-চৰ্চ্চা কৰি এজন ভাল লিখক হব বুলি আশা কৰিব পাৰি।

"কিন্তু এইখিনিতে এইটো কথাও কোৱা উচিত যে আমাৰ দেশত সমালোচক নিচেই নাই। সেইদেখি যেয়ে যি লিখে তাক দেখি সমাজৰ দুই একে ৰব বেচিকৈ বাহ্, বাহ্ দিলে লিখকৰ মন গগত ওফন্দি যায়।

"এইটো মনত ৰাখিব লাগিব যে জগতৰ লব্ধপ্ৰতিষ্ঠ সাহিত্যিকসকলে নিজৰ অভিজ্ঞতাৰ পৰা আজীৱন সাহিত্যক্ষেত্ৰত কাম কৰি বিখ্যাত সমালোচকসকলৰ হেজাৰ হেজাৰ সমালোচনাৰ মাজেদি পৰীক্ষা দিহে সাহিত্য-জগতত নাম কৰিব পাৰিছে……ন-লিখাটিকয়ে যেন ওপৰত লিখা মোৰ মন্তব্যবোৰ ভালকৈ হৃদয়ঙ্গম কৰি লয়।"

অকল এই লেখকেই নহয়, সকলো ভাবী-সাহিত্যিকে এই বহুমূলীয়া উপদেশ সতৰ্ক-বাণী বুলি মনা উচিত। লেখক আমাৰো ছাত্ৰ আছিল; গতিকে তেওঁৰ ওপৰত আমাৰ সকলোখিনি দাবী আৰু স্নেহেৰে ভবিষ্যত জীৱনৰ সফলতাৰ বাবে তেওঁক সাদৰ্ ছনহৈ কওঁ। তেওঁৰ উজ্জ্বল ভবিষ্যৎ কামনা কৰোঁ।

**প্ৰাণৰ গান**—ৰচক শ্ৰীদীনবন্ধু তালুকদাৰ। প্ৰকাশক শ্ৰীৰামচন্দ্ৰ তালুকদাৰ, ব্যাসকুছি সত্ৰ। দেড় কুৰি পদাৰ সমষ্টি। "ভিক্ষা" ধনে চাৰি অনা।

এওঁ লিখিছে—"সাহিত্য জগতত কীৰ্ত্তি অৰ্জ্জাৰ আশ নাই, কিন্তু সকৰে পৰা সাহিত্যলৈ এটা ধাউতি আছে।" এই আশাশুধীয়া ধাউতিৰ প্ৰমাণ স্বৰূপে লেখকৰ প্ৰায় ৰচনা স্বাভাৱিক আৰু প্ৰশংসনীয় হৈছে। লেখকে বৰ্ত্তমান বিশ্ববিদ্যালয়ৰ ওৰাৰ-দলিত ভৰি দিছে। গভীৰ অধ্যয়ন আৰু চৰ্চ্চাই তেওঁৰ সাহিত্যিক সাধনাত ভবিষ্যত সিদ্ধিৰ সমাজিক দেখুৱাব বুলি আশা কৰোঁ।

**জন্মযাত্ৰা**—ভৱানীপুৰীয়া শ্ৰীগোপাল আতা ভণিতা অঙ্কীয়া নাট। শ্ৰীফণীন্দ্ৰনাথ বৰুৱা সম্পাদিত আৰু কেন্দুগুৰি শঙ্কৰদেৱ পুথি-ভঁৰালৰ পৰা শ্ৰীৰাধানাথ হাজৰিকাৰ যত্নত প্ৰকাশিত। বেচ এসিকি।

এই অঙ্কীয়া নাটকখনি উলিয়াই সম্পাদক আৰু প্ৰকাশকে অসমীয়া সাহিত্যৰ বিশিষ্ট সেৱাৰ কাম কৰিলে। পুৰণি পুথি সম্পাদনৰ আধুনিকতম নীতি অনুসাৰে সম্পাদকে একেখন হাতে-লিখা পুথিৰ ওপৰতে নিৰ্ভৰ নকৰি চাৰি পাঁচখনি পুথি গোটাই লৈ ইয়াৰ পাঠ ( text ) থিৰ কৰিছে আৰু যত অমিল আছে তাত বিভিন্ন পাঠৰ উদ্ধৃতি দিছে। ইয়াত সাহিত্যিক সততাৰ মৰ্য্যাদা যথেষ্টভাৱে ৰখা হৈছে। ইয়াৰ বাবে সম্পাদক আৰু প্ৰকাশক শলাগৰ পাত্ৰ হৈছে, সন্দেহ নাই।

নাটকখনি এম-এৰ পাঠ্য। বাছনি উপযুক্ত বুলিব লাগিব। শঙ্কৰদেৱ-মাধৱদেৱৰ নাটৰ লগৰীয়া এই নাটখনিৰ সাহিত্যিক সৌন্দৰ্য্যেৰে ভৰপূৰ ভৱানীপুৰীয়া গোপাল আতাৰ আৰু দুই এখনি নাট এইদৰে গোটাই প্ৰকাশ কৰিবলৈ এই সম্পাদক যত্নপৰ হৈছে; আমি তেওঁৰ যত্নৰ সফলতা কামনা কৰিলোঁ।

**"বৰদৈচিলা"**—অষ্টম ভাগ, ১৮৬১ শক। বৰ্ত্তমান সম্পাদক শ্ৰীবিষ্ণুচন্দ্ৰ বৰুৱা এম এ বি-এল। ৺কমলচন্দ্ৰ বৰুৱা প্ৰতিষ্ঠাপিত। অচ্যুত-ভৱন, টীয়ক।

"বৰদৈচিলা" বুলিলেই তাৰ প্ৰতিষ্ঠাপকৰ নাম স্বভাৱতে মনত পৰে। কিন্তু কমলচন্দ্ৰ এতিয়া নাই যদিও "বৰদৈচিলা" চলি আছে, আৰু চলি থাকিব বুলি আমি আশা কৰিছোঁ। কিন্তু অকল ইয়ানেই

নহয়, ইয়াৰ বাহিৰৰ লয়লাস আগতকৈ বাঢ়িছে । বাঢ়ক ; পিছে সি যেন তাৰ সাত্ত্বিকতাৰ লগত কেৰ নামাৰে।

বৰ্ত্তমান সংখ্যাৰ সৰহখিনি প্ৰবন্ধতে ইফালে যেনেকৈ কৰ্ম্মাছ গোন্ধাইছে, সিফালে তেনেকৈ সুৰমুৰৰ চিন প্ৰকাশ পাইছে। "সৌন্দৰ্য্যতা" ( ৬১ পিঃ ), "দৈন্যতা" ( ৭৫ পিঃ ), "নৈপুণ্যতা" ( ১৮৯ পিঃ ) ইত্যাদি বৰ্ত্তমান 'প্ৰগতি"ৰ ছিটিকণি নে কি? অলমতি বিস্তৰেণ।

দুই ডেকা অধ্যাপক শৰ্ম্মা আৰু বৰুৱাৰ প্ৰবন্ধ দুটি অনুসন্ধানমূলক বিষয়ক সন্দেহ নাই। "অসমীয়া পুৰণি ছন্দ"ৰ আলোচনাত কেনাটিও সিদ্ধান্ত ততাতৈয়া হল যেন লাগিল। উদাহৰণ স্বৰূপে, অসমীয়া বোলনা, ফকৰা, ডাকৰ বচন আদিত "আধৰৰ সংখ্যাৰ লাগবান্ধ নাই। কিন্তু শেষ কথাৰ আখৰ দুটা যেনে তেনে মিলাই দৈছে" বোলাটো দৰ summary trial হৈছে ; প্ৰকৃত সত্য তাত নোলাল। "কবি ভোলানাথ দাসে মধুসূদনৰ আহি প্ৰথম অসমীয়া ভাষাত অমিত্ৰাক্ষৰ পদ ৰচনা কৰে" বোলা কথাও তথৈবচ। প্ৰকৃত সত্যৰ ইফাল সিফাল। "সুনাবেই ইফাল সিফাল কৰি আজিকালি লিখকসকলে এবিধ তৰল ছন্দ ৰচনা কৰিছে"। এই কথা আৰু ইয়াৰ ওপৰতে ভিৰ দি লিখা বাকীখিনি কথাও সত্যৰ পৰা নিলগ ; কিয়নো "হাতত ত্ৰিশূল ৰুদ্ৰ দেৱতাৰ, কৰালত ওলমে বাঘৰ ছাল" যেনেকৈ অসমীয়া জাতীয় কবিতাৰ ছন্দৰ পথ প্ৰদৰ্শক নহয়, 'সোণালী বৰণ আলোকি বিমান মাৰিলে সুৰে সোণৰ "কাঁড়"ও সেইদৰে কোনো অসমীয়া লেখকৰ তুণৰপৰা ওলোৱা নতুন ছন্দ নহয় সুনিশ্চিত। বঙলা সাহিত্যৰে পৰা অলেখ উদাহৰণ দিব পাৰি—

"যেদিন সুনীল জলধি হইতে উঠিল জননী। ভাৰত বৰ্ষ" ( দ্বিজেন্দ্ৰলাল ) বা "এসেছে ভাৰতে। নব জাগৰণ। পেয়েছে ভাৰত নূতন প্ৰাণ" ( মুকুন্দ দাস ) ইত্যাদি ইত্যাদি ইত্যাদি। অসমীয়া পুৰণি কথা সাহিত্যৰ এছোৱাহ" আৰু পোহৰ দিব বুলি আশা কৰিছিলোঁ।

ইয়াতকৈ সৰহ কব খোজা নাই আৰু যিখিনি কলোঁ। তাতো কাকো এধানো অসন্তোষ দিয়ৰ ভাৱ আমাৰ অন্তৰত নাই। মুঠতে সম্পাদকক কওঁ, সকলো ৰ্ণচ চৰিতাৰ্থ কৰাতকৈও সুৰুচি সৃষ্টি কৰাহে সাহিত্যৰ ডাঙৰ কাম।

**বাঁহী**—২০শ বছৰৰ 'বাঁহী" ৰব বড়চড়ীয়াকৈ কলিকতাৰ পৰা শ্ৰীমাধৱ বেজবৰুৱা সম্পাদিত হৈ ওলাইছে ১৮৬১ শকৰপৰা। 'বাঁহী' এইদৰে কেবাবাৰো মৰি মৰি জীছে। ৺লক্ষ্মীনাথ বেজবৰুৱাৰ সৰ্ব্বস্ব স্বৰূপ "বাঁহীৰ" আমি দীৰ্ঘ জীৱন কামনা কৰোঁ।

---

# আপোন কথা

আগৰ সহবিখিনি পুৰাবলৈ বুলি এমাহৰ ভিতৰতে এই কাকত উলিয়াই দিবলৈ ছাপাশালৰ কামৰ সৰাকীৰ লগত দিহা কৰোঁ। আৰু সেইমতে এই সংখ্যাৰ আটাই-খিনি প্ৰবন্ধ গোটাই লৈ তাৰ প্ৰথম ভাগ ১৩।৭।৩৯ তাৰিখে তেওঁলোকৰ হাতত দিওঁ। তেও বুলি সেই এমাহৰ ঠাইত এই তিনিমাহ হল, আৰু আজি ১৭।১০।৩৯ তাৰিখেহে ছাপাৰ কামৰ সামৰণি পৰিবৰ হয়!

ছয়ে ছয়ে যে চাৰি হয় আমি তাকেইহে জানি আছিলোঁ ; কিন্তু সি যেতিয়া চাৰিৰ ঠাইত বাইশ হৈ ৰহিল, আমিও তাকেই মানি লব লগা হল। নহলে যে সংস্কাৰ-ক্ষেত্ৰত অনন্সিক হব লগা হয়!

• • • •

বৰ্ত্তমান অসমীয়া সাহিত্য মন্দিৰ পোহৰ কৰা আৰু এগছি সলিতা নুমাল! পবিত্ৰ গোন্ধেৰে মন্দিৰ আমোলাই ৰখা আৰু এডালি হৃদয়-ধূপ পুৰি শেষ হল! সেই গছি সলিতা, সেই ডালি ধূপ হৈছে সুকবি সুসাহিত্যিক হিতেশ্বৰ বৰবৰুৱাৰ।

কাব্য-সাহিত্যৰ অসাধাৰণ সাধনাৰ সিদ্ধি লগত বান্ধি হিতেশ্বৰে জীৱনত আন সাহিত্যিকসকলতকৈ অলপ পলমকৈ সাহিত্য-ক্ষেত্ৰত সোমায়। কিন্তু সেই প্ৰথম দৰ্শনতে তেওঁ দৰ্শকসকলক মোহিত কৰে তেওঁৰ হাতৰ "তলসৰা ফুলৰ" মালা কেধাৰিৰে। তাৰ পাছত ইখনিৰ পাছত সিখনকৈ তেওঁ ভালেখিনি কাব্য উলিয়াই অসমীয়া সাহিত্যত তেওঁৰ এখনি যুগমীয়া আসন ৰাখি গৈছে, সন্দেহ নাই।

ইয়াৰ উপৰিও, আহোমৰ দিনৰ বুৰঞ্জী-বিষয়ত এওঁ এজন অপ্ৰতিদ্বন্দী অধিকাৰী। এই বিষয়ে তেওঁৰ অপ্ৰকাশিত বুৰঞ্জীখনি সোনকালে পোহৰৰ মুখ দেখুৱাবলৈ যত্ন হোৱা উচিত। অসমৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে অসম গৱৰ্ণমেণ্টৰ লাগতিয়াল সহায় লৈ এই কাম অবিলম্বে হাতত লব বুলি আশা কৰিছোঁ।

• • • •

কলিকতা বিশ্ববিদ্যালয়ত অসমীয়াই ঘাই ভাষা ৰূপে এম-এলৈকে ঠাই পাইছে। এতিয়া তাৰ থাপে থাপে যিবোৰ অসমীয়া পুথিৰ আৱশ্যক সেইবোৰ কিদৰে পূৰোৱা হৈছে ; তালৈ চকু দিয়া স্বভাৱিক। কিন্তু তাত এবাৰ চকু ফুৰাবলৈ গলেই আমি নিৰাশ হব লগা হওঁ। অথচ এই অন্যায়েই আদিৰেপৰা চলি আহিছে। ইয়াৰ ভিতৰত যে সলনি হোৱা নাই সিও নহয় ; কিন্তু আন দিহৰ বাবেই হওক, উন্নতিৰ বাবে নহয় নিশ্চয়। "As in a circus ring, there has been much movement, but little progress."

ঘাইকৈ এম-এৰ পাঠ্য-তালিকাৰ বিষয়ে ইয়াৰ আগতে ভালেখিনি প্ৰতিবাদকাকতে-পত্ৰই ওলাই গৈছে। বি-এ, ইণ্টাৰমিডিয়েট, মেট্ৰিকুলেশ্যন আদিৰ বিষয়টো। অসমীয়া পাঠ্য তালিকাৰ অৱস্থা তথৈবচ। আৰু তেনে নোহোৱাটোহে অস্বাভাৱিক যেন লাগিলহেতেন! ভুল-দোষ আটাইৰে আছে ; কিন্তু সেই ভুল-দোষ যেতিয়া এটা বাতুলতা হয়, তেতিয়াহে সি ভয়াবহ হয়। হেম্লেটৰ বিষয়ে কাৰ দৰে "There is a method in his madness"

• • • •

অদূৰ ভবিষ্যতৰ ১৯৪০ ৰ মাথুৰ পিয়ল আহিল। অসমীয়াৰ জীৱন-মৰণ সমস্যাত এই পিয়ল বিশেষভাৱে জড়িত, থোৰতে ইয়াকেই কব পাৰি। কিন্তু "কৰ্ম্মত বিশ্বাস যাৰ, হিয়াত থাকক্সে হৰি, অতিশয় দূৰ হোক্স তাৰ" ঘোষা ফাকিৰ আধকৰা অৰ্থ অসমীয়াই মানে বুলিয়েই হবলা কৰ্ম্মৰ স্পৃহা আমাৰ তাকৰ। সেইদেখিয়েই কুকংকাৰাং কৰিবৰ আমাৰ এতিয়াও নৌ!

তদুপৰি আমি বিশেষভাৱে pat+riot. গতিকে নিজৰ পেটৰ দিহাৰ বাহিৰে আমি আন কথা মুখেৰে বুজিলেও কামত সুযুক্তৈ হইক। বহুতে আকৌ নিলগৰ পৰা 'ধান খায়', 'ধান খায়' কৰোঁইক, কিন্তু কামৰ বেলিকা নিকিকাৰ। তথাপি যদি এই নিয়মৰ ব্যতিক্ৰম কোনোবা থাকে, আৰু নিশ্চয় থাকিব লাগেও, তেনেসকলে ততালিকে এই বিষয়ে কামত লাগিবৰ হল।

চাহ-বাগিচাৰ বনুৱা, পমুৱা আৰু গুৱালপাৰা শ্ৰীহট্ট আদিৰ প্ৰকৃত অসমীয়া লোকসংখ্যা যাতে পিয়লত অসমীয়া বুলিয়ে গণনা কৰা হয়, স্বাৰ্থান্বেষী লোকৰ ফুচুলনিত বা ষড়যন্ত্ৰত পৰি যাতে আগৰদৰে অসীয়াকো অনাসমীয়া কৰা নহয়, তাৰ বাবে আমি বাহ লগাই আৰু মুঠ বান্ধি যত্ন কৰিবৰ হল। নহলে? ঈশ্বৰ নৱহিলেও তেওঁনো আসন শূন্য নাথাকে, চৈতানে তাক অধিকাৰ কৰে।

• • • •

অসমীয়া আখৰ জোটনী সমিতিৰ কাৰ্য্যবিৱৰণী ওলাই গল আৰু আটাইৰে মতামত খুজি নিলে। অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়েও নিজ মত পঠিয়াইছে,

গতিকে "পত্ৰিকাৰ" স্বকীয়া মত নহলেও হয়। তদুপৰি আমাৰ গুটীয়া মতো পঠোৱা হৈছে।

আমাৰ সৰল বিশ্বাস এনে এটা আন্দোলন আৱশ্যকীয়া হৈছে বা যোৱাটোৰ আগত বাগ্‌ধিন দিয়াৰ দৰে হৈছে। তাতকৈ বৰ্ত্তমান চলিত আখৰ-জোটনিৰ প্ৰকৃত বেমেজালি-বিলি আঁতৰাবৰ দিহাহে অধিক কামিলা বিষয় হলহেঁতেন। আমাৰ বৰ্ত্তমান সাহিত্যৰ গতিয়েই যি লেহেম হৈছে, এনে এটা আন্দোলন ওলালে সি একেবাৰে লেহেম হবও পাৰে। বঙলা আদি সাহিত্যৰ লগতো এনে বিষয়ে ফেৰ মাৰিবৰ কাল আমাৰ অহা নাই যেন লাগে।

বৰঞ্চ জনশিক্ষা আৰু শিশুশিক্ষাৰ বাবে যাদুৰাম বৰুৱাৰ জোটনি-প্ৰণালীৰ দৰে এটা একেবাৰে সৰল প্ৰণালী লোৱাত লাভ হব পাৰে। তাক সাহিত্যলৈ সুমুৱাব খোজাৰ আগতে এইদৰে পৰীক্ষা কৰাই হয়তো সুবিধা হব।

• • • •

শিল বা ইটা ছটাদিয়েকেই যেনেকৈ স্থপতিবিদ্যা নহয়, কেইটামান বছা বছা শব্দ, আন নালাগে কেই-শাৰীমান সুৱলা পদেই সেইদৰে কাব্যকলা হব নোৱাৰে। সি এটা জীৱ ( organic whole ) হব লাগিব, তেহেলৈ সি ক্ষুদ্ৰকায় পকৰাটোৰেই হওক, বা মহাকায় হাতী-টোৰেই হওক ; সি কুশাৰীৰ এটা নাওমান পত্ৰই হওক বা হাজাৰ শাৰীৰ এখন দুজন কাব্যই হওক। অৰ্থাৎ সকৰ সৰু বা বৰৰ বৰভাৱে এটা জীৱৰ সম্পূৰ্ণ অঙ্গ প্ৰত্যঙ্গ তাৰ থাকিবই লাগিব ; অকল ওপৰ বা তলডোখৰ থাকিলেই নহব, তেতিয়া সেই এডোখৰেই অনুপম সৌন্দৰ্য্য-ময় হওক।

অসমীয়া সাহিত্যত এনে আগ-গুৰি নোহোৱা 'কবিতা' আৰু তাৰ উপাসকমণ্ডলী ( admirers ) বৰ সেৰেঙা নহয়। ওপৰত কোৱা দৰে এটা যিহি শব্দ বা তেনে শব্দৰ সমষ্টি এটাকি পদ পালেই উপাসকমণ্ডলী ভাবত তন্ময় হৈ তদ্‌গত-চিত্ত হৈ পৰে, আৰু তাত কোনোবাই তই-ৰাম-গদ্য বুলিলে তেওঁলোকে মদন-ভস্মৰ অভিনয় anchor please কৰিব খোজা যেন লাগে! স্বৰূপতে এনে কাব্যাস্বাদীসকল কাব্যৰ পৰা স্বকীয়াকৈ কাব্যকাৰকৰ হে উপাসক, যদিও সিজনৰ নাও হয় উঠোতে বুৰে, নহয় নামোতে বুৰে !!

• • • •

আধুনিক ৰাজনীতি হেনো ভাৰতৰ আধুনিক শিক্ষা। হলেও কিন্তু অলপ দিনৰ ভিতৰতে আমি সেই বিষয়ত বৰ কাজুৱা হৈ পৰিছোঁহক। খোৱা-পিন্ধা সকলোতে আমাৰ সেই ফলিট্ৰিক্‌! সাহিত্যতো আমাৰ সেই 'ট্ৰিক্' গোমাই আমাক অতি-আধুনিক কৰি তুলিছে। কাৰ ঢোল বাই কাক ওপৰলৈ তুলিব, কাৰ মিছা কুৎস ৰটি কাক তললৈ নমাব, আৰু এই বিষয়ত কেনেকৈ দলবদ্ধ হৈ শকত হব পাৰি, এই সকলোবোৰৰ চিন্তা চলে! অথচ সাহিত্যতকৈ সাৰ্ব্বজনিন বিশ্বজনীন কথা-নো বাৰু আছে কি?

ঢোকা আৰু কলগছ, — ইটোৰ ভেজাত সিটো। পিছে কোনটোনো কেইদিনীয়া? অকল সাহিত্যত কিয় বোলোঁ, সকলোতে ঢোকা-ভেজা ধন্মেকীয়া বস্তু। প্ৰকৃত গুণেইহে যুগমীয়া কথা। কলুমণ্ড হলেও বাৰু কেলিটো নো কিমান সুনুৱাই তৈ ফুৰিব?

তেওঁবুলি জ্যোতিষ শাস্ত্ৰ বাৰ কেতুৰ দোষ নিচেই সামান্য নহয়। চকুৰ দৃষ্টি মৰা কথাটো যেনেই মিছা নহয়, অন্ততঃ জনসাধাৰণৰ নিমিত্তে। চকুৰ দৃষ্টি মোহাৰি গুচাই কোৱা হয় মানে সেই ঢেগতে বহুতে নিজৰ ক্ষুদ্ৰ অভীষ্ট কেৰা পুৰাই লয়। কিন্তু তেওঁলোকৰো ভিতৰৰ জনে নজনাকৈ নাথাকে তাৰ মূল্য কি!

## স্বৰ্গীয় তৰুনৰাম ফুকন বাৰ-এট্-ল

ভাৰতবৰ্ষৰ ৰাজনীতি ক্ষেত্ৰৰ এজন পুৰুষ-সিংহ মিষ্টৰ তৰুনৰাম ফুকন বাৰ-এট্-ল আৰু ইহ সংসাৰত নাই। অসম সাহিত্য সভাৰ গুৱাহাটীৰ সম্মিলনৰ এওঁ সভাপতি আছিল। ফুকন যেনে প্ৰতিভাশালী, তেনে সুদৰ্শন; যেনে সুবক্তা তেনে সুসাহিত্যিক আছিল। স্বৰ্গীয় আত্মাৰ সদ্গতি হওক।